জুন 2012 ■ ₹ 20/-

চান্দমামা

Mumbai Edition

www.chandamama.com/parle/

CN
CARTOON NETWORK
Wrigley's
BOOMER®
Super Bubble Gum
BEN 10
ALIEN
HUMAN
ALIEN
BEN WOLF
BEN
FOUR ARMS
3000
10000
1000
বিনামূল্যে! BEN 10™
ট্রেডিং কার্ড
3 পেকৰ সৈতে
T&C apply. For detailed T&C visit www.boomerfunzone.com Net weight: Standard - 4.5gm, JOT - 4.25gm, Splash - 4gm, Duel - 4.3gm M.R.P. ₹1/-
FREE!
সোনকাল কৰক।
54 কার্ডৰ আটাইকেইখন সংগ্ৰহ কৰক
BEN 10
CARTOON NETWORK™
TM & © Cartoon Network.
(s12)

June 2012 ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Randian

General Manager :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 June 2012 Issue-06

✻ পাঠকৰ পত্ৰ	...০৬
✻ মোৰ স্মৃতি	...০৯
✻ এজন সঁচা চিকাৰী	...১১
✻ গাধৰ জ্যোতিষ	...১৭
✻ মূল্যৱান সম্পদ	...২০
✻ মিত্ৰ ভেদ – ৩১	...২৪
✻ কষটি শিল	...২৭
✻ চিত্ৰকৰৰ বুদ্ধি	...৩০
✻ বিচিত্ৰ শ্লোক	...৩২
✻ এটাতকৈ আনটো চৰা	...৩৫
✻ ব্যৱহাৰ	...৩৯
✻ শিৱৰ আশা	...৪০
✻ গোপণ কথা	...৪২
✻ অনুপযোগী উপায়	...৪৩
✻ অমূল্য সম্পত্তি	...৪৪
✻ দুটা গোপণ কথা	...৪৮
✻ সঁচা শলাগণি	...৫১
✻ নিকা মনৰ মানুহ	...৫২
✻ কৰ্মী	...৫৪
✻ শিথিলালয় – ২৭	...৫৫
✻ উচিত ৰায়	...৬২
✻ কলাৰ উল্টা-চিধা	...৬৪
✻ ভিক্ষাৰীৰ সম্পদ	...৬৬
✻ চকুপানীৰ মূল্য	...৬৭
✻ বেটুপাতৰ কাহিনী	...৭০
✻ মই কি হ'ব পাৰো?	...৭১
✻ চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৪১	...৭২
✻ কৌতুক	...৭৩
✻ ৰাজকীয় খাদ্য	...৭৪
✻ কথাৰ মালিহা	...৭৬
✻ ভাৰত দৰ্শন	...৭৮
✻ বীৰবল	...৮০
✻ গুঞ্জনৰ ৰাকচ	...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

মুদ্ৰাস্ফীতি, বৰষুণ...

সমগ্ৰ বিশ্বই অৰ্থনৈতিক মন্দাৱস্থাত ভুগিছে। সকলো দেশৰে নেতা সকলৰ অপ্ৰাণ চেষ্টাৰ পিছতো আমি এক সুস্থিৰ অৱস্থা দেখা পোৱালৈ বেছ কিছু দিন বাট চাব লাগিব। ভাৰতো এই অৰ্থনৈতিক মন্দাৱস্থাৰ চিকাৰ হৈছে। এয়া হ'ল সংঘবদ্ধ বিশ্ব অৰ্থনীতিৰ এক ঋণাত্মক দিশ। তাৰোপৰি মুদ্ৰাস্ফীতিয়ে আমাৰ অৱস্থা অধিক শোচনীয় কৰি তুলিছে। সকলো কেচামালৰ মূল্য প্ৰতিদিনেই বৃদ্ধি পাব ধৰিছে। আমি চান্দমামাটো এই সমস্যাৰ সন্মুখীন হৈছো। যোৱা দুটা বছৰে আমি কেচামালৰ মূল্য বৃদ্ধিৰ সমস্যা সমাধানৰ বাবে নানা উপায় অৱলম্বন কৰিছো যদিও লাহে লাহে ই নিয়ন্ত্ৰণৰ সীমা চেৰাই গৈছে। অতি দুখেৰে আমি জনাবলগীয়া হৈছে যে অহা জুলাই মাহৰ পৰা আমি চান্দমামাৰ সকলো প্ৰকাশনৰ মূল্য বৃদ্ধি কৰিবলগীয়া হব। চান্দমামাক জীয়াই ৰাখিবৰ বাবে এই পদক্ষেপ অতি জৰুৰী হৈ পৰিছে। অৱশ্যে জুলাই মাহত বছৰেকীয়া গ্ৰাহকভুক্তি হোৱাসকলে আগৰ মূল্যতে চান্দমামা লাভ কৰিব।

আমাৰ বতৰ বিজ্ঞান বিভাগে এইবছৰৰ বৰ্ষা ঋতু আনবছৰৰ দৰেই হব বুলি ভৱিষ্যতবাণী কৰিছে। এয়া আমাৰ দেশৰ বাবে ভাল খবৰ আৰু আশাকৰো যে মুদ্ৰস্ফীতি নিয়ন্ত্ৰণৰ ভিতৰত থাকিব। আমাৰ দেশৰ অৰ্থনীতি এতিয়াও বহু পৰিমাণে দেশত হোৱা বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে। চৰকাৰে নানা ধৰণৰ দীৰ্ঘম্যাদী আচনি গ্ৰহণ কৰি দেশত যথেষ্ঠ পৰিমাণে খাদ্য শস্য উৎপাদন কৰি অহা কেইবাবছৰৰ বাবে সাঁচি ৰাখে।

নতুন শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ লগে লগে, আমি এনে ধৰণে আচনি প্ৰস্তুত কৰা উচিত যাতে আমি যথেষ্ট পৰিমাণে অধ্যয়ন কৰাৰ লগতে খেলা-ধুলা কৰিবলৈও সময় পাও। ই এইটো নিশ্চিত কৰিব যে আমি অধ্যয়নত জাকত-জিলিকা হোৱাৰ লগতে আনবিলাক ক্ষেত্ৰতো আগুৱাই গৈ এজন সম্পূৰ্ণ মানৱ ৰূপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিম।

জুন মাহৰ এক তাৰিখ হ'ল আন্তৰ্ষ্ট্ৰীয় শিশু দিৱস। আমি সেইসকলক সহায় কৰিবলৈ চেষ্টা কৰা উচিত, যিসকল আমাৰ সমান সৌভাগ্যৱান নহয়। বন্ধুক কিদৰে সহায় কৰা উচিত সেইবিষয়ে আমি তোমালোকৰ মতামত জানিব বিচাৰো।

– সম্পাদক

পাঠকৰ পত্ৰ

মই যোৱা ৫৫ বছৰ ধৰি চান্দমামা পঢ়ি আহিছো। চান্দমামাই মোক নষ্টলজিক কৰি তোলে। মোৰ পতিয়ে জেল চুপাৰিনটেনডেন্ট হিচাপে কাম কৰে। কামৰ পৰা উভতি অহাৰ পিছত, যেতিয়াই সময় পায়, তেতিয়াই চান্দমামা পঢ়িবলৈ আৰম্ভ কৰে। মোৰ সাতটা সন্তান ৰামায়ণ আৰু মহাভাৰতৰ লগত পৰিচিত হোৱাৰ মূলতে হ'ল চান্দমামা। চান্দমামাই পুণৰ পুৰণি ৰূপ ঘূৰাই পাইছে। আজিকালি চান্দমামাত অধিক কাহিনীও প্ৰকাশিত কৰা হৈছে। মোৰ বয়স এতিয়া ৮১ বছৰ। ১০০ বছৰ বয়সলৈকে চান্দমামা পঢ়াৰ এক হেপাহ মোৰ আছে। মই কামনা কৰো যে মোৰ প্ৰিয় চান্দমামাই যুগ-যুগান্তৰৰ বাবে সকলোকে মনোৰঞ্জন কৰি যাব।

– মাচিৰাজু ৰত্নকুমাৰী, হায়দৰাবাদ

চান্দমামাত মোৰ প্ৰথমতো কাহিনী 'অসম্ভৱ পৰিবেশ' প্ৰকাশিত হোৱা দেখি মই কিমান আনন্দিত হৈছিলো সেয়া ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। মই নাৰ্চিং হোমৰ পৰা উভতি আহি চান্দমামা পঢ়িবলৈ আৰম্ভ কৰিছিলো আৰু গোটেইখন পঢ়ি শেষ নকৰাকৈ নেৰিলো। শেষত মোৰ বাইদেৱে মোক বিচনালৈ যাবৰ বাবে নিৰ্দেশ দিয়াতহে মই বিচনালৈ গৈছিলো। মোৰ এই উত্তেজনাৰ কাৰণ আছিল। মোৰ বহু বন্ধু আছে যি নানা ধৰণৰ শিশু আলোচনীলৈ কাহিনী প্ৰকাশ কৰিবৰ বাবে প্ৰেৰণ কৰে। মই যেতিয়া কলো যে মোৰ কাহিনী চান্দমামাত প্ৰকাশিত হব, সিঁহতে কলে, "ঠিক আছে, আমি চাম সেয়া কেনেকৈ সম্ভৱপৰ?" কাহিনী প্ৰকাশ হোৱাৰ পিছত মই এক বিজয় অনুভৱ কৰিলো। মই চান্দমামাৰ এই সংখ্যাৰ ১২ ভাষাৰ সংস্কৰণ কিনিব বিচাৰো যাতে মোৰ কাহিনী গোটেই কেইটা ভাষাতে বন্ধুসকলক দেখুৱাব পাৰো। মোৰ কাহিনী প্ৰকাশ কৰাৰ বাবে আপোনালোকক আন্তৰিক ধন্যবাদ।

– ড. চিৰি, মৰিয়ালাগুডা, নালগোণ্ডা

মই নিচেই সৰু কালৰে পৰাই চান্দমামাৰ স্মৃতিক মনত পেলাব পাৰো। এতিয়াও মই চান্দমামা আদিৰ পৰা অন্তলৈকে খৰচি মাৰি পঢ়ো। মই পিছফালৰ পৰা আৰম্ভ কৰি সন্মুখৰ বেটুপাতলৈকে পঢ়ো। মোৰ দহ বছৰীয়া নাতিটোৱে মোৰ পৰা কাহিনী এটা নুশুনাকৈ বিচনালৈ নাযায়। তেতিয়া মই ভাৱো, কিয় চান্দমামা মাহত কেৱল এবাৰহে প্ৰকাশ হয়?

– ৰাই সুৱৰ্ণ কলা, উপ্পল, হায়দৰাবাদ

যোৱা মাহৰ চান্দমামাৰ কাহিনীবিলাক চন্দ্ৰৰ দৰে জিলিকি থকা বিধৰ আছিল। যি কি নহওক, 'প্ৰজন্ম পাথক্য' কাহিনীটো মোৰ চন্দ্ৰত থকা কলংকৰ দৰে লাগিল। গেছৰ ষ্টভ, গ্ৰাইণ্ডাৰৰ চিত্ৰ আৰু পিজা, বাৰ্গাৰ আদিৰ দৰে শব্দ চান্দমামাত ভাল নালাগে। অনুগ্ৰহ কৰি চান্দমামাৰ কাহিনীত আধুনিকতা স্পৰ্শ লাগিবলৈ নিদিব।

– পি ভেংকটেশ্বৰ ৰাও, ইষ্ট গোদাৱৰী, অন্ধ্ৰপ্ৰদেশ

যোৰা কেইটামান সংখ্যাৰ চান্দমামাত কাহিনীৰ সংখ্যা দেখা পাই মই বৰ সুখী। বহু লিখকক সুবিধা প্ৰদান কৰাটোও এটা ভাল লক্ষণ। আপোনালোকৰ এনে পদক্ষেপৰ বাবে ধন্যবাদ। মই চান্দমামাৰ সম্পাদনা গোটৰ সকলো সদস্যলৈকে অভিনন্দন জ্ঞাপন কৰিছো।

–জি সুব্ৰমণ্য গৌড়, ৰাজমপেটা, অন্ধ্ৰপ্ৰদেশ

মই ৬৫ বছৰ বয়সীয়া সংস্কৃত বিদ্যাৰ্থী। সংস্কৃতৰ জ্ঞান বৃদ্ধিত চান্দমামাৰ সংস্কৃত সংস্কৰণে বেছ সহায় কৰে। আপোনালোকে চান্দমামাৰ মাধ্যমেদি সংস্কৃতৰ প্ৰসাৰত যি অৱদান আগবঢ়াইছে সেয়া সঁচাই প্ৰসংশনীয়। মোৰ অনুৰোধ যে সংস্কৃত সংস্কৰণৰ মূল্য কম কৰি পাঠকসকলক অধিক অনুপ্ৰণিত কৰিব।

–সুব্ৰামণ্যম পুট্টি এ ডি, উজ্জয়নী, মধ্যপ্ৰদেশ

পুৰণি কালৰ জীৱনৰ এক আভাস প্ৰদান কৰা চান্দমামাৰ চিত্ৰবিলাক দেখিয়েই সেইখন পঢ়িবলৈ মন যায়। বেটুপাতৰ কাহিনীত সত্য সাইৰ ওপৰত লিখা কথা একেবাৰে সত্য। এই কথা কবলৈ পাই দুখিত যে চান্দমামাৰ চিত্ৰৰ মানদণ্ড কিছু হ্ৰাস পাইছে। অনুগ্ৰহ কৰি কুইজৰ উত্তৰ পিছৰ সংখ্যাতে প্ৰকাশ কৰক। শিশুকালৰে পৰা চান্দমামা পঢ়ি অহাৰ বাবে গৌৰৱবোধ কৰো।

– এন ৰাম চন্দ্ৰ, নেল্লোৰ, অন্ধ্ৰপ্ৰদেশ

মই ৭৫ বছৰ বয়সতো চান্দমামা পঢ়ি আছো। মই এজন লিখক, কবি আৰু চিত্ৰকৰ। মই যেতিয়া চিত্ৰকলাত স্নাতকোত্তৰ ডিগ্ৰী কৰি আছিলো, চান্দমামাৰ চিত্ৰবিলাকে মোক বৰ সহায় কৰিছিল। সুন্দৰ সুন্দৰ চিত্ৰৰে সৈতে কাহিনীবিলাক মোৰ মনত খোদিত হৈ ৰৈ গৈছিল। মই চান্দমামাৰ সম্পাদনা গোটৰ সকলোলৈকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

–হুকুমচান্দ সগানী, উজ্জয়নী, মধ্যপ্ৰদেশ

এপ্ৰিল মাহৰ সম্পাদকীয়ত এক সুন্দৰ কথা আছে– 'আজিৰ শিক্ষক কালিলৈ ছাত্ৰ হৈ পৰিব পাৰে।' বেটুপাতৰ কাহিনীত থকা সত্য সাইৰ কথা 'আমাৰ ভাৱ হ'ল এক মূল্যৱান সম্পদ'ত এক বিশ্বজনীন অৰ্থ আছে।

– টি ভি এছ শাস্ত্ৰী, টেনালী, অন্ধ্ৰপ্ৰদেশ

মোৰ বয়স বৰ্তমান ৭৪ বছৰ আৰু মই সৰু কালৰে পৰা চান্দমামা পঢ়ি আহিছো। মই সৰু থাকোতে আৰ্থিক অৱস্থাৰ বাবে সকলো সংখ্যা পঢ়িবলৈ সক্ষম হোৱা নাছিলো। চান্দমামাত প্ৰকাশিত সকলো কাহিনীৰে এক অৰ্থ আছে। মই ভগৱানক প্ৰাৰ্থনা কৰো যে সূৰ্য চন্দ্ৰ থকালৈকে চান্দমামা জীয়াই থাকক। মই 'ভাষাৰ মালিহা'ত নেপালী ভাষাকো অন্তৰ্ভূক্ত কৰিবৰ বাবে অনুৰোধ কৰো।

– কাৰ্তিক চন্দ্ৰ মানুনা, পশ্চিম বংগ

চন্দ্ৰলৈ যোৱাৰ আগতে আমেৰিকা আৰু নাছাৰ বিজ্ঞানীসকলে বহুবছৰ ধৰি গৱেষণা কৰিছিল। আমি ভাৰতীয়সকল ইমান ভাগ্যৱান যে চান্দমামা নিজে নিজেই প্ৰতিমাহতে আমাৰ ওচৰলৈ আহে। চান্দমামা দলৰ সকলোলৈকে অভিনন্দন। ভগৱানে চান্দমামাক সাফল্যৰ জখলাত আগবঢ়াই লৈ যাওক।

– প্ৰাধ্যাপক সনদীপ কুমাৰ, পঞ্জাব

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

**Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.**

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex :..........................

Address: ....

....

....

.... City: ....

State:.................................. Pin:....................................

Telephone:..

Mobile:..

Email:..

Subscription Number (for renewals):..

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees...

Cheque/DD No ....

favouring Chandamama India Ltd on..

....bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited.
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
English (₹25/- per copy)	₹300	₹540 $60	₹765 $135	₹960 $240	₹1125 $375
REGIONAL (₹20/- per copy)	₹240	₹430 $50	₹610 $110	₹770 $190	₹900 $300
JUNIOR (₹15/- per copy)	₹180	₹325 $35	₹460 $80	₹575 $145	₹675 $255

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – তেলেগু

প্ৰতি মাহৰ তিনি তাৰিখে, যিমানেই ৰাতি নহওক কিয়, আমি আমাৰ দেউতা উভতি অহালৈ অপেক্ষা কৰিছিলো। সেইদিনা আকাশত 'চান্দমামা' ওলাওক বা নোলাওক, 'চান্দমামা'ৰ সেই মাহৰ সংখ্যা আহি আমাৰ ঘৰ পোৱাটো নিশ্চিত আছিল। সকলোৱে স্কুলত বৰ্ণমালা শিকিছিল। মোৰ প্ৰথম স্কুল আছিল চান্দমামা। মই স্কুললৈ যোৱাৰ আগতেই তেলেগু বৰ্ণমালা সম্পূৰ্ণকৈ শিকি পেলাইছিলো। মই সেই সময়ত দ্বিতীয় শ্ৰেণীত আছিলো আৰু জোটাই জোটাই কোনোমতেহে পঢ়িব পাৰিছিলো। মই সেইদৰেই চান্দমামা পঢ়িবলৈ চেষ্টা কৰিছিলো। একমাত্ৰ চান্দমামাৰ বাবেই মই নিজাকৈ যত্ন কৰি অতি কম দিনৰ ভিতৰতে যথেষ্ট ভালদৰে তেলেগু পঢ়িব পৰা হৈ উঠিছিলো।

Name: Dr. K.B. Gopalam
Occupation: Science writer, Hyderabad.

আমাৰ ঘৰ আছিল গাঁৱত। আমাৰ গাঁৱখনত নানা ধৰণৰ অনুষ্ঠান আদিৰ বাবে কাষৰীয়া গাঁৱৰ লোকৰ সমাগম হৈছিল। আন্ত-স্কুল খেল-ধেমালী আমাৰ গাঁৱতে অনুষ্ঠিত হৈছিল। সেই খেল-ধেমালীত মোৰ দৰে এলেহুৱা ছাত্ৰই ভাগ লব পৰাকৈয়ো কিছুমান প্ৰতিযোগিতা আছিল। সেইবিলাকৰ ভিতৰত এটা আছিল কাহিনী কোৱা প্ৰতিযোগিতা। মই সেই প্ৰতিযোগিতাত প্ৰায়ে প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। সেই সময়ত মোৰ বয়সৰ কোনো শিশুৱেই চান্দমামা পঢ়িবলৈ শিকি উঠা নাছিল আৰু মই সেইবয়সতে চান্দমামা পঢ়ি নানা কাহিনী শিকি পেলাইছিলো। সেয়াই আছিল কাহিনী কোৱা প্ৰতিযোগিতাত মোৰ সফলতাৰ গোপন মূলমন্ত্ৰ।

'চিন্দবাদৰ কাহিনী' আৰু 'মুগৰু মন্ত্ৰীকুলু' (তিনি যাদুকৰ) প্ৰকাশ হোৱালৈকে চান্দমামাত প্ৰকাশিত ধাৰাবাহিকসমূহ মোৰ ভালদৰেই মনত আছে। তাৰোপৰি 'গুণ্ডু ভীমন্না' কাহিনীবিলাকো মোৰ ভালদৰে মনত আছে।

ফটোৰ নামাকৰণ কৰা শিতানলৈ উত্তৰ প্ৰেৰণ কৰাটো সদায় মোৰ সপোন আছিল। দীপাৱলী উপলক্ষে প্ৰকাশ কৰা নানা চিত্ৰ এতিয়াও মোৰ মনত আছে। আনকি মই সেইকালৰ কিছুমান বিজ্ঞাপনো ভালদৰে মনত পেলাব পাৰো।

আমাৰ ঘৰত চান্দমামাৰ নানান সংখ্যাৰে ভৰি থকা এটা ডাঙৰ কাঠৰ বাকচ আছিল। সেই বাকচত আমি চান্দমামাৰ সংখ্যাবিলাক মাহ, বছৰ অনুসৰি একাদিক্ৰমে সজাই থৈছিলো। কিন্তু দুখৰ বিষয় যে সেইবিলাক আজি মোৰ ওচৰত নাই। সেইবিলাক হেৰুৱাৰ পিছত মই মনৰ দুখতে কেইবাদিনো ভাত খোৱা নাছিলো। আজি মই এজন জনপ্ৰিয় লিখক আৰু মোৰ এই সফলতাৰ বাবে দেউতা আৰু চান্দমামা দুয়োৱেই ধন্যবাদৰ পাত্ৰ।

মোৰ স্মৃতি–কানাড়া

মই যেতিয়া চান্দমামাৰ 'মোৰ স্মৃতি' শিতানটো পঢ়ো, পঞ্চাশ বছৰৰ আগৰ কথা মনত পৰি যায়। দৰাচলতে মোৰ মাজত কিতাপ পঢ়াৰ অভ্যাস জগাই তুলিছিল চান্দমামাই। মোৰ ডাঙৰ ককাইদেৱে আমাৰ ঘৰলৈ নিয়মিতভাৱে চান্দমামা কিনি আনিছিল। কোনে প্ৰথমতে চান্দমামা পঢ়িব তাকে লৈ আমাৰ মাজত সদায় কাজিয়া হৈছিল। মই সকলো কাহিনী পঢ়ি শেষ নকৰাকৈ কেতিয়াও এৰা নাছিলো। চান্দমামাৰ কাহিনীবিলাক বৰ আমোদজনক আৰু ৰোমাঞ্চকৰ। এটা সংখ্যা পঢ়ি শেষ কৰাৰ পিছত মই পিছৰ সংখ্যালৈ আগ্ৰহেৰে অপেক্ষা কৰি ৰৈছিলো।



Name: Jeddu Sadashiva Bhatt, Bangalore.

চান্দমামাত প্ৰকাশ হোৱা 'বাল নাগাম্মা', 'গুণ সুন্দৰী' আদি ধাৰাবাহিকসমূহ বেছ আকৰ্ষণীয় আছিল। তাৰপিছত 'অভলি মাক্কালা কথা' (যঁজা শিশুৰ কাহিনী), 'ধুমকেতু', 'মকৰ দেৱতা', 'তিনি যাদুকৰ' আদি কাহিনীবিলাকে পাঠকৰ মন ৰোমাঞ্চিত কৰি তুলিছিল। মই চান্দমামা পঢ়ি পঢ়ি ডাঙৰ হৈছিলো আৰু ইয়াক পঢ়াৰ অভ্যাস মোৰ এতিয়াও আছে। যদি কোনো মাহত কেনেবাকৈ চান্দমামা পঢ়িবলৈ নাপাও মোৰ মন দুখেৰে ভৰি পৰে। মই ভৱিষ্যতৰ প্ৰজন্মৰ বাবে বহু চান্দমামা পকা বন্ধাই ৰাখিছিলো। কিন্তু দুৰ্ভাগ্যজনকভাৱে, কোনোবাই পঢ়িবলৈ নি উভতাই নিদিলে।

মই এতিয়াও নিয়মিত ভাৱে চান্দমামা পঢ়ো আৰু মই ইয়াৰ স্থায়ী গ্ৰাহক।

মোৰ স্মৃতি – উড়ীয়া

চান্দমামাৰ লগত থকা মোৰ সম্পৰ্ক আছিল মাক আৰু সন্তানৰ মাজত থকা সম্পৰ্কৰ দৰে। মই মোৰ শৈশৱৰ কালত (পাঁচ বছৰ বয়সৰ পৰা) মাৰ পৰা আঁতৰি মাহীৰ লগত আছিলো। মাৰ পৰা আঁতৰি থকা সেই সময়চোৱা আছিল বৰ কষ্টকৰ। চান্দমামাই সেই দুখ আৰু কষ্ট অতিক্ৰম কৰি জীৱনক আগুৱাই লৈ যোৱাত বিশেষ বৰঙণি যোগাইছিল।

Name: Laxmipriya Das Sudarshan nagar, Puri, Odisha.

চান্দমামাৰ এটা সংখ্যা পঢ়াৰ পিছত মই পৰৱৰ্তী সংখ্যালৈ আগ্ৰহেৰে বাট চাই ৰৈছিলো। শৈশৱৰে পৰা বৰ্তমানলৈকে মই নিয়মিত ভাৱে চান্দমামা পঢ়ি আহিছো আৰু বৰ্তমান মোৰ বয়স হ'ল ৩৭ বছৰ। মই মোৰ সন্তান আৰু ছাত্ৰ–ছাত্ৰীক নিয়মিতভাৱে চান্দমামা পঢ়িবলৈ কৈ আহিছো। মই আশাকৰো আজিৰ নতুন প্ৰজন্মই চান্দমামাক আগবঢ়াই লৈ যাব।

বেতাল কথা

এজন সঁচা চিকাৰী

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, "মহাৰাজ বিক্ৰম, মই এই কথা চিন্তা কৰি পোৱা নাই যে কাৰ পৃষ্ঠপোষকতা লাভ কৰিবৰ বাবে তুমি এই অত্যন্ত কষ্টকৰ কাম কৰাৰ দায়িত্ব লৈছা। যদিও তুমি কঠোৰ পৰিশ্ৰম আৰু দৃঢ় সংকল্পৰ বলত এই কাম সমাধা কৰা, তেতিয়াও তোমাৰ সততাত সন্দেহ কৰাৰ সম্ভাৱনা নথকা নহয়। এবাৰ এজন চিকাৰীক ডকাইত বুলি সন্দেহ কৰা হৈছিল। মই তোমাক সেই কাহিনীটো কও শুনা। সেই কাহিনী শুনি তুমি তোমাৰ কষ্ট, দুখ-ভাগৰ পাতলাই তুলিব পাৰিবা।" এইবুলি বেতালে কাহিনীটো কবলৈ আৰম্ভ কৰিলে।

এসমসয়ত, বালিয়া নামৰ এখন গাৱত



বাসৱ নামৰ এজন চিকাৰীয়ে বাস কৰিছিল। সেই গাওঁ আছিল অৰণ্যৰ নিচেই কাষত। তেওঁ কাষতে থকা অৰণ্যত চৰাই-চিৰিকতি আৰু জীৱ-জন্তু চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল। এইদৰেই টুক-টাককৈ তেওঁ নিজৰ জীৱন চলাই নিছিল।

এদিনাখন সদায় যোৱাৰ দৰেই তেওঁ চিকাৰ কৰিবৰ বাবে অৰণ্যলৈ গ'ল। তেওঁ পথতে এটা মানুহৰ মৰাশ পৰি থকা দেখা পালে। সেই মৃতদেহৰ কাষতে তেওঁ জিলিকি থকা এডাল সোণৰ চেইন পৰি থকা দেখা পালে। তেওঁ সেইডাল বুটলি ললে। তেওঁ আন একো নাভাৱি সেই চেইনডাল তুলি লৈ ডিঙিত পিন্ধি ললে আৰু চিকাৰ বিচাৰিবলৈ ধৰিলে। তাৰপিছত তেওঁ এটা শহাপহু ধৰিলে আৰু তাক আনি বজাৰত বিক্ৰী কৰিলে।

এই ঘটনাৰ পিছত এমাহ বাগৰি গ'ল। দশমী আৰম্ভ হবৰ হ'লহি। তেওঁৰ পত্নীয়ে তেওঁক চাউল-দাইল আৰু সন্তানলৈ কাপোৰ কিনি আনিবলৈ কলে। তাকে শুনি বাসৱে কলে, ''মোৰ ওচৰত সেইবিলাক আনিবৰ বাবে যথেষ্ট পইছা নাই। গতিকে এই চেইনডালক বিক্ৰী কৰি বস্তু-বেহানি কিনি আনিব লাগিব।'' এইবুলি কৈ তেওঁ চহৰ অভিমুখে ৰাওনা হ'ল।

তেওঁ পোনে পোনে গৈ সোণাৰীৰ ওচৰ পালেগৈ আৰু চেইনডাল দেখুৱালে। বাসৱে কলে, ''এই সোণৰ চেইনডাল আপুনি ৰাখি থওক আৰু সেইডালৰ পৰিৱৰ্তে মোক অলপ ধন দিয়ক।''

সেই চেইনডাল দেখাৰ লগে লগে কনক নামৰ সোণাৰীজন আচৰিত হ'ল। সেইডাল চেইন তেওঁ মুৰাৰী নামৰ লোকজনৰ বাবে এবছৰ মানৰ আগতে তৈয়াৰ কৰিছিল। যোৱা এমাহমানৰ আগৰ পৰা সেই মুৰাৰী নিৰুদ্দেশ হৈ আছে।

কনকৰ সন্দেহ হ'ল যে নিশ্চয় চিকাৰী বাসৱে সেই চেইনডালৰ লোভত মুৰাৰীক হত্যা কৰিলে। তেওঁ লগে লগে সৈনিকক মতাই আনি বাসৱক বন্দী কৰি আদালতলৈ নিবৰ বাবে কলে।

বাসৱক সেই চেইনডালৰ সৈতে বিচাৰকৰ আগত হাজিৰ কৰা হ'ল। মুৰাৰীৰ পত্নীও তাত আহি উপস্থিত হ'ল। তাই কান্দি-কাতি অস্থিৰ হৈ পৰিছিল। তাই বিচাৰকৰ ওচৰত আবেদন কৰি কলে, ''এইজন লোকে মোৰ স্বামীক হত্যা কৰিছে। অনুগ্ৰহ কৰি এওক প্ৰাণদণ্ড

দিয়ক আৰু সেই চেইনডাল মোক উভতাই দিয়ক। স্বামীৰ স্মৃতি হিচাপে মই সেইডাল লগত ৰাখিব বিচাৰো।''

বিচাৰক ধৰ্মৰাজ এজন ভাল বিচাৰক হিচাপে জনাজাত আছিল। তেওঁ সদায় দুয়ো পক্ষৰ কথা ভালদৰে শুনি ভাৱি-চিন্তি নিৰপেক্ষ বিচাৰ প্ৰদান কৰিছিল।

বাসৱে নিৰ্ভীকভাৱে বিচাৰকৰ আগত থিয় হ'ল। ধৰ্মৰাজে সুধিলে, ''তুমি এই চেইনডাল ক'ৰ পৰা পালা?''

বাসৱে উত্তৰ দিলে, ''ধৰ্মাৱতাৰ, এদিনাখন ৰাতিপুৱা মই চিকাৰ কৰিবৰ বাবে অৰণ্যলৈ গৈছিলো। গৈ থাকোতে পথত মই এজন অচিনাক্ত মানুহৰ মৃতদেহ দেখিবলৈ পালো। এই চেইনডাল সেই মৃতদেহৰ কাষতে পৰি আছিল। মই সেইডাল বুটলি ললো। সুধিবৰ বাবে ওচৰে পাজৰে কাকো দেখা নাপাই মই সেই চেইনডাল ঘৰলৈ লৈ আহিলো। আজি ৰাতিপুৱা মই সেই চেইনডাল বিক্ৰী কৰি তাৰ পৰা পোৱা পইছাৰে পৰিয়ালৰ বাবে খোৱা-বস্তু কিনিবৰ বাবে সোণাৰীৰ ওচৰলৈ আহিছিলো। তাতেই মোক সৈনিকে বন্দী কৰি আপোনাৰ আগত হাজিৰ কৰিছেহি।'' কোনো ভয় নোখোৱাকৈ বাসৱে কলে।

বাসৱৰ কথা শুনি বিচাৰকে পুণৰ সুধিলে, ''মূৰাৰীৰ পত্নীৰ মতে তুমি মিছা কথা কৈছা। তুমি যে এই সোণৰ চেইনডালৰ বাব সেই লোকজনক হত্যা কৰা নাই তাৰ কিবা প্ৰমাণ আছেনে?''

''ধৰ্মাৱতাৰ, মই হলো এজন চিকাৰী, মই চোৰ বা ডকাইত নহয়। আপুনি ইচ্ছা কৰিলে মোক পৰীক্ষা কৰি চাব পাৰে।'' বাসৱে পুণৰ নিৰ্ভীকভাৱে উত্তৰ দিলে।

''মই তোমাক কেনেকৈ পৰীক্ষা কৰি চাব



পাৰো? তুমি কি মোক তোমাৰ তীৰ চালনাৰ কৌশল প্ৰদৰ্শন কৰিব বিচাৰিছা?'' বিচাৰক ধৰ্মৰাজে সুধিলে।

''মোৰ লগত অৰণ্যলৈ আহক। মই যিডোখৰ ঠাইত সেই মৃতদেহটো দেখিছিলো, সেই ঠাই আপোনাক দেখুঁৱাই দিব পাৰিম।'' বাসৱে কলে।

বাসৱৰ প্ৰস্তাৱত বিচাৰক মান্তি হ'ল। তেওঁলোকে লগে লগে অৰণ্য অভিমূখে যাত্ৰা কৰিলে। বিচাৰক ধৰ্মৰাজে মূৰাৰীৰ ভায়েক আৰু এজন চন্তৰীকো লগত লৈ ললে। তেওঁলোক গৈ অৰণ্যৰ মাজত সোমোৱাৰ লগে লগে ওচৰে পাজৰে থকা হৰিণ আৰু শিয়াল ভয়তে দৌৰ মাৰি হাবিৰ মাজত সোমাল। যিধৰণে বাসৱে অৰণ্যৰ মাজত শুদ্ধ পথ ধৰি আগুৱাই গ'ল, তাকে দেখি বিচাৰক ধৰ্মৰাজে কলে, ''মোৰ বিশ্বাস হৈছে যে তুমি সঁচাকৈয়ে এজন চিকাৰী। এতিয়া তুমি সেই মৃতদেহটো যিখিনি ঠাইত দেখিছিলা তালৈ লৈ বলা।''

বাসৱে সকলোকে সেই ঠাইলৈ লৈ গ'ল। সেই ঠাইত উপস্থিত হোৱাৰ লগে লগে তেওঁলোকে কাষতে থকা জোপোহাত বাঘৰ গোজৰণি শুনিবলৈ পালে।

বাঘৰ গোজৰণি শুনি বাসৱে লগে লগে সকলোকে গছৰ ওপৰত উঠিবলৈ কলে। বাসৱক কথামতেই সকলো লৰালৰিকৈ গছৰ ওপৰত উঠিলগৈ।

মানুহৰ গোন্ধ অনুসৰণ কৰি বাঘটো সেই ঠাই পালেহি। তাকে দেখি বাসৱে লগে লগে নিজৰ ধনুত বাণ জুৰি বাঘলৈ লক্ষ্য স্থিৰ কৰি তীৰচালনা কৰিলে। তীৰ গৈ বাঘটোৰ বুকুত লগিল। সেই আঘাটত বাঘটো বাগৰি পৰিল আৰু সাৰ-সুৰ নোহোৱা হল।

সকলো গছৰ পৰা নামি আহিল। বিচাৰকে ধৰ্মৰাজে বাসৱৰ প্ৰশংসা কৰি কলে, ''তুমি চোৰ বা ডকাইত হোৱা হলে আমাকো হত্যা কৰি অলংকাৰসমূহ লৈ গলাহেতেন। তুমি এজন প্ৰকৃত চিকাৰী।''

''মই সুখী যে আপুনি মোৰ কথা বিশ্বাস কৰিলে। অনুগ্ৰহ কৰি মই যে নিৰ্দোষী সেই কথা সকলোৰে সন্মুখত কলে অধিক সুখী হম।'' বাসৱে কলে।

পিছদিনা আদালতত ধৰ্মৰাজে কলে, ''আন লোকসকলৰ লগতে ময়ো কালি এইজন লোকক সন্দেহ কৰিছিলো। কিন্তু মই তেওঁৰ বাবেহে আজি আপোনালোকৰ আগত

উপস্থিত থাকিব পাৰিছো। তেওঁ নোহোৱা হলে আমি সকলো বাঘৰ আহাৰ হবলগীয়া হ'লহেতেন। মই এই কথা বিশ্বাস কৰো যে ঘটনাক্ৰমেহে বাসৱে মূৰাৰীৰ চেইনডাল পাইছিল। সকলো প্ৰমাণৰ ওপৰত ভিত্তি কৰি আদালতে এই ৰায় দিছে যে বাসৱে মূৰাৰীক হত্যা কৰা নাই।''

অৰণ্যত ঘটা ঘটনাটোৰ বিষয়ে শুনি আদালতত উপস্থিত থকা সকলোৱে বাসৱৰ প্ৰশংসা কৰিলে। বিচাৰকে চেইনডাল মূৰাৰীৰ পত্নীক প্ৰদান কৰিলে।

তাৰপিছত তেওঁ নিজৰ ডিঙিৰ পৰা চেইনডাল খুলি বাসৱক দি কলে, ''তুমি আমাৰ সকলোৰে জীৱন ৰক্ষা কৰাৰ চিন স্বৰূপে মই তোমাক এই সামান্য উপহাৰটো প্ৰদান কৰিব বিচাৰিছো।''

''মহাশয়, মোক ক্ষমা কৰিব। মই এই উপহাৰ গ্ৰহণ কৰিব নোৱাৰিম। আপুনি যদি উৎসৱ পালন কৰিব পৰাকৈ কিছু খাদ্যবস্তু আৰু মোৰ সন্তানৰ বাবে কাপোৰৰ ব্যৱস্থা কৰে তেন্তে মই বেছি সুখী হম।'' বাসৱে ধৰ্মৰাজক অনুৰোধ কৰি কলে।

ধৰ্মৰাজে বাসৱৰ কথা শুনি হাঁহিলে আৰু বাসৱৰ পৰিয়ালে এবছৰ খাব পৰাকৈ খাদ্য-বস্তু আৰু পৰিয়ালৰ সকলোলৈকে নতুন কাপোৰৰ ব্যৱস্থা কৰিলে।

ইমানলৈকে কাহিনীটো কোৱাৰ পিছত, বেতালে ৰজা বিক্ৰমক সুধিলে, ''হে মহাৰাজ, বিচাৰক ধৰ্মৰাজে প্ৰথমতে বাসৱক হত্যাকাৰী বুলি সন্দেহ কৰিছিল নেকি আৰু সেইবাবেই তেওঁৰ লগত অৰণ্যলৈ গৈছিল নেকি? কি

কাৰণে তেওঁ মূৰাৰীৰ ভায়েকক লগত লৈ গ'ল?''

শেষত, যেতিয়া আদালতত বিচাৰকে বাসৱক পুৰস্কাৰ প্ৰদান কৰিছিল, তেতিয়া তেওঁ কিয় তাক লবলৈ অস্বীকাৰ কৰিছিল? তাৰ পৰিবৰ্তে কিয় খাদ্য-বস্তু আৰু কাপোৰ দিবলৈ অনুৰোধ কৰিছিল? সোণৰ মূল্যৰ বিষয়ে তেওঁ অজ্ঞ আছিল নেকি?

তুমি যদি জানিও মোৰ এই প্ৰশ্নৰ উত্তৰ নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে কলে, ''বাসৱে নিৰ্ভীকভাৱে প্ৰশ্নৰ উত্তৰ দিয়া দেখিয়েই ধৰ্মৰাজে গম পাইছিল যে বাসৱ কেতিয়াও চোৰ হব নোৱাৰে। যদি তেওঁ বাসৱক চোৰ বুলি সন্দেহ কৰিলেহেঁতেন, তেওঁ অৰণ্যলৈ সত্য

উদ্ঘাটনৰ বাবে যাওতে কেৱল এটা প্ৰহৰী লগত লৈ নগ'লহেতেন।

তাৰপিছত বাসৱে এই বাবে বিচাৰকৰ উপহাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল কিয়নো তেওঁৰ বাবে উপহাৰতকৈ সন্মান আৰু মৰ্যদা ৰক্ষা পৰাটো বেছি প্ৰয়োজনীয় কথা আছিল। বাস্তৱত সেয়া হোৱাত তেওঁ সুখী হৈছিল। বাসৱ বা ধৰ্মৰাজ কোনোজনে আশা কৰা নাছিল যে অৰণ্যত তেওঁলোক বাঘৰ মুখামুখি হব। বিচাৰকে চেইনডাল তেওঁৰ প্ৰাণ ৰক্ষা কৰাৰ বাবে কৃতজ্ঞতাৰ চিন স্বৰূপে বাসৱক প্ৰদান কৰিব বিচাৰিছিল। কিন্তু এজন চিকাৰী হলেও বাসৱ আছিল এজন সৎ লোক। তেওঁ সেইফালৰ পৰা কাৰোবাৰ প্ৰাণ ৰক্ষা কৰাৰ বিনিময়ত উপহাৰ গ্ৰহণ নকৰাটোৱেই স্বাভাৱিক কথা।

এজন মানুহ হিচাপে বাসৱ একেসময়তে বাস্তৱবাদী আৰু আবেগিক আছিল। এইবাবেই তেওঁ আবেগিক হৈ পৰিছিল যে এডাল চেইনৰ বাবেই তেওঁৰ সন্মান হানি হবলৈ গৈ আছিল। কিন্তু বাস্তৱবাদী হোৱা হেতুকে তেওঁ এই কথা উপলব্ধি কৰিছিল যে পৰিয়ালে পেট পুৰাবৰ বাবে খাদ্য-বস্তুৰ আৱশ্যাক। গতিকে তেওঁ ধৰ্মৰাজে দিয়া চেইনডাল পুৰস্কাৰ হিচাপে গ্ৰহণ কৰা হলেও লগে লগেই বিক্ৰী কৰি দিবলগীয়া হ'লহেতেন।

তেওঁ যদি লগে লগে সেই চেইনডাল বিক্ৰী কৰি দিলেহেতেন, বিচাৰক ধৰ্মৰাজ হয়তো অসন্তুষ্ট হ'লহেতেন। আনহাতে আনসকলে হয়তো তেওঁক ঈৰ্ষা কৰিলেহেতেন। বাসৱৰ বাবে সকলোতকৈ প্ৰয়োজনীয় আছিল পৰিয়ালৰ জোখাৰে অলপমান খাদ্য-বস্তু আৰু কাপোৰ। গতিকে তেওঁ সোণৰ চেইনৰ পৰিৱৰ্তে তাকেই বিচাৰিলে।

বিচাৰকেও মূৰাৰীৰ পত্নীক তেওঁৰ পতিৰ চেইনডাল উভতাই দিলে। বাসৱকো তেওঁ বিচৰা বস্তু প্ৰদান কৰিলে। এইদৰে তেওঁ দুয়োপক্ষ সন্তুষ্ট হোৱাকৈ ৰায় প্ৰদান কৰিলে।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি এইদৰে বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ'লগৈ।

– পি কৃষ্ণমূৰ্তি



গাধৰ জ্যোতিষ

সৰজু নদীৰ পাৰত থকা এখন সৰু গাঁৱত এজন জ্যোতিষীয়ে বাস কৰিছিল। তেওঁ আশে-পাশে থকা গাঁওবিলাকত বেছ জনাজাত আছিল। মানুহে বিশ্বাস কৰিছিল যে জন্মপত্ৰিকা লিখাত তেওঁতকৈ উত্তম আৰু কোনো নাই।

লাহে লাহে জ্যোতিষীৰ কিৰ্তী গৈ ৰাজধানী পালেগৈ। ৰাজকৰ্মচাৰীসকলে তেওঁক ৰাজধানীলৈ মতাই নিলে। অতি কম দিনৰ ভিতৰতে জ্যোতিষীয়ে ৰজাৰ অনুগ্ৰহ লাভ কৰিলে। তেওঁ কৰা সকলো ভৱিষ্যতবাণী সঁচা প্ৰমাণিত হ'ল।

লাহে লাহে জ্যোতিষীয়ে বহু টকা ঘটিলে। সেই টকাৰে গাৱঁত নদীৰ পাৰত কেইবাশ বিঘা মাটি কিনিলে। সেই মাটিত মজদুৰ লগাই খেতি কৰোৱাবলৈ ধৰিলে। তেওঁ বছৰেকত এবাৰ গাঁৱলৈ গৈ সেই মাটিত হোৱা খেতি চপাই পুণৰ ৰাজধানীলৈ উভতি আহিছিল।

এবাৰ তেনেকৈয়ে শস্য চপোৱাৰ সময়ত তেওঁ গাঁৱলৈ গ'ল। শস্য কাটি আনিবৰ বাবে পথাৰত দমাই থোৱা হৈছিল।

এদিন জ্যোতিষীয়ে দুপৰীয়াৰ আহাৰ খাই ঘৰৰ বাৰান্দাত বহি আছিল। তেনেতে গাঁৱৰ ধোবীটোৱে কাপোৰ ধুই সেইবিলাক গাধৰ ওপৰত বোজাই কৰি ঘৰলৈ উভতি আহিছিল। তেওঁ জ্যোতিষীক দেখি মাত লগালে, "দেউ, শস্য কাটি পথাৰতে দমাই থৈছে যে। সোনকালে লৈ আহিব লাগিছিল।"

"আনিব লাগিব দুই এদিনতে। ইমান

বি প্ৰভাকৰ ৰাও

লৰালৰি কৰাৰ কোনো দৰকাৰ নাই।'' জ্যোতিষীয়ে উত্তৰ দিলে।

''সোনকালে লৈ আহক। এঘন্টা মানৰ পিছত ধুমুহা আহিব।'' ধোবীয়ে কলে।

''তই কি কথা কৈছ। ইমান দিন ধৰি বৰষুণ নাই, গতিকে ধুমুহা কেনেকৈ আহিব? আকাশখন একেবাৰে নিকা হৈ আছে। শীতল বতাহো বলি আছে। ধেমালি কৰিবলৈ মানুহ নেপালি?'' জ্যোতিষীয়ে ধোবীৰ কথা বিশ্বাস নকৰি কলে।

''মই আপোনাৰ সহয় হওক বুলিহে কৈছো। মাহ বা বছৰৰ পিছত কি হব সেয়া মই কব নোৱাৰো, কিন্তু এইটো নিশ্চিত যে এঘন্টা মানৰ পিছত ধুমুহা বৰষুণ আহিব। মোৰ বোধেৰে আপুনি গৰুগাড়ী কেইখনমান লৈ গৈ সোনকালে শস্যখিনি লৈ অহাই ভাল হব। নহলে ধুমুহা-বৰষুণত তেনেই নষ্ট হব।'' এইবুলি কৈ ধোবীয়ে গাধটোক টানি টানি তাৰ পৰা গুচি গ'ল।

জ্যোতিষীয়ে ধোবীৰ কথাত বিশ্বাস নকৰি বাৰান্দাতে বহি থাকিল। আধা ঘন্টামানৰ পিছত আকাশলৈ চাই দেখিলে যে সৰু সৰু ডাৱৰৰ টুকুৰা গোট খাবলৈ আৰম্ভ কৰিছে।

কমসময়ৰ ভিতৰতে সেই ডাৱৰৰ টুকুৰাবিলাক ডাঙৰ লৈ আকাশখনক ছানি ধৰিলে। মেঘে গাজিবলৈ আৰম্ভ কৰিলে। সূৰ্যটোও ডাৱৰৰ আঁৰত লুকাল। সকলোফালে অন্ধকাৰ হৈ আহিল।

ডাঙৰ ধুমুহা আৰম্ভ হ'ল। বহু গছ-গছনি উভালি পৰিল। ধুমহাৰ পিছত দবাপিতা বৰষুণ হ'ল।



জ্যোতিষীয়ে কি কৰিব একো উৱাদিহ নাপালে। ধোবীৰ কথা বিশ্বাস কৰি সেই সময়তে শস্যখিনি লৈ অহা হলে কোনো লোকচান নহ'লহেতেন। সাধাৰণতে এনে সময়ত ধুমুহা বৰষুণ নহয় আৰু বতৰো ভালেই আছিল। সেইবাবেই তেওঁ ধোবীৰ কথা বিশ্বাস নকৰিলে।

'কিন্তু ধুমুহা-বৰষুণ অহাৰ এঘন্টাৰ আগতে ধোবীয়ে এই কথা কেনেকৈ গম পালে?'' এই কথা ভাৱি জ্যোতিষী আঁচৰিত হ'ল। ধুমুহা-বৰষুণ কম হোৱাৰ লগে লগে জ্যোতিষী লৰালৰিকৈ ধোবীৰ ঘৰ পালেগৈ।

জ্যোতিষীয়ে ধোবীক সুধিলে, ''তুমি এঘন্টাৰ আগতে এই কথা কেনেকৈ গম পালা? তুমি নিশ্চয় জ্যোতিষ শাস্ত্ৰৰ চৰ্চা কৰা। তোমাৰ গুৰু কোন?'' জ্যোতিষীয়ে উৎকণ্ঠাৰে সুধিলে।

''দেউ, আপোনাকনো কি কম। মই মোৰ গাধৰ পৰা জ্যোতিষ শাস্ত্ৰ শিকিলো। তাৰ বাবে এনে ভৱিষ্যত বাণী কৰাটো একো ডাঙৰ কথা নহয়। বৰষুণ হোৱাৰ অলপ সময়ৰ আগতে তাৰ গাৰ নোমবিলাক দাং খাই যায়। কাণ ঠিয় কৰি ডাঙৰ ডাঙৰকৈ চকু মেলি ইফালে সিফালে চাবলৈ ধৰে। তাৰপিছত নেগুৰ ডাঙি জপিয়াবলৈ আৰম্ভ কৰে। ইয়াৰ জ্যোতিষ কেতিয়াও মিছা নহয়। মই বহু প্ৰমাণ পাইছো।''

তাকে শুনি জ্যোতিষীয়ে কলে, ''ঠিক আছে বাৰু। আজি যি ঘটনা ঘটিল, সেইবিষয়ে তুমি কাকো নকবা। নহলে মোৰ বৰ বদনাম হব।''

ধোবীয়েও জ্যোতিষীৰ কথাত মান্তি হ'ল আৰু কাকো নকও বুলি কলে।

কিন্তু কিবা প্ৰকাৰে এই ঘটনাৰ কথা জনাজাত হৈ পৰিল। ফলত জ্যোতিষীৰ বদনাম হ'ল আৰু গ্ৰাহকৰ সংখ্যা বহুখিনি কমি গ'ল।

মূল্যৱান সম্পদ

দণ্ডকাৰণ্যৰ পূব ফালৰ সীমাতে লাগি থকা পৰ্বতমালাৰ পাদদেশত আছিল এখন সৰু গাওঁ। সেই গাৱঁত চুমু নামৰ এজন যুৱকে বাস কৰিছিল। তেওঁ পিতৃ-মাতৃহীন আছিল আৰু পৈতৃক সূত্ৰে লাভ কৰা সম্পত্তিৰ ভিতৰত আছিল এটা পুৰণা ঘৰ আৰু সেই ঘৰৰ লগতে লাগি থকা এডোখৰ খেতিৰ মাটি।

চুমু এজন পৰিশ্ৰমী যুৱক নাছিল। বিপৰীতে তেওঁ আছিল একেবাৰে এলেহুৱা স্বভাৱৰ। তেওঁ প্ৰায়ে গোটেই দিনটো গাৱঁৰ সভা বহা ঠাইত বা মন্দিৰত কটাই দিছিল। যদি কোনোবাই দয়া কৰি তেওঁক কিবা খাদ্য-বস্তু দিয়ে, তেতিয়া তাৰে পেট ভৰাই ঘৰলৈ উভতি গৈ শুই পৰিছিল। নহলে কেতিয়াবা কেতিয়াবা খালী পেটেৰেই কটাই দিছিল।

এদিনাখন কোনেও একো খাবলৈ নিদিয়াত চুমুৱে শুদা পেটেৰেই শুবলৈ বুলি বিচনাত পৰিছিলহি। টোপনী আহোতেই ঘৰৰ চাঙত থকা এন্দুৰে হুলস্থুলৰ সৃষ্টি কৰি টোপনী ভাঙি দিলে। তেওঁ জখলা এডাল লৈ ঘৰৰ চাঙত উঠিল আৰু এন্দুৰ খেদাবলৈ চেষ্টা কৰিলে। হঠাতে তেওঁ সেই চাঙৰ ওপৰত এটা পুৰণা চন্দুক দেখা পালে।

চন্দুকটো দেখিয়েই চুমুৰ মনত আশা জাগি উঠিল। সেইটোৰ ভিতৰত কিবা সম্পদো লুকাই থাকিব পাৰে। ইমানদিনে চাঙৰ ওপৰত কি আছে ভালকৈ নোচোৱাৰ বাবে নিজকে গালি পাৰিলে। তাৰপিছত তেওঁ চন্দুকটো তললৈ নমাই আনিলে।

চন্দুকটো খোলাত তেওঁ তাৰ ভিতৰত কিছুমান অলাগতিয়াল পুৰণা পাত্ৰ দেখা পালে। এটা এটাকৈ সেইবিলাক উলিয়াই পেলোৱাৰ পিছত তেওঁ একেবাৰে তলত এখন সাঁচিপাত দেখা পালে।

সীতা সত্য

সেই সাঁচিপাতত লিখি থোৱা কথাখিনি পঢ়াৰ পিছত তেওঁ উত্তেজিত হৈ উঠিল। সেই সাঁচিপাতৰ পৰা তেওঁ জানিব পাৰিলে যে পশ্চিম দিশত থকা পৰ্বতমালাৰ মাজত থকা এটা উপত্যকাত অৱস্থিত চন্দ্ৰগিৰি নামৰ এখন গাৱত এটা প্ৰাচীন মন্দিৰৰ কোনোবা অংশত বহুখিনি কৌটিকলীয়া মূল্যৱান সম্পদ লুকুৱাই থোৱা আছে।

কিন্তু সেই সাঁচিপাতত মন্দিৰলৈ যোৱাৰ কোনো পথৰ সন্ধান দিয়া হোৱা নাছিল। পিছদিনা ৰাতিপুৱা সোনকালে শুই উঠি চুমুৱে পশ্চিম দিশত যাত্ৰা আৰম্ভ কৰি এখন কাষৰীয়া গাৱত উপস্থিত হ'ল।

বহুদূৰ বাট খোজ কাঢ়ি যোৱাৰ বাবে তেওঁ ভাগৰুৱা হৈ পৰিছিল। তেওঁৰ বৰকৈ ভোক লাগি আহিছিল। তেওঁ লাজ-মান আতৰাই থৈ সেই গাৱৰ মানুহক আহাৰ বিচাৰিবলৈ সিদ্ধান্ত ললে।

তেওঁ সোধা-পোচা কৰি গাৱৰ মুখিয়াল ভুমাইৰ ঘৰ পালেগৈ আৰু খাবৰ বাবে কিবা দিবৰ বাবে অনুৰোধ কৰিলে। ভুমায়ে চুমুক ভালদৰে পৰ্যবেক্ষণ কৰিলে আৰু তাৰপিছত আহাৰ খাবলৈ দিলে। চুমুৱে আনন্দমনেৰে ভোজন কৰিলে। ভোজন সমাপ্ত কৰি তেওঁ কলে, ''আপুনি বৰ দয়ালু। মই এইটো ভাৱি পোৱা নাই যে আপোনাৰ ধাৰ মই কেনেকৈ সুজিব পাৰিম।''

কোনো সংকোচ নকৰাকৈ ভুমায়ে কলে, ''কেনেকৈ পৰিশোধ কৰিব পাৰিবা সেয়া মই জানো। ঘৰৰ পিছফালে থকা মোৰ গোহালীলৈ যোৱা আৰু প্ৰথমতে তাৰ মজিয়াখন মচি পেলোৱা। তাৰপিছত গৰু কেইটা গা-ধুৱাই পুণৰ গোহালীলৈ লৈ আহা। এইদৰে তুমি ধাৰৰ আধা পৰিশোধ কৰিব পাৰিবা।''

চুমুৱে মুখিয়ালৰ কথা শুনি আঁচৰিত হ'ল। তাৰপিছত নিজকে চম্ভালি লৈ মুখিয়ালে কোৱাৰ ধৰণেই সকলো কাম কৰি সমাপ্ত কৰিলে। এলেহুৱা চুমুৱে এইখিনি কাম কৰিয়েই ভাগৰি পৰিল আৰু ভাগৰত মুখিয়ালৰ ঘৰৰ বাৰান্দাতে শুই পৰিল।

পিছদিনাখন ৰাতিপুৱা কাষতে কৰোবাৰ পদশব্দ শুনি চুমু সাৰ পাই উঠিল। ভুমায়ে হাতৰ লাখুটিডালেৰে চুমুৰ বাহুত খোচ মাৰি কলে, ''ৰাতিপুৱা কেতিয়াবাই হৈ গ'ল। শুই উঠা এতিয়া। গোহালীৰ পৰা গৰুকেইটা খুলি চৰাবলৈ পথাৰলৈ লৈ যোৱা। মনত আছেনে



গাঁৱৰ সীমাত তেওঁ এজন সাধু পুৰুষক লগ পালে। চুমুৱে তেওঁক সুধিলে, ''মহাশয়, মই শুনিছো যে এই অঞ্চলত এটা পুৰণা মন্দিৰ আছে। অনুগ্ৰহ কৰি মোক তালৈ যোৱাৰ বাট দেখুৱাই দিবনে?''

চুমুৰ প্ৰশ্নৰ কোনো উত্তৰ নিদি মুখত এটা মিচিকীয়া হাঁহি লৈ সাধুজনে নিজৰ বাট ধৰিলে। তাকে দেখি চুমুৱে তেওঁৰ পিছে পিছে গৈ কাবৌ কৰিলে, ''মহাশয়, মই আপোনাৰ বাবে কি কৰিলে আপুনি মোক মন্দিৰটোলৈ যোৱাৰ বাট দেখুৱাই দিব?'' চুমুৰ কথা শুনি সাধুৱে তেওঁক কুটীৰলৈ লৈ গ'ল আৰু কি কাম কৰি দিব লাগিব তাক ব্যাখ্যা কৰিলে।

সাধুৱে কলে যে চুমুৱে ৰাতিপুৱা সোনকালে শুই উঠি কুটীৰটো পৰিস্কাৰ কৰিব লাগিব। তাৰপিছত কাষৰ জুৰিটোৰ পৰা পানী আনি কলহবিলাক ভৰ্তি কৰিব লাগিব। তাৰোপৰি হাবিৰ পৰা মৌ, বনৰীয়া আলুৰ লগতে সাধুৰ প্ৰয়োজন হোৱা যিকোনো বস্তু যোগাৰ কৰিব লাগিব।

এইখিনি কাম কৰাৰ পিছত চুমুৰ হাতত অলপো আজৰি সময় নাথাকিল। তেওঁৰ কামত সাধুজন সন্তুষ্ট হ'ল। এদিনাখন চুমুৱে সাধুৰ ভৰি মালিচ কৰি থকাৰ সময়ত সাধুৱে সুধিলে, ''মোৰ মনত আছে যে তুমি মন্দিৰলৈ যোৱাৰ বাটটোৰ কথা সুধিছিলা। তুমি তালৈ যাব বিচাৰা নেকি?''

''মহাশয়, আপুনি মোক এই কথা সোধালৈকে মই বাট চাই আছিলো।'' চুমুৱে কলে। ''তুমি মোক এই কথা কোৱা নাই যে সেই মন্দিৰটোলৈ তুমি কিয় যাব খোজা?'' সাধুৱে সুধিলে।

যে ধাৰৰ আধা তুমি মোক এতিয়াও পৰিশোধ কৰিবলৈ আছে।''

গৰুকেইটা চৰাবৰ বাবে কাষতে থকা হাবিখনলৈ লৈ যোৱাৰ বাহিৰে চুমুৰ হাতত আন কোনো ৰাস্তা নাছিল।

এইদৰে এটা সপ্তাহ পাৰ হৈ গ'ল। তেওঁ ৰাতিপুৱা খোৱা আহাৰৰ ধাৰ মাৰিবৰ বাবে সন্ধিয়া আৰু ৰাতি খোৱা আহাৰৰ বাবে দিনটো বেছ কষ্টকৰিবলগীয়া হ'ল। তথাপিও আধাখিনি আহাৰৰ ধাৰ মাৰিবলৈ থাকি গ'ল। শেষত তেওঁ চিন্তা কৰিলে যে এইদৰে কেতিয়াও মাৰি শেষ কৰিব নোৱাৰা ধাৰৰ বোজাত পোত যোৱাতকৈ ভোকত মৰাই ভাল। এদিনাখন ৰাতি, গৰু-গাই গোহালীত বন্ধাৰ পিছত, তেওঁ কাকো নোকোৱাকৈ গাওঁবুঢ়াৰ ঘৰৰ পৰা মনে মনে পলাই গুচি গ'ল।

কও নকওঁকৈ চুমুৱে কলে, ‘‘তাত এটা গুপ্ত ৰহস্য আছে।’’

‘‘মোৰ ভাব হৈছে যে তুমি গুপ্ত সম্পদৰ সন্ধানত তালৈ যাব বিচাৰিছা।’’

চুমুৱে লগে লগে কলে, ‘‘মোক ক্ষমা কৰিব মহাশয়, মই এই কথাটো আপোনাৰ পৰা লুকুৱাই ৰাখিছিলো।’’

‘‘ডেকা ল’ৰা, তোমাৰ দৰে বহুতেই তাত গুপ্ত সম্পদৰ সন্ধান কৰিবলৈ গৈছিল। কিন্তু সকলো খালী হাতে উভতি আহিল। তাত তুমি একো বিচাৰি নোপোৱা।’’ সাধুজনে কলে।

‘‘মহাশয়, মই তালৈ যোৱা উচিত। মই দৰিদ্ৰতাৰ পৰা মুক্তি লাভ কৰাৰ সেইটোৱেই একমাত্ৰ উপায়।’’ চুমুৱে কলে।

‘‘ঠিক আছে। শুনা তেতিয়াহলে।’’ এইবুলি সাধুজনে সেই মন্দিৰলৈ যোৱাৰ পথৰ বিষয়ে চুমুক বিৱৰি কলে।

ৰাতিটো সাধুৰ কুটীৰতে কটাই পিছদিনাখন ৰাতিপুৱাই চুমু প্ৰাচীন মন্দিৰ অভিমুখে ৰাওনা হ’ল। সাধুৱে কোৱা পথ ধৰি কেইবাদিনো যাত্ৰা কৰাৰ পিছত তেওঁ গন্তব্য ঠাই পালেগৈ। বহু কাইটীয়া গছৰ মাজেদি অৱশেষত তেওঁ মন্দিৰৰ ভিতৰলৈ প্ৰৱেশ কৰিবৰ বাবে সমৰ্থ হ’ল। তেওঁৰ তাত থকা দেৱী মূৰ্তি সন্মুখতে বহি কেনেদৰে গুপ্ত সম্পদ বিচাৰি উলিয়াব পৰা যাব, তাক চিন্তা কৰিবলৈ ধৰিলে।

তাৰপিছত তেওঁ মন্দিৰৰ চৌহদৰ সকলো ঠাইতে বিচাৰি চালে। কিন্তু ক’তো সম্পদৰ উমঘামেই নাপালে। তেওঁ সাধুজনে কোৱা কথাকে ভাৱি ভাৱি টোপনী গ’ল।

পিছদিনা ৰাতিপুৱা শুই উঠাৰ পিছত তেওঁ পুণৰ মন্দিৰৰ দেৱালত কিবা ইংগিত আছে নেকি ভালদৰে পৰীক্ষা কৰিলে। বহু বিচৰাৰ পিছত তেওঁ দেৱালত লাগি থকা এখন তামৰ ফলি লাভ কৰিবলৈ সমৰ্থ হ’ল। আনন্দত অধীৰ হৈ চুমুৱে সেইখন পঢ়ি চালে। তাত লিখা আছিল– ‘এতিয়া তুমি নিশ্চয় কঠোৰ পৰিশ্ৰমৰ মূল্য উপলব্ধি কৰিব পাৰিছা। যদি কোনোবাই ক’ৰবাত গুপ্তধন আছে বুলি কয় সেই কথা কেতিয়াও বিশ্বাস নকৰিবা। কেৱল কঠোৰ পৰিশ্ৰম কৰিহে মানুহে প্ৰতিষ্ঠা লাভ কৰিব পাৰে।’



পঞ্চতন্ত্ৰৰ সাধু

ডকাইতহতে চৰ্দাৰৰ আদেশ পালন কৰিলে। তেওঁলোকে ৰাজপুত্ৰ, মন্ত্ৰীপুত্ৰ, ধন-ভৰালীৰ পুত্ৰ আৰু সুবুদ্ধিক ধৰি লৈ গৈ চৰ্দাৰৰ আগত হাজিৰ কৰিলে।

চৰ্দাৰে চাৰিওজনৰ ওচৰত কি বস্তু আছে তাক পৰীক্ষা কৰি চালে আৰু একো নাপাই মুকলি কৰি দিলে।

সিঁহত গুচি যোৱাৰ পিছত চৰাইজনীয়ে আকৌ মাত লগালে। চৰ্দাৰে আকৌ চাৰিওজনক ধৰি আনিলে। সকলোৰে চোলা-চুৰিয়া, লাম-লাকটুবিলাক ভালকৈ পৰীক্ষা কৰিলে। কিন্তু একো এটা নাপালে। তেওঁ বিৰক্ত হৈ সিঁহতক পুণৰ মুকলি কৰি দিল।

চাৰিওজন যোৱাৰ পিছতে চৰাইজনীয়ে পুণৰ চিঞৰি উঠিল।

চৰ্দাৰে পুণৰ চাৰিওজনক ধৰি অনালে। তেওঁ কলে, ‘‘মোৰ ভাটৌ চৰাইজনীয়ে কৈছে যে তোমালোকৰ ওচৰত মূল্যৱান মণি-মুকুতা আছে। সেয়া তুৰন্তে উলিয়াই মোক দিয়া।’’

‘‘আমাক দুবাৰকৈ তালাচী লোৱা হল। কিবা তেনে বস্তু থকা হলে নাপালে হ্‌েতেননে বাৰু?’’ সিঁহতে কলে।

‘‘মোৰ চৰাইজনীয়ে মিছা কথা নকয়। তোমালোকে মণি-মুকুতাবিলাক নিশ্চয় গিলি পেলাইছা। এতিয়া ৰাতি হ’ল। আজি বাৰু একো নকৰো। কালিলৈ ৰাতিপুৱাতে তোমালোকৰ পেট ফালি পৰীক্ষা কৰি চাম।’’ এইবুলি চাৰিওজনকে বন্দী কৰি থলে।

ৰাতি সুবুদ্ধিয়ে ভাবিলে, ‘কালিলৈ

মিত্ৰ ভেদ - ৩১

ৰাতিপুৱাতে চৰ্দাৰে এই তিনিওৰে পেট ফালিব। মোকো নিশ্চয় ৰেহাই নিদিয়ে। ময়ো ইহতৰ লগতেই মৰিম। এতিয়া মই কি কৰো? কেনি পলাও?' এইদৰে বহু পৰলৈকে ভাৱি অৱশেষত তেওঁ নপলোৱাটোকেই ঠিক কৰিলে। 'পুজ্য লোকে কয়, পুণ্য কৰিলে স্বৰ্গলাভ হয়। মই নপলাই বাকী তিনিজনক ৰক্ষা কৰিবলৈ চেষ্টা কৰি চাম। তেতিয়া মৰিলেও স্বৰ্গ লাভ হব।'

'কালিলৈ পুৱা ময়েই প্ৰথমে আগবাঢ়ি যাম। চৰ্দাৰক মোৰ পেটটোকে প্ৰথমতে ফালিবলৈ কম। মোৰ পেটত মণি-মুকুতা নেপালে চৰ্দাৰে সিঁহতৰ পেট ফালি নেচাবও পাৰে। মই মৰিলেও বাকী তিনিজন ৰক্ষা পৰিব। ডকাইতৰ চৰ্দাৰে সিঁহতক মুক্তি দিব। মই কৰা পুণ্যৰ বলত তিনিওজন ৰক্ষা পৰিলে মই স্বৰ্গলাভ কৰিম।'

এই কথা মনতে পাঙি সুবুদ্ধিয়ে নিজৰ আঁচনিৰ কথা বাকী তিনিজনক কলে। সিঁহত আঁচৰিত হ'ল আৰু কৃতজ্ঞতাত মূৰ দোঁৱালে।

ৰাতিপুৱাৰ লগে লগে ডকাইতৰ চৰ্দাৰে চাৰিওজনকে মতাই নিলে। সিঁহত চৰ্দাৰৰ আগত শাৰী পাতি থিয় হ'ল। ডকাইতৰ চৰ্দাৰে হাতত চোকা অস্ত্ৰ লৈ তেওঁলোকৰ পেট ফালিবলৈ সাজু হ'ল।

তেনে সময়তে সুবুদ্ধিয়ে তৎক্ষণাত হাত যোৰ কৰি চৰ্দাৰক কলে, ''মোৰ চকুৰ আগত মোৰ বন্ধুহতৰ পেট ফলা মই প্ৰত্যক্ষ কৰিব নোৱাৰিম। গতিকে

আপুনি দয়া কৰি মোৰ পেটটো প্ৰথমতে ফালি চাওক।''

ডকাইতৰ চৰ্দাৰে সুবুদ্ধিৰ অনুৰোধ মানি ললে। সুবুদ্ধিৰ পেট ফালি চৰ্দাৰে কোনো মণি-মুকুতা নাপালে। তেওঁ বৰ হতাশ হ'ল। তেওঁ কলে, ''মই মিছাতে এজন লোকক হত্যা কৰিলো। কোনো মণি-মুকুতাও নাপালো। গতিকে তোমালোকক নামাৰো। তোমালোক মুক্ত।''

তিনিও তাৰ পৰা আহি নিৰাপদে ৰত্নপুৰ পালেহি। তাত এটা অতিথিশালাত থাকি এৰাগুটিৰ তেল খাই পেটত থকা ইন্দ্ৰনীল মণি উলিয়াই আনিলে। ধন-ভৰালীৰ পুত্ৰই সেই মণি চৰাদামত বিক্ৰী কৰি ধনখিনি ৰাজপুত্ৰৰ হাতত দিলে।

সেই সময়ত ৰত্নপুৰত শাসন চলাই আছিল এজন ৰাজদ্ৰোহীয়ে। সি ৰজা আৰু তেওঁৰ বংশধৰসকলক হত্যা কৰি সিংহাসন অধিকাৰ কৰিছিল।

ৰাজপুত্ৰই সেই শাসকৰ পৰা সিংহাখন কাঢ়ি লবলৈ আঁচনি প্ৰস্তুত কৰিলে। তেওঁ মন্ত্ৰীপুত্ৰক সকলো কথা ভাঙি পাতি কোৱাত মন্ত্ৰীপুত্ৰ সন্মত হ'ল।

তাৰপিছত ৰাজপুত্ৰ, মন্ত্ৰীপুত্ৰ আৰু ধন-ভঁৰালীৰ পুত্ৰ তিনিও মিলি চুবুৰীয়া দেশলৈ গ'ল। বহু টকা-পইছা খৰচ কৰি মানুহ-দুনুহ গোটাই-পিটাই এটা শক্তিশালী সৈন্যবাহিনী গঠন কৰিলে।

সেই সৈন্যবাহিনী লৈ এদিন অকস্মাতে ৰত্নপুৰ আক্ৰমণ কৰিলে। যুদ্ধত তেওঁলোক বিজয়ী হ'ল। প্ৰজাসকলেও ৰাজপুত্ৰক তেওঁলোকৰ ৰজা হিচাপে আদৰি ললে। সিংহাখনত আৰোহন কৰি তেওঁ চুবুৰীয়া ৰাজ্যৰ ৰাজকুঁৱৰীক বিবাহ কৰালে। তাৰপিছত ৰাজপুত্ৰ, মন্ত্ৰীপুত্ৰ আৰু ধন-ভঁৰালীপুত্ৰ, এই তিনিও মিলি দেশ শাসন কৰি সুখেৰে দিন কটালে। *(ক্ৰমশঃ)*

কষটি শিল

মোগল সম্রাট জাহাংগীৰে তেওঁৰ আত্মজীৱনী 'তুজুক-ই-জাহাংগীৰী'ত কষতি শিলৰ বিষয়ে এক আমোদজনক কাহিনী উল্লেখ কৰি থৈ গৈছে।

কোৱা হয় যে কষতি শিলৰ স্পৰ্শলৈ আহিলে লোহাৰে তৈয়াৰী যিকোনো বস্তুৱেই সোণলৈ ৰূপান্তৰিত হৈ পৰে। এনে কাৰণতেই কাষতি শিলৰ বিষয়ে উল্লেখ থকা কাহিনীৰ সীমা-সংখ্যা নাই।

বহুযুগৰ আগতে, দক্ষিণ ভাৰতত মাণ্ডু নামৰ এডোখৰ পাহাৰীয়া ঠাই আছিল। সেই ঠাইত এজন দুখীয়া কাঠকটীয়াই বাস কৰিছিল। প্ৰতিদিন পুৱাতেই উঠি তেওঁ কান্ধত কুঠাৰ লৈ হাবিলৈ গৈছিল আৰু খৰি কাটি আনিছিল। তাৰপিছত সেই খৰি চহৰত বিক্ৰী কৰি তাৰ পৰা পোৱা টকাৰে কোনোমতে জীৱন নিৰ্বাহ কৰি আছিল।

এদিনাখন তেওঁ এজোপা গছৰ গুৰি কাটি থাকোতে হঠাতে কুঠাৰখন পিছলি কাষতে থকা এটা সৰু শিলগুটিত লাগিল। একে বাৰতে তেওঁৰ কুঠাৰখন বেকা হৈ পৰিল। কিন্তু আচৰিত ভাৱে লগে লগে কুঠাৰৰ ৰঙটো সলনি হৈ সোণালী হৈ পৰিল। ঘটনা দেখি কাঠকটীয়া চিন্তিত হৈ পৰিল। তেওঁ সেই কুঠাৰখন কমাৰৰ ওচৰলৈ লৈ গৈ কলে, "হেৰা ভাই, তুমি মোক এইখন কি কুঠাৰ গঢ়ি দিছিলা? চোৱা ইয়াৰ অৱস্থাটো। এটা সৰু শিলত লাগোতেই বেকা হৈ পৰিল।"

কুঠাৰৰ ৰং দেখিয়েই কমাৰৰ চকু ডাঙৰ হৈ পৰিল। তেওঁ কাঠকটীয়াৰ হাতৰ পৰা কুঠাৰখন লৈ পৰীক্ষা কৰি কলে, "তুমি ঠিকেই কৈছা ভাই, এইটো মোৰেই ভুল যে কুঠাৰখনৰ অৱস্থা এনে হৈ পৰিল। সম্ভৱত লোহা টুকুৰা ভালকৈ পিটা নহ'ল। তুমি কোনো চিন্তা কৰিব নালাগে।

অমিতাভ দাসগুপ্ত

মই এইখনৰ সলনি তোমাক আন এখন কুঠাৰ দি দিম।'' এইবুলি কমাৰে কাঠকটীয়াক এখন নতুন কুঠাৰ দি দিলে। কাঠকটীয়াই এখন নতুন কুঠাৰ পাই বৰ সুখী হ'ল।

তেতিয়া কমাৰে কলে, ''যিটো শিলত লাগি কুঠাৰখন বেঁকা হৈ পৰিছিল, সেই শিলটো তুমি মোক দেখুৱাই দিব পাৰিবানে?''

''কিয় নোৱাৰিম? মোৰ লগত আহা।'' এইবুলি কাঠকটীয়াই কমাৰক শিলটো দেখুৱাবলৈ হাবিলৈ লৈ গ'ল আৰু সেই সৰু শিলগুটিটো দেখুৱাই দিলে।

''অনুগ্ৰহ কৰি সেইটো বুটলি মোৰ হাতত দিয়াচোন।'' কমাৰে কলে। কাঠকটীয়াই কমাৰে কোৱাৰ দৰেই কৰিলে।

''মই এইটো লৈ যাও। বেছ টান শিলগুটি। দা-কটাৰী ধৰাবলৈ ব্যৱহাৰ কৰিব পৰা যাব।'' এইবুলি কমাৰে শিলগুটিটো লৈ ঘৰলৈ উভতি গ'ল।

কমাৰ আছিল বেছ বুদ্ধিয়ক লোক। তেওঁ বেকা হৈ পৰা কুঠাৰখন দেখিয়েই ধৰিব পাৰিছিল যে সেইখন সোণলৈ ৰূপান্তৰ হৈছে। উভতি আহি ঘৰ পোৱাৰ পিছত তেওঁ নানা লোহাৰ বস্তুত শিলটো লগাই পৰীক্ষা কৰি চালে আৰু নিশ্চিত হ'ল যে সেইটো প্ৰকৃততেই এটা কষটি শিল।

অতি কম দিনৰ ভিতৰতে কমাৰ ধনী হৈ পৰিল। তেওঁ মাণ্ডুত বহু মাটি বাৰী কিনি এটা প্ৰসাদ নিৰ্মাণ কৰোৱালে। বহু সংখ্যক দাস-দাসীক নিযুক্তি দিলে। দিনক দিনে তেওঁৰ সম্পত্তিৰ পৰিমাণ বৃদ্ধি পাই যাবলৈ ধৰিলে। সোনকালেই তেওঁ মাণ্ডুৰ ৰজা হিচাপে জনাজাত হৈ পৰিল।

বঢ়নপুৰ আছিল মাণ্ডুৰ কাষৰীয়া ৰাজ্য। সেই ৰাজ্য দুখনক পৃথক কৰি ৰাখিছিল নৰ্মদা নামৰ নদীখনে। বঢ়নপুৰৰ ৰজাই নিজৰ পুত্ৰৰ লগত মাণ্ডুৰ ৰজাৰ কণ্যাৰ বিবাহ প্ৰস্তাৱ কৰিলে। মাণ্ডুৰ কমাৰ ৰজাই লগে লগে সেই প্ৰস্তাৱত সন্মতি দিলে। এটা শুভদিনত মাণ্ডুৰ ৰাজকুমাৰীৰ লগত বঢ়নপুৰৰ ৰাজকুমাৰ বিবাহ সমাধা হ'ল।

বিবাহৰ পিছত কণ্যাক বিদায় দিবৰ পৰত কমাৰ ৰজাই সেই কষটি শিলটো এটা কাঠৰ বাকচৰ ভিতৰত ভৰাই ৰাজকুমাৰীৰ হাতত দি কলে, ''এইটো তোমাৰ শহুৰৰ হাতত দিবা। তেওঁক কবা যে এয়া তেওঁলৈ মোৰ উপহাৰ।'' তেওঁ সেই শিলটোৰ বিশেষত্বৰ বিষয়ে জীয়েকক বুজাই কলে।

বড়নপুৰৰ ৰজা নৰ্মদা নদীৰ সিপাৰত নৱবিৱাহিতা দম্পত্তিক আদৰণি জনাবৰ বাবে অপেক্ষা কৰি আছিল। শহুৰেকক লগ পোৱাৰ পিছত কমাৰৰ কণ্যাই সেই বাকচটো শহুৰেকক হাতত দি কলে, ‘‘এইটো মোৰ দেউতাই আপোনালৈ উপহাৰ হিচাপে প্ৰেৰণ কৰিছে। অনুগ্ৰহ কৰি গ্ৰহণ কৰক।’’

বড়নপুৰৰ ৰজাই বাকচটো খুলি তাৰ ভিতৰত এটা শিলগুটি দেখা পাই অবাক হ’ল। তেওঁ ভাৱিলে যে নিশ্চয় মাণ্ডুৰ ৰজাই তেওঁৰ লগত ধেমালী কৰিছে। কমাৰৰ জীয়েকে সেই শিলটোৰ বিষয়ে কোৱাৰ আগতেই তেওঁ তাক নৰ্মদা নদীলৈ দলিয়াই দিলে। ঘটনা দেখি কমাৰৰ জীয়েকে দুখতে কান্দি উঠিল। তেওঁ শহুৰেকক কলে যে সেইটো এটা কষটি শিল আছিল। লগে লগে ৰজাই নিজৰ ভুল বুজিব পাৰিলে আৰু নিজে কৰা ভুলৰ বাবে অনুশোচনা কৰিবলৈ ধৰিলে। তেওঁ ডুবাৰু লগোৱাই সেই শিলটোৰ সন্ধান কৰোৱালে যদিও শিলটো বিচাৰি পোৱা নগ’ল।

জাহাংগীৰে তেওঁৰ আত্মজীৱনীত এইটোও উল্লেখ কৰি থৈ গৈছে যে এই ঘটনাৰ বহু বছৰৰ পিছত সম্ৰাট আকবৰে বড়নপুৰৰ ৰজাৰ লগত যুদ্ধ কৰিছিল। সেইসময়ত নৰ্মদা নদী পাৰ হোৱাৰ সময়ত এটা হাতীয়ে মাউতৰ আদেশ মানিবলৈ মান্তি হোৱা নাছিল। তেতিয়া সেনাধিকাৰীৰ আদেশত হাতীটোৰ ভৰিত শিকলি লগাই পাৰ কৰোৱা হৈছিল। হাতীটো নদী পাৰ হোৱা পিছত দেখা গৈছিল যে হাতীৰ ঠেঙৰ সেই শিকলি সোণলৈ ৰূপান্তৰিত হৈছে। এই অসাধাৰণ ঘটনাৰ বিষয়ে সম্ৰাট আকবৰকো জনোৱা হৈছিল। তাৰ লগতে কষটি শিলৰ বিষয়ে থকা জনবিশ্বাসৰ কথাও সম্ৰাটক বিৱৰি কোৱা হৈছিল।

সকলো কথা শুনাৰ পিছত, সম্ৰাটে নৰ্মদা নদীৰ পানীত তলত সেই শিল বিচাৰিবৰ বাবে বহু লোকক নিযুক্ত কৰিছিল। তেওঁলোকে দিনে ৰাতিয়ে পানীৰ তলত সন্ধান কৰিও সেই কষটি শিলটো বিচাৰি উলিয়াব নোৱাৰিলে।

এই কথা বিশ্বাস কৰা হয় যে সেই কষতি শিলটো এতিয়াও নৰ্মদা নদীৰ তলিত ক’ৰবাত পৰি আছে।



চিত্ৰকৰৰ বুদ্ধি

জয় আৰু বিজয় নামেৰে দুজন বৰ প্ৰতিভাশালী চিত্ৰকৰ আছিল। তেওঁলোকে কাৰোবাক অলপ সময় দেখিলেই তেওঁৰ হুবহু চিত্ৰ অংকন কৰিব পাৰিছিল। আনকি কোনো মানুহৰ বৰ্ণনা শুনিও তেওঁৰ চিত্ৰ অংকন কৰিব পাৰিছিল।

তেওঁলোকে নিজৰ কলা বহু কেইখন ৰাজসভাত প্ৰদৰ্শন কৰিলে আৰু তাৰবাবে নানা ধৰণৰ পুৰস্কাৰো লাভ কৰিলে।

এবাৰ তেওঁলোক গৈ মাধৱবাৰ্মাৰ ৰাজসভা পালেগৈ। ৰজাই কলে, ''মই জানো যে তোমালোক বৰ প্ৰতিভাশালী। কিন্তু মই তোমালোকৰ এক পৰীক্ষা লম। বৃদ্ধলোকে কয় যে সকলো জ্ঞানতকৈ আত্মজ্ঞান বেচি দৰকাৰী। মই এই কথা বিশ্বাস কৰো। যদি তোমালোক সঁচাকৈয়ে প্ৰতিভাশালী, তেন্তে তোমালোকৰ নিজৰ চিত্ৰ অংকন কৰি মোক দেখুওৱা। যদি তোমালোকে এই কামত সাফল্য লাভ কৰিব পাৰা, তেন্তে মই উচিতভাৱে পুৰস্কৃত কৰিম।''

ৰজাৰ কথা শুনি জয় আৰু বিজয়ৰ মুখৰ ৰং সলনি হৈ পৰিল। তেওঁলোক নিৰৱ হৈ ৰ'ল।

তাকে দেখি ৰজাই কলে, ''তোমালোকে সদায় নিজৰ মুখ আইনাত চায়েই থাকা। গতিকে সেয়া তোমালোকৰ বাবে বৰ কঠিন কাম নহব। অলপ আগতে ইয়ালৈ অহা দাসীৰ তোমালোকে হুবহু চিত্ৰ অংকন কৰিছিলা। তাতকৈ এইটো কাম কঠিন নহয়।''

জয় বিজয়ে পৰস্পৰৰ মুখলৈ

টি তথা ৰাও

চালে আৰু মনত ৰাখিবলৈ চেষ্টা কৰিলে। তাৰপিছত চকুৰ ইংগিতেৰে নিজৰ ভিতৰতে কিবা কথা পাতিলে।

“ঠিক আছে, মহাৰাজ। আপুনি কোৱা মতেই আমি এই কাম কৰিম।” দুয়ো ৰজাক কলে।

তাৰপিছত ৰজাই লগুৱাক মাতি কলে, “এই দুই চিত্ৰকৰক দুটা বেলেগ বেলেগ কোঠালৈ লৈ যোৱা। চিত্ৰ অংকন কৰি সমাপ্ত হোৱাৰ পিছতহে মোৰ ওচৰলৈ লৈ আহিবা। আৰু সেই দুয়োটা কোঠাতে কোনো আইনা আদি নাৰাখিবা।”

নিজৰ চিত্ৰ নিজেই অংকন কৰা বৰ সহজ কাম নাছিল। আইনা চাই আকিলেও কিবা নহয় কিবা খুত ৰৈ যোৱাৰ সম্ভাৱনা থাকে। গতিকে জয় আৰু বিজয়ে নিজৰ চিত্ৰ অংকন কৰিবলৈ চেষ্টা কৰা হলে সম্পূৰ্ণ সফলতা লাভ কৰা সম্ভৱ নহ'লহেতেন। কিবা অংকন কৰোতে আন কিবা হৈ পৰাৰ সম্ভাৱনা আছিল।

গতিকে তেওঁলোকে নিজৰ নিজৰ চিত্ৰ অংকন কৰিবৰ বাবে চেষ্টা নকৰিলে। জয়ে বিজয়ৰ আৰু বিজয়ে জয়ৰ চিত্ৰ অংকন কৰিলে।

অলপ সময়ৰ পিছতে চিত্ৰ সম্পূৰ্ণ হ'ল। তেওঁলোকে চিত্ৰ দুখন একেধৰণৰ দুটা চন্দুকত ভৰাই চাকৰৰ যোগেদি ৰজাৰ ওচৰলৈ প্ৰেৰণ কৰিলে।

ৰজাই চন্দুক খুলি চিত্ৰ দুখন চাই আঁচৰিত হ'ল। একেবাৰে হুবহু চিত্ৰ। তেওঁ গমেই নাপালে যে চিত্ৰকৰে বুদ্ধিৰে এই কাৰ্য সমাধা কৰিলে।

তাৰপিছত তেওঁ দুয়ো চিত্ৰকৰকে ৰাসজভালৈ মাতি যথাযোগ্য আদৰ-সন্মান প্ৰদৰ্শন কৰিলে আৰু কেইবাহেজাৰ মোহৰ পুৰস্কাৰ হিচাপে প্ৰদান কৰি বিদায় দিলে।

বিচিত্ৰ শ্লোক

ৰজাক সেৱা কৰা আৰু তৰোৱালৰ ধাৰৰ ওপৰত খোজ কাঢ়ি থকাৰ মাজত কোনো পাৰ্থক্য নাই। যদিও ৰজা ভোজে কালিদাসক নিজৰ প্ৰাণৰ সমান ভাল পাইছিল, তথাপিও এদিন ৰজা ভোজ কালিদাসৰ ওপৰত অসন্তুষ্ট হৈ পৰিল আৰু ফলত কালিদাসে ধাৰা নগৰী এৰি আন ক'ৰবালৈ গুচি গ'ল।

কালিদাস গুচি যোৱাৰ পিছত ৰজা ভোজৰ ৰাজসভাৰ পণ্ডিতসকলৰ মাজত এক প্ৰকাৰৰ অৰাজকতাৰ সৃষ্টি হ'ল। তিনিজন বুদ্ধিয়ক ব্যক্তি আহি সেই পণ্ডিতসকলৰ লগ লাগিল। তাৰ ভিতৰত এজনে যিয়েই এবাৰ শুনিছিল, তাকেই মনত ৰাখিছিল। দ্বিতীয়জনে দুবাৰ শুনি মনত ৰাখিছিল আৰু তৃতীয়জনে তিনিবাৰ শুনাৰ পিছত মনত ৰাখিছিল।

যি কবিয়েই নতুন শ্লোক ৰচনা কৰি ৰজা ভোজক শুনাইছিল, তেওঁক ৰজাই সন্মান যাচি পুৰস্কৃত কৰিছিল। কিন্তু এই তিনি ব্যক্তি অহাৰ পিছত এই কাৰ্যত ব্যাঘাট জন্মিল। কিয়নো কোনো কবিয়ে নতুন শ্লোক ৰচনা কৰি শুনালে প্ৰথম ব্যক্তিয়ে থিয় হৈ সেই শ্লোক মাতি শুনাই দিছিল। তাৰপিছত দুবাৰ শুনাৰ পিছত দ্বিতীয় ব্যক্তিয়েও সেই শ্লোক মাতি শুনাইছিল। শেষত তিনিবাৰ শুনাৰ পিছত তৃতীয় ব্যক্তিয়েও সেই শ্লোক মাতি শুনাইছিল। তেতিয়া ৰজাই বিশ্বাস কৰি লৈছিল যে সেই শ্লোক হ'ল পুৰণা শ্লোক। ফলত কবি অপমানিত হবলগীয়া হৈছিল।

বহু কবিয়ে নতুন শ্লোক ৰচনা কৰি

এম ৰামানুজচাৰ্য

ভোজৰ ৰাজসভালৈ আহিল যদিও কোনো পুৰস্কাৰ লাভ নকৰি অপমানিত হ'ল।

এইদৰে অপমানিত হোৱা এজন কবিয়ে আন এখন দেশত কালিদাসক লগ পালে। তেওঁ কালিদাসক সমগ্ৰ কাহিনী শুনালে। পণ্ডিতৰ বিৱৰণ শুনি কালিদাস চিন্তিত হৈ পৰিল। বুজিলে যে তেওঁৰ অনুপস্থিতিত ৰজা ভোজৰ ৰাজসভাৰ কবিসকলৰ মাজত অৰাজকতাৰ সৃষ্টি হৈছে। তেওঁ ৰজা ভোজ আৰু সেই দুষ্ট কবি তিনিজনক শিক্ষা দিবৰ বাবে এটা শ্লোক লিখি দি কলে, ''কবিবৰ, আপুনি এইটো শ্লোক ৰাজসভাত পাঠ কৰকগৈ। আপুনি নিশ্চয় পুৰস্কাৰ লাভ কৰিব।''

কালিদাসে লিখি দিয়া শ্লোক লৈ আহি কবিয়ে ভোজৰ ৰাজধানী ধাৰা নগৰ পালেহি। তেওঁ ৰাজসভালৈ গৈ কলে, ''মহাৰাজ, মই এটা নতুন শ্লোক ৰচনা কৰি আনিছো। আপুনি সেইটো শুনি মোক উপযুক্ত পুৰস্কাৰ প্ৰদান কৰিব বুলি আশা ৰাখিলো।'' ৰজা ভোজে শ্লোক পাঠ কৰিবৰ বাবে অনুমতি দিলে।

''স্বস্তি শ্ৰী ভোজৰাজ, ত্ৰিভুৱন বিদিতৌ
ধাৰ্মিকস্তে পিতা ভু
পিত্ৰাতে ৰে গৃহিতা নৱনৰতিমিতা
ৰত্নকৌটিয়ৌ মদীয়াঃ
তা মেদেহৌতি, ৰাজন'সকল বধু
জন জয়িতে সত্যমেত
ত্ৰিৱা জ নন্তিতে তন্মমকৃতি মথবা
দেহি লক্ষ্যনতৌমে।''

'শ্ৰী ভোজ ৰাজৰ জয় হওক, আপুনি হ'ল তিনিও লোকৰ প্ৰসিদ্ধ দাতা। হে



ধৰ্মাত্মা, আপোনাৰ পিতাই মোৰ পৰা ১১ কোটি মোহৰ লৈছিল। মোক সেই মোহৰ প্ৰদান কৰক। এই পণ্ডিতসকলেও জানে যে এই কথা সত্য। যদি নাজানে তেন্তে অন্তত এটা নতুন শ্লোক পাঠ কৰাৰ বাবে এক লক্ষ মোহৰ প্ৰদান কৰক।''

এই শ্লোক শুনাৰ পিছত তিনি দুষ্ট পণ্ডিত বিবুদ্ধিত পৰিল। যদি তেওঁলোকে কয় যে সেই শ্লোক আগতে শুনিছে, তেন্তে এই কথা প্ৰমাণিত হ'ব যে ৰজা ভোজৰ পিতৃয়ে এই পণ্ডিতৰ পৰা ১১ কোটি মোহৰ লৈছিল। এই কথা শ্লোকতে লিখা আছে। আনহাতে যদি তেওঁলোকে কয় যে এই শ্লোক শুনা নাই তেন্তে এটা নতুন শ্লোক ৰচনা কৰি শুনোৱাৰ বাবে কবিয়ে পুৰস্কাৰ লাভ কৰিব। কিন্তু পুৰস্কাৰৰ পৰিমাণ এক লক্ষ আৰু ধাৰৰ পৰিমাণতকৈ কম হোৱাৰ বাবে তেওঁলোকে এই কথা মানি ললে যে সেইটো তেওঁলোকে শুনা নাই। সেইটো এটা নতুন শ্লোক।

তাৰপিছত কবিয়ে শ্লোকত লিখা ধৰণেই ৰজা ভোজে কবিক এক লক্ষ মোহৰ পুৰস্কাৰ দিলে। ৰজাই সুধিলে, ''কবিবৰ, আপুনি এইধৰণৰ শ্লোক কিয় ৰচনা কৰিলে?''

পণ্ডিতে তেতিয়া ৰজাক সকলো কথা বিৱৰি কলে। তেওঁ কলে যে ৰজাৰ ৰাজসভাত কবিসকলে নতুন শ্লোক মাতি শুনালেও তিনি পণ্ডিতে তাক পুৰণা বুলি কোৱাত কবিৰ অপমান হৈছিল। লগতে তেওঁ কলে যে এই শ্লোক তেওঁক এজন ব্ৰাহ্মণে ৰচনা কৰি দিছে।

লগে লগে ৰজাৰ এই সন্দেহ হ'ল যে এনে শ্লোক ৰচনা কৰি দি পঠোৱাজন নিশ্চয়কৈ কালিদাস হ'ব লাগিব। তেওঁ সেই কবিৰ লগত গৈ কালিদাসক লগ ধৰিলে আৰু ক্ষমা মাগি পুণৰ ৰাজসভালৈ উভতাই আনিলে।

এটাতকৈ আনটো চৰা

এখন চহৰত তিনিজন ভাই-ককায়ে বাস কৰিছিল। তেওঁলোকৰ ঘৰ ওচৰে পাজৰে আছিল। তেওঁলোকৰ দৃষ্টিশক্তি একেবাৰে দূৰ্বল আছিল। কোনো বস্তু তেওঁলোকৰ নাকৰ ওচৰত নৰখালৈকে দেখিয়েই নাপাইছিল।

এদিনাখন, তিনিওজনে ডাঙৰটো ভাইৰ ঘৰত বহি গল্প কৰি আছিল। ডাঙৰটো ভায়ে বাকী দুজনক কলে, ''মোৰ দৃষ্টিশক্তি বহুখিনি ভাল হৈ পৰিল। যদি দূৰত মই মহ দেখা পাও, তেন্তে এই কথা কৈ দিব পাৰো যে সেইটো মতানে মাইকী। ৰাতি মোৰ দৃষ্টি শক্তি আৰু বেছি শক্তিশালী হৈ পৰে।''

''ঠিক আছে। কাৰ দৃষ্টিশক্তি কিমান ভাল তাক পৰীক্ষা কৰিলেহে গম পোৱা যাব।'' সৰুটোৱে কলে।

''কি পৰীক্ষা?'' মাজুটোৱে সুধিলে।

''ঠিক আছে। মই কও শুনা- আমাৰ গলিটোৰ মুখতে থকা মন্দিৰটোত এখন ধৰ্মোপদেশ খোদাই কৰা শিলৰ ফলি লগোৱা হৈছে। তাৰ আখৰবিলাক পঢ়াই আমাৰ বাবে পৰীক্ষা হব। যিয়ে সকলোতকৈ ওচৰৰ পৰা পঢ়িব, সি হাৰিব। আৰু হৰাজনে বাকী দুজনক এসাজ ভাত খুৱাব লাগিব। এয়ে হ'ল চৰ্ত।'' সৰুটো ভায়েকে কলে।

সৰু ভায়েকৰ এই চৰ্ত বাকী দুয়োজনে মানি ললে।

বাকী দুজন গুচি যোৱাৰ পিছত ডাঙৰটো ভায়েক চিন্তিত হৈ পৰিল। কিয়নো নাকৰ ওচৰত নাথাকিলে তেওঁ

টি এন ৰামা ৰাও

পঢ়িব নোৱাৰিছিল। তেওঁ বহু সময় চিন্তা কৰাৰ পিছত এটা উপায় উলিয়ালে। সেই মন্দিৰত এজন গোমস্তা আছিল। তেওঁক সুধি সেই শিলত কি খোদাই কৰা আছে তাক গম পোৱা যাব।

এইদৰে চিন্তা কৰি ডাঙৰটো ভায়েকে লৰালৰিকৈ কান্ধত গামোচাখন লৈ মন্দিৰলৈ গ'ল।

“সম্ভৱত আপুনি কিবা কামৰ বাবে আহিছে।” গোমস্তাজনে সুধিলে।

“তেনেকুৱা কাম একো নাই। নতুনকৈ যি শিলা লগোৱা হৈছিল, তাত কি লিখা আছিল?” ডাঙৰটো ভায়ে গোমস্তাক সুধিলে।

“বিশেষ একো লিখোৱা নাই। ‘শ্ৰীৰামৰ কৃপা’ লিখোৱাইছিলো।” গোমস্তাই কলে।

এই কথা শুনি ডাঙৰটো ভাই বৰ সুখী হ'ল। তেওঁ ঘৰৰ ফালে উভতি খোজ ললে। তেনেতে মাজুটো ভায়ো আহি সেইখিনি পাইছিলহি। কিন্তু দৃষ্টিশক্তি দুৰ্বল হোৱা বাবে এজনে আনজনক চিনিব নোৱাৰিলে।

মাজুটো ভাই আহি গোমস্তাক ডাঙৰটো ভায়ে সোধা প্ৰশ্নকেইটাকে সুধিলে। দুয়ো ভায়ে একেই প্ৰশ্ন সোধা দেখি গোমস্তা আঁচৰিত হ'ল। তেওঁ ডাঙৰটো ভাইক যি উত্তৰ দিছিল সেই একে উত্তৰ মাজুটো ভাইকো দিলে।

কিন্তু মাজুটো ভায়ে পুণৰ সুধিলে, “শিলটো কি ৰঙৰ আৰু তাত লিখা আখৰবিলাক কি ৰঙৰ?”

“বগা মাৰ্বল শিলৰ ওপৰত সোণালী আখৰেৰে লিখোৱা হৈছে।” গোমস্তাই কলে।

মাজুটো ভায়েক গুচি যোৱাৰ পিছত সৰু ভায়েকটো আহি সেইখিনি পালেহি। তেৰো ডাঙৰ ভায়েকে কৰা প্ৰশ্নকেইটাই কৰিলে। গোমস্তাই একে উত্তৰকে দিলে। সৰুটো ভায়েকে পুণৰ সুধিলে, শ্ৰীৰামৰ কৃপাৰ তলত শিলটো দান দিয়া লোকজনৰ নাম লিখা আছে নেকি?”

“সেইটো দান দিয়া অমুক মানুহজনৰ নামটো আছে। তুমি ছাগে সুধিবা যে

সেইটো কি ৰঙৰ আখৰেৰে লিখা আছে। ৰঙা ৰঙেৰে।'' গোমস্তাই কলে।

তিনিও ভায়ে 'ময়েই জিকিম, ময়েই জিকিম' বুলি চিন্তা কৰা ঘৰলৈ উভতি গ'ল। যিমান সোনকালে পাৰি সিমান সোনকালে শিলটো চাবলৈ যাবলৈ উত্ৰাৱল হৈ পৰিল।

পিছদিনা পুৱা তিনিও শিলটো চাবলৈ গ'ল। দূৰৰ পৰাই ডাঙৰটো ভায়েকে কলে, ''আৰু অধিক ওচৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। মই ইয়াৰ পৰাই স্পষ্টকৈ দেখিছো। তাত লিখা আছে- শ্ৰীৰামৰ কৃপা।''

এই কথা শুনি বাকী দুই ভাই আঁচৰিত হ'ল। ভাৱিলে যে তেওঁলোক পৰাজিত হ'ল। ভাৱি চিন্তি মাজুটো ভায়ে সুধিলে, ''শিলটো কি ৰঙৰ কোৱাচোন বাৰু?''

প্ৰশ্নটো শুনি ডাঙৰটো ভাই বিপাঙত পৰিল। ''ৰং, তুমি কি ইয়াৰ পৰা দেখা পোৱা নাই নেকি?'' তেওঁ মাজুটো ভাইক সুধিলে।

''কিয় নেদেখিম। বগা মাৰ্বলত সোণালী আখৰেৰে লিখা আছে। তুমি ধৰিব পাৰিছানে?'' মাজুটোৱে কলে।

''তোমালোক দুটাই কি উখনা-উখনি কৰি আছা। শিলত খোদাই কৰি থোৱা সৰু সৰু আখৰ কেইটা পঢ়িব পাৰানে নোৱাৰা সেইটো চোৱা। ডাঙৰ ডাঙৰ আখৰ অন্ধইও পঢ়িব পাৰে।'' সৰুটো ভায়েকে কলে।

''শিলটোত সৰু আখৰেৰেও কিবা লিখা আছে নেকি?'' বাকী দুয়ো ভায়ে আঁচৰিত হৈ সুধিলে।

''মইটো দেখা পাই আছো। ৰঙা ৰঙেৰে অমুকৰ নাম লিখা আছে। তোমালোকে কি ভাৱিছা? তোমালোকতকৈ মোৰ দৃষ্টিশক্তি বেছি ভাল।'' সৰুটো ভায়ে বাকী দুই ভাইক কলে।

তেতিয়া ডাঙৰটো ভায়ে কলে, ''তোমাৰ দৃষ্টিশক্তি আমাৰ দুটাতকৈ ভাল। তোমাৰ পিছতে মোৰ ভাল। ডাঙৰ আখৰ কেইটা ময়েই ভালকৈ পঢ়িব পাৰিছিলো।

তাৰোপৰি তুমি মোতকৈ আগে আগে গৈছিলা আৰু মই পিছৰ পৰাই আখৰ পঢ়িছিলো। গতিকে মাজু ভায়ে আমাক ভোজন কৰোৱাব লাগিব।''

''এয়া কেনেকৈ হব? যি এইটো দেখা নাপালে যে শিলটো আৰু আখৰৰ ৰং কি, তেওঁয়ে ইয়াৰ পৰা আখৰ পঢ়িব পাৰিছে মোৰ সন্দেহ আছে।'' ডাঙৰ ভাইৰ কথা শুনি মাজু ভায়ে কলে।

এইদৰে তিনিও নিজৰ ভিতৰতে তৰ্ক কৰিবলৈ ধৰিলে। শেষত তেওঁলোকে কাৰোবাৰ দ্বাৰা চয়-নিশ্চয় কৰাবলৈ সিদ্ধান্ত ললে। তেনে সময়তে গোমস্তা বাটেদি সেইফালে আহি আছিল। তেওঁৰ পৰা সহায় বিচাৰিলে। ''আপুনি কোন? আমাৰ এটা সমস্যা হৈছে। অনুগ্ৰহ কৰি সমাধান কৰাত সহায় কৰি দিয়ক। এইটো মিছা কথা নেকি যে সেই শিলটোত 'শ্ৰীৰামৰ কৃপা' লিখা আছে?'' ডাঙৰটো ভায়ে কলে।

''নহয় তো।'' গোমস্তাই কলে।

''শিলটো বগা ৰঙৰ নহয় জানো? আৰু তাত সোণালী আখৰেৰে লিখা নাই জানো?'' মাজু ভায়ে সুধিলে।

''হয়।'' গোমস্তাই কলে।

''সৰু আখৰত অমুকৰ নাম ৰঙা ৰঙত লিখি থোৱা নাই জানো?'' সৰুটোৱে কলে।

''হয়।'' গোমস্তাই কলে।

তাৰপিছত আকৌ তিনিও ভায়ে 'মোৰ দৃষ্টি শক্তি ভাল' বুলি কাজিয়া কৰিবলৈ ধৰিলে। তাকে দেখি গোমস্তাই কলে, ''তোমালোকে কলা-বগাৰ পাৰ্থক্য ধৰিব নোৱাৰা। মোৰ ৰায় এয়েই যে তোমালোক তিনিওজন দৃষ্টিশক্তি একেধৰণৰ। কাৰণ এতিয়ালৈকে সেই শিলটো দেৱালত লগোৱা হোৱাই নাই। আনিহে থোৱা আছে।'' এইবুলি কৈ গোমস্তাই নিজৰ ৰাস্তাত গুচি গ'ল।

ব্যৱহাৰ

এসময়ত সুখদাস নামৰ এজন দুখীয়া খেতিয়কে বাস কৰিছিল। কুমাৰবৰ্ধন নামেৰে তেওঁৰ এটা পুত্ৰ সন্তান আছিল। যথেষ্ট শিক্ষা লাভ কৰাৰ পিছত সুখদাসে কুমাৰবৰ্ধনক কলে যে তেওঁ পৰিয়ালক অৰ্থনৈতিকভাৱে সহায় কৰা উচিত।

কুমাৰবৰ্ধনে এটা চাকৰি বিচাৰিবলৈ ঠিক কৰিলে। তেওঁ হৰ্ষগুপ্ত নামৰ এজন ব্যৱসায়ীৰ ওচৰলৈ গ'ল। হৰ্ষগুপ্তই কুমাৰবৰ্ধনৰ বিষয়ে ভালকৈ লিখি এখন চিঠি দি ৰত্নচাৰী নামৰ এজন ব্যৱসায়ীৰ ওচৰলৈ প্ৰেৰণ কৰিলে। তেওঁ কলে যে তেওঁৰ চিঠিৰ পঢ়াৰ পিছত ৰত্নচাৰীয়ে নিশ্চয় এটা চাকৰি দিব। চিঠিখন লৈ কুমাৰবৰ্ধনে ৰত্নচাৰীক লগ ধৰিলে। চিঠিখন থকা স্বত্বেও, ৰত্ন চাৰীয়ে লক্ষ্য কৰিলে যে কুমাৰবৰ্ধনৰ কাপোৰ-কানি লেতেৰা আৰু কথা কোৱাৰ ধৰণো বৰ খাৰাংখাচ। ৰত্নচাৰীয়ে কলে যে তেওঁ অলপদিনৰ পিছত খবৰ প্ৰেৰণ কৰিব। কুমাৰবৰ্ধনে বুজিলে যে তেওঁ চাকৰিটো পোৱাৰ সম্ভাৱনা নাই।

তাৰপিছত তেওঁ পুণৰ হৰ্ষগুপ্তক লগ ধৰিলে আৰু গোটেই কথাখিনি কলে। হৰ্ষগুপ্তই লগে লগে সমস্যাটো ক'ত ধৰিব পাৰিলে। তেওঁ কুমাৰবৰ্ধনক এই পৰামৰ্শ দিলে যে সাক্ষাৎকাৰত নিজকে চকুত লগাকৈ উপস্থাপন কৰিব লাগে আৰু শব্দ আৰু ভাষা মাৰ্জিত হব লাগে, কিয়নো যিকোনো এজন মানুহক পৃথিৱীয়ে তেওঁৰ কথাৰ ধৰণৰ পৰাই বুজি পায়। তাৰপিছত তেওঁ কুমাৰবৰ্ধনক আন এখন চিঠি দি সুমংগল নামৰ ব্যৱসায়ী এজনৰ ওচৰলৈ প্ৰেৰণ কৰিলে। হৰ্ষগুপ্তৰ পৰামৰ্শ অনুসৰি নিজকে উপস্থাপন কৰি কুমাৰবৰ্ধনে ব্যৱসায়ীৰ সচিবৰ চাকৰি লাভ কৰিবলৈ সমৰ্থ হ'ল।

কুমাৰবৰ্ধনে ভাল ব্যৱহাৰৰ গুৰুত্ব বুজি পালে আৰু সেই শিক্ষা প্ৰদান কৰি চাকৰিটো লাভ কৰাত সহায় কৰাৰ বাবে হৰ্ষগুপ্তক ধন্যবাদ জনালে। *– মহাবীৰ নানা*





শিৱৰ আশা

গংগা আৰু শিৱ পতি-পত্নী আছিল। তেওঁলোকে গাৱঁৰ জমিদাৰৰ ঘৰত ইটো সিটো কাম-বন কৰি পেট প্ৰৱতহি আছিল। ঘৈনীয়েক গংগাই ঘৰৰ ভিতৰৰ নানা ধৰণৰ কাম কৰাৰ বিপৰীতে শিৱই জমিদাৰৰ ঘৰৰ বাহিৰৰ কামবিলাক কৰিছিল।

এদিন সন্ধিয়া জমিদাৰৰ ঘৰত কাম-বন শেষ কৰি ঘৰলৈ উভতি অহাৰ পৰত কৰবাৰ পৰা ঘিউত ভজা কলা মাহৰ পিঠাৰ গোন্ধ ভাহি আহি শিৱৰ নাকত লাগিল। তেওঁৰ লোভৰ পানী ওলাই আহিল।

অলপ সময়ৰ পিছত তেওঁ আহি ঘৰ পালেহি। তাৰপিছত গা-পা ধুই ৰাতিৰ আহাৰ খাবলৈ বহিল। গংগাই তেওঁক মিলেটৰ পৰা তৈয়াৰ কৰা ৰুটী খাবলৈ দিলে। তেওঁ সেয়া দেখিয়েই বিৰক্ত হৈ উঠিল আৰু কাহীখন ঠেলি দি কলে, ''মোৰ আজি ঘিউত ভজা কলা মাহৰ পিঠা খাবলৈ মন গৈছে। এই মিলেটৰ ৰুটি সদায় খাই খাই আমুৱাই গৈছে।''

শিৱৰ কথা শুনি তেওঁৰ পত্নীয়ে কলে, ''আমিনো কেতিয়াৰ পৰা ইমান ধনী হৈ পৰিলো যে তেনেধৰণৰ ভাল ভাল বস্তু খাবলৈ পাম। আমাৰ দৰে এসাজ খাই পিছৰ সাজলৈ চিন্তা কৰা মানুহে এনে বস্তু খোৱাৰ আশা নকৰাই ভাল।'' এই কথা শুনি শিৱই মনতে বৰ বেজাৰ পালে আৰু উপায়বিহীন হৈ মিলেটৰ ৰুটীকেই খাই পেট ভৰালে।

কেইমাহমানৰ পিছত জমিদাৰৰ দেউতাকৰ শ্ৰাদ্ধৰ বাবে যো-জা কৰাত শিৱই জমিদাৰক সহায় কৰিবলগীয়া হ'ল। তেওঁ খুব সাৱধানে সকলো যো-যোগাৰ কৰিলে। মন্ত্ৰ-পাঠ সম্পূৰ্ণ হোৱাৰ পিছত, পুৰোহিতক ভাল ভাল খাদ্য পৰিবেশন কৰা হ'ল। শিৱই দেখিলে যে সেইবিলাকৰ ভিতৰত ঘিউত ভজা কলা মাহৰ

এম গোপী কৃষ্ণ

পিঠাও আছিল। তেওঁ মনত সেই পিঠা খাবলৈ পোৱাৰ আশা জাগিল। ভিতৰত কাম কৰি থকা ঘৈনীয়েকক মাতি সেই পিঠা দেখুৱাই কলে, ''দেখিলানে, পুৰোহিতক ঘিউত ভজা কলা মাহৰ পিঠা খাবলৈ দিয়া হৈছে। মই নিশ্চিত যে খোৱাৰ পিছত সেইবিলাকৰ কেইটামান হলেও বাকী ৰব। অৱশেষত মোৰ এনে সুস্বাদু খাদ্য খোৱাৰ আশা পুৰণ হ'ল।''

শিৱৰ কপাল বেয়া আছিল। পুৰোহিতে খোৱাৰ পিছত এটাও পিঠা বাকী নাথাকিল। শিৱ বৰ দুখী হৈ পৰিল। তাকে দেখি গংগাই শিৱক সান্তনা দি কলে, ''যদি সেয়া খোৱাতো আমাৰ ভাগ্যত নাই, তেন্তে চেষ্টা কৰিলেও সেয়া আমি খাবলৈ নাপাও।''

কিন্তু শিৱৰ নাকৰ পৰা সেই পিঠাৰ গোন্ধ আঁতৰি নগ'ল। তেওঁ লাহে লাহে এটকা-দুটকাকৈ পইছা সাঁচিবলৈ আৰম্ভ কৰিলে। অলপ দিনৰ পিছত উৎসৱৰ সময় আহি পালেহি। তেওঁ সেই পিঠা তৈয়াৰ কৰিবৰ বাবে কলা মাহ, ঘিউ আদি কিনিবলৈ বুলি সিদ্ধান্ত কৰি বজাৰলৈ ৰাওনা হ'ল।

ঘৰৰ পৰা ওলাই যাবলৈ লওতেই তেওঁ সৰু ভনীয়েকক লগ পালে। তাই শিৱক কলে, ''ককাইদেউ, এইবাৰ মই তোমালোকৰ ইয়াত উৎসৱ পালন কৰিবলৈ আহিছো।'' এই কথা শুনি গংগাই শিৱক একাষলৈ মাতি কলে, ''আমাৰ ঘৰত চাউল-ডাইল আদি নায়েই। বজাৰলৈ গৈ কিনি আনাগৈ।'' পত্নীৰ কথা শুনি শিৱই মনতে বৰ বেজাৰ পালে যে এইবাৰো তেওঁৰ প্ৰিয় আহাৰ খোৱাটো সম্ভৱপৰ হৈ নুঠিব।

বজাৰৰ পৰা প্ৰয়োজনীয় বস্তু কিনি শিৱ ঘৰলৈ উভতি আহিল। আহি ঘৰ সোমাওতেই তেওঁৰ সেই চিনাকি প্ৰিয় গোন্ধটো আহি নাকত লাগিল। তেওঁ অতি আঁচৰিত হ'ল।

গংগাই তেওঁক কলে, ''তোমাৰ ভনীয়েৰাই তোমাৰ বাবে লৈ আহিছে। তেওঁ জানে যে এই পিঠা তোমাৰ অতি প্ৰিয়।''

এই কথা শুনি শিৱৰ আনন্দৰ চকুলো ওলাই আহিল। তেওঁ হেপাহেৰে সেয়া খাবলৈ ধৰিলে। গিৰিয়েকৰ বহুদিনৰ আশা পুৰণ হোৱা দেখি গংগাও অতিশয় সুখী হ'ল।



গোপণ কথা

সাত বছৰীয়া কমলা দেউতাক ভূষণৰ কাষলৈ আহিল। তাই তেওঁক সুধিলে, ‘‘গোপণ কথা মানে কিনো?’’ ‘‘তুমি কিয় জানিব বিচাৰিছা?’’ দেউতাকে হাঁহি এটা মাৰি সুধিলে। তাই কলে যে চুবুৰীয়া খুৰীয়েকে তেওঁৰ কোনোবা বান্ধৱী আহোতে কমলাহঁতক তাৰপৰা আঁতৰি যাবলৈ কৈ কৈছিল ‘শিশুৱে গোপণ কথা শুনিব নাপায়।’

ভূষণে অলপ সময় চিন্তা কৰিলে তাৰপিছত তেওঁ কলে, ‘‘মই তোমাক বুজাই কম বাৰু। কিন্তু তুমি প্ৰথমতে গাঁৱৰ সভা বহা ঠাইলৈ গৈ সকলোকে সন্ধিয়া আমৰ বাগিছালৈ আহিবলৈ কোৱাগৈ।’’ দেউতাকৰ কথা মতে কমলাই দৌৰ মাৰি গৈ সেইকথা সকলোকে কলেগৈ। তাৰপিছত ভূষণে কমলাক লগত লৈ নাৰিকলৰ বাগিছাত ফুৰিবলৈ গ’ল।

তালৈ যাওতেই পথত তেওঁ এটা ঘৰৰ সন্মুখত ৰ’ল আৰু ঘৰৰ গৃহস্থক মাতিলে। তেওঁ সৰু সৰু মাতেৰে কলে, ‘‘অহা মাহত মগুমাহৰ দাম বাঢ়ি যাব। তোমাৰ গোটেইখিনি মাহ একেলগে কম দামতে বিক্ৰী কৰি নিদিবা। আৰু এই কথা আনক নকবা।’’ তাৰপিছত তেওঁ একেই কথা পথত লগ পোৱা আন পাঁচ–ছয়জনমান মানুহক কলে।

ঘটনা দেখি কমলাই সুধিলে, ‘‘দেউতা, তুমি একেটা কথাকে সকলোকে কৈছা আৰু লগতে কৈছা যে তেওঁলোকে আনক কোৱা উচিত নহয়।’’

ভূষণে হাঁহি এটা মাৰি কলে, ‘‘এয়াই হ’ল গোপণ কথা। আনহাতে খবৰ হ’ল সেইবিলাক, যিবিলাক কথা আমি সকলোকে মুকলিভাৱে কও। যেনে তুমি অলপ আগতে গাঁৱৰ সভা বহা স্থানত সকলোকে আমৰ বাগিছালৈ আহিবলৈ কলাগৈ। বুজি পালানে কিবা?’’ কমলাই মূৰ খজুৱাই চকু ডাঙৰ কৰি মূৰ দুপিয়ালে।

হাঁহি এটা মাৰি ভূষণে কমলাক কোলাত তুলি ললে। — *তিৰুমলাশ্ৰী*

অনুপযোগী উপায়

এটা শহাপহুৱে এটা শিলৰ ওচৰলৈ গৈ সুধিলে, ‘‘শুনিছানে, তুমি বৰ ভাল দাঁত তৈয়াৰ কৰিব পাৰা। মোক দুটা দাঁত তৈয়াৰ কৰি দিবানে?’’

‘‘তোমাৰ দাঁতটো ঠিকেই আছে।’’ শিলে কলে।

‘‘মোৰ দাঁত বেয়া হোৱা নাই। মোক আচলতে ডাঙৰ ডাঙৰ দাঁত কেইটামান লাগে। বাঘৰ সমান ডাঙৰ।’’ শহাপহুৱে কলে। ‘‘কিয়?’’ শিলে সুধিলে।

‘‘শিয়ালক ভয় খুৱাবৰ বাবে। মই তাক একেবাৰে দেখিব নোৱাৰো। তাক দেখিলেই পলাই যাবলগীয়া হয়। ডাঙৰ দাঁত লগাই ললে সি মোক দেখি পলাব লাগিব।’’ শহাপহুৱে কলে। শহাপহুৰ কথা শুনি শিলে মনতে হাঁহিলে আৰু শহাপহুক কেইটামান ডাঙৰ ডাঙৰ দাঁত লগাই দিলে।

তাকে দেখি শহাপহু বৰ আনন্দিত হ’ল। ‘‘এতিয়া লম মই শিয়ালৰ খবৰ।’’ এইবুলি সি শিয়ালক বিচাৰি ওলাল। অলপদূৰ যোৱাৰ পিছতে শহাপহুৱে এটা জোপোহাত শিয়াল এটা দেখা পালে। শিয়ালক দেখি শহাপহুৱে ভয় খাই উভতি লৰ মাৰিলে। আহি সি শিলৰ ওচৰ পালেহি। ‘‘আৰে ভাই, এই দাঁত খুলি লৈ লোৱা। ইয়াতকৈ ডাঙৰ দাঁত লাগিব। লগাব পাৰিবানে?’’ শহাপহুৱে সুধিলে।

‘‘দাঁত বদলালে নহব। তোমাৰ মনটো বদলাব লাগিব। যেতিয়ালৈকে তোমাৰ মনতো বদলি কৰা নহব, তেতিয়ালৈকে তোমাৰ সমস্যাৰ সমাধান নহব।’’ শিলে হাঁহি এটা মাৰি কলে।



অমূল্য সম্পত্তি

বিক্রমসেন অমৰাৱতী ৰাজ্যৰ ৰজা আছিল। তেওঁ নিজৰ কৰ্মচাৰীসকলক পচন্দ নকৰিছিল। তেওঁলোকে সদায় বিক্রমসেনৰ তোষামোদ কৰিছিল– 'আপুনিয়েই ইন্দ্র, আপুনিয়েই চন্দ্র, আপোনাৰ ৰাজ্যত প্রজা সুখেৰে বাস কৰি আছে ইত্যাদি।'

সেইবাবেই বিক্রমসেনে কেতিয়াবা ভেশ কৰি সাধাৰণ লোকৰ ৰূপত গাঁৱে গাঁৱে ভ্রমণ কৰি ফুৰিছিল। এইদৰে তেওঁ প্রজাই কেনে জীৱন যাপন কৰিছে, সেই কথা জনিব পাৰিছিল।

এদিনাখন ৰজাই ভেশ ধৰি এখন অৰণ্যৰ মাজেদি গৈ থাকোতে বাঁহীৰ মাত শুনা পালে। তেওঁ ইফালে সিফালে চাই এটা গৰখীয়া ল'ৰা দেখা পালে। তাৰ বয়স কেৱল যোল্ল বছৰমানহে আছিল। ল'ৰাটো দেখিবলৈ বৰ মৰমলগা আছিল। ৰজাই প্রথমতে ভাৱিলে, 'হয়তো সেই ল'ৰাটো এক ৰাজকুমাৰ, যি ভেশ বদলি কৰি আহিছে।' কিন্তু তেওঁ তাৰ লগত কথা পাতি গম পালে যে সেই বালকৰ পৰিয়াল একেবাৰী দুখীয়া।

সেই গৰখীয়া বালকৰ নাম আছিল শম্ভু। তেওঁ ৰজাৰ সকলো প্রশ্নৰে শুদ্ধ উত্তৰ দিলে। তেওঁৰ ঘূৰাই-পকাই কথা কোৱাৰ অভ্যাস নাছিল।

"শম্ভু, তুমি মোৰ লগত যাবানে? মই তোমাক ভাল কাপোৰ দিম, ভাল বস্তু খাবলৈ দিম আৰু এটা ভাল চাকৰিও দিম।" ৰজাই প্রস্তাৱ কৰিলে। শম্ভুৱেও ৰজাৰ প্রস্তাৱ মানি ললে।

অমৰাৱতী নগৰত উপস্থিত হৈ শম্ভুৱে

এন সুন্দৰ ৰাও

গম পালে যে তেওঁক লৈ অহা ব্যক্তিজন হ'ল স্বয়ং ৰজা। সি বৰ আনন্দিত হ'ল।

ৰাজমহলত শম্ভুৱে নতুন কাপোৰ কানি পিন্ধিলে। তাৰপিছত তেওঁ পঢ়া-লিখা শিকি নানা শাস্ত্ৰ অধ্যয়ন কৰিলে। কোন ঠাইত কেনে কথা কব লাগে বা কেনে ব্যৱহাৰ কৰিব লাগে সেই কথাও শিকোৱা হ'ল। এইদৰে শম্ভুৱে সকলো শিক্ষা আৰু প্ৰশিক্ষণ সমাপ্তকৰাৰ পিছত ৰজাই তেওঁক কোষাগাৰৰ বিষয়া হিচাপে নিযুক্তি দিলে। ৰজাই চিন্তা কৰিলে যে যি কোষাগাৰত কোটি কোটি টকা মূল্যৰ সম্পদ জমা কৰি থোৱা আছে, তাক তদাৰক কৰিবৰ বাবে শম্ভুতকৈ বিশ্বাসী লোক বিচাৰি পাবলৈ কঠিন হব।

নতুন কামত যোগদান কৰাৰ আগত শম্ভু নিজৰ গাৱলৈ গ'ল। তেওঁ আগতে যিবিলাক ঠাইত ঘূৰি ফুৰিছিল, সেইবিলাক ঠাইলৈ গ'ল, বাঁহী বজালে। পৰিয়ালৰ লোকসকলক নানা উপহাৰ দিলে। তেওঁক পৰিয়ালৰ লোকসকলে সুধিলে, ''ৰজাৰ চাকৰি কৰি কেনে লাগিছে?''

তেতিয়া উত্তৰত শম্ভুৱে কলে, ''তোমালোকে এই গাওঁ এৰি কলৈকো নাযাবা। ৰজাৰ দৰবাৰত কেতিয়াও চাকৰি নকৰিবা। বাস্তৱিক সুখ এই গাঁৱৰ জীৱনতে আছে।''

তাৰপিছত শম্ভু ৰাজধানীলৈ উভতি গ'ল



আৰু কোষাগাৰৰ বিষয়াৰ চাকৰি কৰিবলৈ ধৰিলে।

কিছুবছৰৰ পিছত ৰজাৰ মৃত্যু হ'ল। ৰজাৰ পুত্ৰ কনকে সিংহাসনত আৰোহন কৰিলে। আগৰ ৰজাৰ সময়ত বহু বিষয়া-কৰ্মচাৰীয়ে শম্ভুক খাতিৰ কৰি চলিছিল, কিয়নো আগৰ ৰজাই শম্ভুক বৰ মৰম আৰু বিশ্বাস কৰিছিল।

নতুন ৰজা হোৱাৰ পিছত সেইসকল কৰ্মচাৰীয়েই শম্ভুৰ বিপক্ষে ৰজাৰ কাণত মন্ত্ৰ দিবলৈ আৰম্ভ কৰিলে- ''মহাৰাজ, এই শম্ভুৱে আপোনাৰ পিতাৰ বিশ্বাসভাজন হৈ কোষাগাৰ লুটি পেলালে। আপুনি তেওঁৰ ওপৰত চকু ৰখাটো ভাল হব।''

"তোমালোকে এনেকৈ ওপৰতে কথা কলে নহব। যদি উপযুক্ত প্ৰমাণ দিব পাৰা যে শম্ভুৱে কিবা অপৰাধ কৰিছে, তেন্তে তেওঁ নিশ্চয় শাস্তি লাভ কৰিব।" ৰজা কনকসেনে কলে।

"আপোনাৰ পিতাৰ ওচৰত অমূল্য ৰত্ন খটোৱা এখন তৰোৱাল আছিল। আপুনি শম্ভুক সেইখন আনি দেখুৱাবলৈ কওক।" কৰ্মচাৰীসকলে ৰজাক মন্ত্ৰণা দিলে।

তেতিয়া ৰজাই শম্ভুক মাতি আনি কলে, "পিতাৰ ৰত্ন খটোৱা তৰোৱাল তোমাৰ ওচৰত আছে। সেইখন আনি মোক দেখুওৱা।"

"মহাৰাজ, আপোনাৰ পিতাই সেই তৰোৱালৰ পৰা ৰত্ন উলিয়াই তাৰে গহণা আদি তৈয়াৰ কৰোৱাইছিল।" শম্ভুৱে বিনয়েৰে উত্তৰ দিলে।

সোধা-পোচা কৰাৰ পিছত এই কথা প্ৰমাণ হৈ পৰিল যে শম্ভুৱে যি কথা কৈছিল সেয়া সঁচা কথা। আন কেইবাটাও উৎসৰ পৰা তাৰ প্ৰমাণ পোৱা গ'ল। তেতিয়া ৰজাই সেই কৰ্মচাৰীসকলক কলে, "শম্ভু নিৰপৰাধী।"

"মহাৰাজ, আপুনি শম্ভুক কোষাগাৰত থকা সকলো বস্তুৰে তালিকা তৈয়াৰ কৰি আনিবলৈ কোৱা উচিত। পুৰণা তালিকাৰ লগত সেইখন মিলাই চালেই গম পোৱা যাব যে কোনবিলাক বস্তু ৰাজকোষত আছে আৰু কোনবিলাক নাই।" কৰ্মচাৰীসকলে পুণৰ মন্ত্ৰণা দিলে।

সেইমতেই ৰজাই শম্ভুক ৰাজকোষত থকা সকলো বস্তুৰে তালিকা প্ৰস্তুত কৰিবলৈ হুকুম দিলে। শম্ভুৱেও সকলো বস্তুৰে এখন তালিকা প্ৰস্তুত কৰি আনি ৰজাৰ হাতত অৰ্পণ কৰিলেহি। সেই তালিকা দেখাৰ লগে লগে ৰজাই ৰাজকোষত থকা সম্পদসমূহৰ বিষয়ে এক আভাস পালে। তাৰপিছত তেওঁ ৰাণীক লগত লৈ ৰাজকোষ পৰিদৰ্শন কৰিবলৈ আহিল।

ৰাজকোষ দেখি ৰজা বৰ আনন্দিত হ'ল। কিয়নো ৰাজকোষৰ প্ৰতিটো বস্তু সুন্দৰকৈ সজাই থোৱা আছিল।

যোৱাৰ আগতে ৰজাই শম্ভুৰ প্ৰসংশা

কৰিবলৈ লওতেই ৰজাৰ লগত যোৱা এজন কৰ্মচাৰীয়ে এখন দেৱালত থকা এটা দুৱাৰ দেখুৱাই কলে, ‘‘মহাৰাজ, এই দেৱালত কোনো সুৰংগ থকা যেন বোধ হৈছে। কোনে জানে সেই সুৰংগত কি আছে।’’

তাকে দেখি ৰজাই শম্ভুক সুধিলে, ‘‘সেই সুৰংগত কি বস্তু আছে? সেই বস্তু এই তালিকাত নাই কিয়?’’

‘‘মহাৰাজ, মোক ক্ষমা কৰিব। এই সুৰংগত যি বস্তু আছে, সেয়া মোৰ নিজৰ। সেয়া মোৰ বাবে অমূল্য। সেইবাবে সেই বস্তুৰ কথা মই এই তালিকাত উল্লেখ কৰা নাই।’’ শম্ভুৱে বিনয়েৰে কলে।

এইকথা শুনি ৰজাই চিন্তা কৰিলে যে কৰ্মচাৰীসকলে যি কৈছিল সেয়া হয়তো সঁচা। তেওঁ খঙেৰে কলে, ‘‘তোমাৰ ওপৰত মোৰ সন্দেহ হৈছে। প্ৰথমতে এই সুৰংগলৈ যাব পৰা দুৱাৰ খোলা।’’

ৰজাই আদেশ কৰাত শম্ভুৱে সেই দুৱাৰ খুলি দিলে। তাৰ ভিতৰত থকা এটা আলমীৰাত এখন গৰখীয়াৰ কম্বল, এযোৰ আধা ক্ষয় যোৱা চেণ্ডেল আৰু এটা বাঁহী দেখা পোৱা গ’ল।

ৰজাই আচৰিত হৈ সুধিলে, ‘‘এয়াই তোমাৰ অমূল্য সম্পত্তি?’’

‘‘হয় মহাৰাজ, আপোনাৰ পিতাই মোক চাকৰি দিয়াৰ আগতে এয়াই মোৰ সম্পত্তি আছিল। যেতিয়াৰ পৰা চাকৰি কৰিছো, তেতিয়াৰে পৰা সুখ কি বস্তু নাজানো। এইবিলাক সম্পত্তি যেতিয়া মই ব্যৱহাৰ কৰি আছিলো, তেতিয়ালৈকে মই সুখী আছিলো।’’ শম্ভুৱে কলে।

শম্ভুৰ কথা শুনি ৰজা বৰ প্ৰভাৱিত হ’ল। তেওঁ শম্ভুক বিশ্বাস কৰিবলৈ আৰম্ভ কৰিলে আৰু শম্ভুৰ বিপক্ষে কথা লগোৱা সকলো কৰ্মচাৰীক চাকৰিৰ পৰা খেদি দিলে।

দুটা গোপণ কথা

এয়া সেই সময়ৰ কথা, যেতিয়া জগতগুৰু আদি শংকৰাচাৰ্যই পদযাত্ৰা কৰি সমগ্ৰ বিশ্ব ভ্ৰমণ কৰি তেওঁৰ জ্ঞানৰ প্ৰচাৰ কৰি ফুৰিছিল। তেওঁক বহুটো লোকে ভগৱানৰ অৱতাৰ বুলি গণ্য কৰিছিল।

এবাৰ তেনে এটা যাত্ৰাত গুৰুৱে তেওঁৰ শিষ্যৰ লগত কাশীৰ ওচৰৰ এখন অৰণ্যৰ মাজেদি গৈ আছিল। লাহে লাহে আন্ধাৰ হৈ আহিছিল। কিছু দূৰত তেওঁলোকে বন্তিৰ পোহৰ দেখি গম পালে যে ওচৰতে এখন গাওঁ আছে। শংকৰাচাৰ্যই তেওঁৰ শিষ্যসকলক কলে যে সেই গাওঁ গৈ পোৱাৰ লগে লগে সকলোৱে ৰাতিটোৰ বাবে জিৰণি লব আৰু পিছদিনাখন ৰাতিপুৱা পুণৰ যাত্ৰা আৰম্ভ কৰিব। তাৰপিছত তেওঁলোকে গাওঁখনৰ দিশত আগবাঢ়িবলৈ ধৰিলে।

তেওঁলোকে গাওঁখনৰ কাষ চাপি যাবলৈ আৰম্ভ কৰাৰ লগে লগে গাৱঁৰ মানুহে গম পালে যে শংকৰাচাৰ্যই তেওঁলোকৰ গাওঁ ভ্ৰমণ কৰিবলৈ আহিছে। লগে লগে সকলো আহি গুৰু আৰু তেওঁৰ শিষ্যসকলক সম্ভাষণ জনালেহি। তেওঁলোকে হাতে হাতে বন্তি, ফুলৰ মালা লৈ ধৰ্মীয় গীত গাই গাই আহিছিল। সকলোকে লৈ গৈ তেওঁলোকে গাৱঁৰ এটা কুটীৰত থাকিবলৈ দিলে আৰু খাবৰ বাবে গাখীৰ আৰু ফলমূল অৰ্পণ কৰিলে। গুৰুক সৎকাৰ কৰাৰ এই সুবিধা এৰি নিদি গোটেই ৰাতি গাঁৱৰ লোকসকলে গুৰুৰ আলপৈচান ধৰি কটালে।

পিছদিনা ৰাতিপুৱা গুৰুৱে গাঁৱৰ প্ৰতিঘৰলৈ গ'ল। তেওঁ দেখিলে সকলোৱে তেওঁলোকৰ গৰুক ভালক ৰাখে। সকলোৰে ঘৰত তুলসী গছ আছে আৰু তাত নিয়মিত পুজা কৰা হয়। গাঁৱৰ ৰাজহুৱা স্থানসমূহত

এম লক্ষ্মী নাৰায়ণ

বৈদিক শ্লোকসমূহ পাঠ কৰা হয়। তেওঁৰ অনুভৱ হ'ল যে গাঁৱৰ মানুহবিলাকে শুদ্ধ জীৱন যাপন কৰিছে। তেওঁ বৰ সুখী হ'ল। তেওঁ সকলোকে আশীৰ্বাদ দিলে আৰু পুণৰ যাত্ৰা আৰম্ভ কৰিলে।

গাঁৱৰ পৰা অলপ দূৰ গৈ তেওঁ উভতি চালে। তাৰপিছত তেওঁ আশীৰ্বাদ দিয়াৰ সুৰত কলে, "এই গাঁৱৰ প্ৰতিটো ঘৰেই চাৰিওদিশত সিঁচৰতি হৈ পৰক।"

তেওঁৰ কথা শুনি সকলো শিষ্য আঁচৰিত হ'ল। কিন্তু কোনেও গুৰুক একো সুধিবলৈ সাহস নকৰিলে। গতিকে তেওঁলোক মনে মনে গৈ থাকিল।

তাৰপিছত তেওঁলোক পুণৰ এখন অৰণ্যৰ মাজেদি যাত্ৰা কৰিবলগীয়া হ'ল। সন্ধিয়া হৈ আহিলত এটা সৰু টিলাৰ ওপৰৰ পৰা ইফালে সিফালে চাই কাষতে এখন গাওঁ দেখা পালে। শংকৰাচাৰ্যই শিষ্যসকলক লৈ সেই দিশত আগবাঢ়িল আৰু অলপ পিছতে সেই গাওঁ পালেগৈ।

সেই গাওঁ পোৱাৰ পিছত জগতগুৰু এজোপা বটগছৰ তলত বহি পৰিল। দেখা পোৱা গ'ল যে সেই গাৱঁৰ লোকসকল ধৰ্ম-কৰ্ম সম্বন্ধে অজ্ঞানী।

বিশ্ববিখ্যাত গুৰু শংকৰাচাৰ্য গাঁৱলৈ আহিলতো গাঁৱৰ কোনোৱেই তেওঁক লক্ষ্য নকৰিলে। বহুলোক সেই গছৰ কাষেদিয়েই পাৰ হৈ গ'ল, আন কিছুমানে মাদকদ্ৰব্য সেৱন কৰি পথত ঘূৰি ফুৰিছিল। কিছুমানে গুৰু আৰু তেওঁৰ শিষ্যসকলক লৈ কৌতুক কৰিবলৈ ধৰিলে। তেওঁলোক সেই বটগছজোপাৰ তলতে

বহি ৰ'ল। কোনোৱেই তেওঁলোকক আনকি পানীও নিদিলে, বাকী খাদ্য-বস্তুৰ কথা বাদেই। সেই লোকসকলৰ এনে ব্যৱহাৰ দেখি শিষ্যসকল খং খাই উঠিল। কিন্তু জগতগুৰুৱে তেওঁলোকক বুজাই-বঢ়াই শান্ত হৈ থাকিবলৈ কলে আৰু ৰাতিটো তাতে কটালে। পিছদিনা ৰাতিপুৱাই তেওঁলোকে সেই গাওঁ এৰি নিজৰ পথ ধৰিলে।

গাঁৱৰ পৰা অলপ দূৰ গৈ গুৰু থমকি ৰ'ল আৰু সেই গাওঁখনলৈ উভতি চালে। তাৰপিছত তেওঁ গাঁৱৰ লোকসকলক আশীৰ্বাদ দি কলে, "এই গাঁৱৰ সকলো লোক ইয়াতে চিৰকাল নিজৰ মাজতে সমিলমিলেৰে থাকক।" তাৰপিছত তেওঁ পুণৰ যাত্ৰা আৰম্ভ কৰিলে।

জগতগুৰুৰ শিষ্যসকল আকৌ এবাৰ অবাক হ'ল। সকলোৱে ভাৱিলে, 'যিসকল লোকে

গুৰুক ভক্তি কৰি সৎকাৰ কৰিলে, সেইসকলক গুৰুৱে সিঁচৰতি হৈ পৰিবলৈ আশীৰ্বাদ দিলে। আনহাতে যিসকলে গুৰুক কোনো ভক্তি প্ৰদৰ্শন নকৰিলে তেওঁলোকক গুৰুৱে নিজৰ ভিতৰতে সমিলমিলেৰে চিৰদিন বাস কৰিবলৈ আশীৰ্বাদ দিলে। গুৰুৰ এনে আশীৰ্বাদৰ ৰহস্য কি হব পাৰে? তেওঁলোকে তাৰ একো কাৰণ ভাৱি উলিয়াব নোৱাৰিলে।''

জগতগুৰুৱে শিষ্যসকলৰ মনৰ কথা বুজিব পাৰিলে। তেওঁ হাঁহি এটা মাৰি কলে, ''দুয়োখন গাঁৱৰ লোকক মই দিয়া আশীৰ্বাদে নিশ্চয় তোমালোকক দোধোৰ-মোধোৰ অৱস্থাত পেলাইছে। ঠিক আছে মই সেই কথা তোমালোকক ভাঙি পাতি কম বাৰু।'' এইবুলি গুৰুৱে নিজে এজোপা গছৰ তলত বহি পৰিল আৰু সকলো শিষ্যকে সেইজোপা গছৰ ছাঁত বহিবলৈ কলে। তাৰপিছত তেওঁ সকলো শিষ্যক উদ্দেশি কবলৈ ধৰিলে, ''শুনা, শিষ্যসকল, প্ৰথমখন গাঁৱত আমি সকলোৱেই গাওঁবাসীৰ পৰা সীমাহীন শ্ৰদ্ধা আৰু সৎকাৰ লাভ কৰিলো। সেইবাবেই মই তেওঁলোকক গোটেই পৃথিবীতে সিঁচৰতি হৈ পৰিবলৈ আশীৰ্বাদ দিলো। মই বিশ্বাস কৰো যে যদি সেইসকল সৎ আৰু ভক্তিৱান লোক চাৰিওফালে বিয়পি পৰে, তেতিয়াহলে তেওঁলোকৰ লগতে সৎ মূল্যবোধো চাৰিওফালে বিয়পি পৰিব। সেইবাবেই মই কৈছিলো যে তেওঁলোক চাৰিওফালে সিঁচৰতি হৈ পৰক।'' এইবুলি কৈ গুৰুৱে হাঁহি এটা মাৰি পুণৰ কলে, ''তাৰপিছত আহো দ্বিতীয়খন গাঁৱৰ কথালৈ। সেই গাঁৱত মানুহে অতিথিক সৎকাৰ কৰাৰ কোনো ইচ্ছা প্ৰদৰ্শন নকৰিলে। সৎকাৰ কৰাটো বাদেই, মাত এষাৰো নিদিলে। তেওঁলোকে মাদক দ্ৰব্য আদি পান কৰে আৰু সকলোৱেই প্ৰয়োজনীয় সামাজিক মূল্যবোধসমূহ পাহৰি পেলাইছে। তেনে লোক যলৈকে যাব, তাৰেই পৰিবেশ নষ্ট কৰি পেলাব। সেইবাবেই মই তেওঁলোকক নিজৰ মাজতে চিৰদিন সমিলমিলেৰে বাস কৰি থাকিবলৈ আশীৰ্বাদ দিলো।''

গুৰুৰ আশীৰ্বাদৰ ৰহস্য বুজি পোৱাত শিষ্যসকলৰ মুখত হাঁহি বিৰিঙি উঠিল।



সঁচা শলাগণি

এবাৰ ৰজা হেমচন্দ্ৰই দুজন কবিৰ আগত তেওঁৰ কাব্য 'সুজনৰঞ্জিতম' পাঠ কৰাৰ পিছত মন্তব্য বিচাৰিলে। তাৰে এজন কবি শিৱনাথে ৰজাৰ প্ৰশংসা কৰি কলে, "মহাৰাজৰ নাম নিশ্চয়কৈ মহান কবিসকলৰ পৰ্যায়ত লোৱা উচিত। আপোনাৰ কবিতাই মোক মহাৰাজ শ্ৰীকৃষ্ণ দেৱৰায়ৰ কথা মনত পেলাই দিছে।"

আনজন কবি সুৰকিৰ্তীয়ে কলে, "মহাৰাজ, মোৰ বোধেৰে আপোনাৰ কবিতা উচিত বৰ্ণনাৰে সমৃদ্ধ আৰু ব্যায়াকৰণিক ত্ৰুতিহীন।"

ৰজা হেমচন্দ্ৰই দুয়োজন কবিকে তেওঁলোকৰ মতামতৰ বাবে ধন্যবাদ জনালে আৰু তাৰপিছত দুয়োজনকে উচিতভাৱে পুৰস্কৃত কৰিবৰ বাবে মন্ত্ৰীক নিৰ্দেশ দিলে। মন্ত্ৰীয়ে এখন ৰূপৰ কাঁহীত তামোল–পানৰে সৈতে এশ সোণৰ মোহৰ ৰাখি সেয়া সুৰকিৰ্তীক দিবৰ বাবে ৰজাক অনুৰোধ কৰিলে। তাৰপিছত তেওঁ এখন কাঁহৰ কাহীত কেৱল তামোল–পান ৰাখি সেয়া শিৱনাথক দিবৰ বাবে ৰজালৈ আগবঢ়াই দিলে। ৰজাই মন্ত্ৰীক সুধিলে, "আমি কবি শিৱনাথক উপযুক্তভাৱে পুৰস্কৃত কৰিছোনে?"

মন্ত্ৰীয়ে উত্তৰ দিয়াৰ আগতেই শিৱনাথে কলে, "মহাৰাজ, মই আপোনাক তোষামোদ কৰিছিলো, আনহাতে সুৰকিৰ্তীয়ে দিয়া ব্যাখ্যা কবিসুলভ আছিল। সেইফালৰ পৰা তেওঁ সঁচা শলাগণি আগবঢ়াইছিল। মই ভাৱো যে মন্ত্ৰী ডাঙৰীয়াই তেওঁৰ ব্যৱহাৰৰ যোগেদি সঁচা শলাগণি আৰু তোষামোদৰ পাৰ্থক্য দাঙি ধৰিবলৈ চেষ্টা কৰিছে।"

কবিৰ কথা শুনি ৰজাই মন্ত্ৰীৰ শলাগ লৈ কলে, "কবি শিৱনাথকো সুৰকিৰ্তীক প্ৰদান কৰা পুৰস্কাৰ প্ৰদান কৰা হওক। এই পুৰস্কাৰ তেওঁৰ সঁচা শলাগণিৰ বাবে নহয়, বৰঞ্চ সৎ স্বভাৱ আৰু সত্যবাদিতাৰ বাবেহে।"

– জোন্নালগড্ডা বত্ন

নিকা মনৰ মানুহ

"খুৰাদেউ, এই চিঠিখন চাওক।" এটা লেফাফা ৰামচন্দ্ৰলৈ আগবঢ়াই দি শেখৰে কলে। "ভাৰতীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এটা বিজ্ঞান শিক্ষকৰ সাক্ষাৎকাৰত বহিবলৈ আমন্ত্ৰণ জনাই প্ৰেৰণ কৰা চিঠি। এয়া মোক ভগৱানে প্ৰদান কৰা সুযোগ। আপুনি সহায় কৰিলে মই নিশ্চয়কৈ এই চাকৰিটো লাভ কৰিম। আপোনাৰ লগত স্কুলৰ অধ্যক্ষৰ বৰ ভাল নহয় জানো। আপুনি কেৱল তেওঁক মোৰ কথা এবাৰ কৈ দিলেই হব।"

"শেখৰ, তুমি এবাৰ কৈ একো লাভ কৰিব নোৱাৰা। তুমি কিবা বেছ মূল্যৱান বস্তু দিব লাগিব। আজিকালি দিন আগৰ দৰে হৈ থকা নাই। বহু বদলি হ'ল। বুজিছানে মই কি কৈছো?" খুৰায়েক ৰামচন্দ্ৰই কলে।

"মই বুজিছো খুৰাদেউ। মই এই চাকৰিটো লাভ কৰিবৰ বাবে উপযুক্ত পৰিমাণৰ টকা দিবলৈ ৰাজী আছো।" শেখৰে কলে।

"শেখৰ, তুমি মই ভৱাতকৈ বেছি বুদ্ধিয়ক।" এইবুলি কৈ খুৰায়েকে হাঁহি এটা মাৰি আঁতৰি গ'ল।

পিছদিনাখনেই ৰামচন্দ্ৰই স্কুলৰ অধ্যক্ষক লগ ধৰি শেখৰৰ বিষয়ে কলে। তাৰপিছত তেওঁ শেখৰক কলে যে তেওঁ ইতিমধ্যেই স্কুলৰ অধ্যক্ষৰ কথা পাতিছে আৰু চাকৰিটো লোৱাৰ বাবে শেখৰে প্ৰয়োজনীয় যো-জা কৰাটো আৰম্ভ কৰিব পাৰে। এই কথা শুনি শেখৰ অতি আনন্দিত হ'ল।

অৱশেষত সাক্ষাৎকাৰৰ দিন আহি পালে। সাক্ষাৎকাৰত বহিবৰ বাবে কেইবাজনো প্ৰাৰ্থী আহি গোট খালে। তেওঁলোকৰ লগত কথা পাতি শেখৰে গম পালে যে কেইবাজনো প্ৰাৰ্থীৰ লগত হাতদীঘল ব্যক্তিৰ সমৰ্থন আছে। তেওঁ

ডি জানকী

এনে এক কঠিন প্ৰতিযোগিতা একেবাৰে আশা কৰা নাছিল। তেওঁ ততাতৈয়াকৈ মোবাইল ফোনৰ জৰিয়তে ৰামচন্দ্ৰৰ লগত যোগাযোগ কৰিলে আৰু জনালে যে তেওঁ চাকৰিটোৰ বাবে এক লাখ টকা দিবলৈ ৰাজী আছে। তেওঁ ৰামচন্দ্ৰক অধ্যক্ষ আৰু সাক্ষাৎ গ্ৰহণকাৰীসকলৰ লগত কথা পাতিবলৈ অনুৰোধ কৰিলে। শেখৰৰ কথামতেই ৰামচন্দ্ৰই এই প্ৰস্তাৱ অধ্যক্ষ আৰু সাক্ষাৎগ্ৰহণকাৰী সকলক ফোনৰ যোগেদি জনাই দিলে।

কিন্তু ইমানখিনি কৰাৰ পিছতো কোনো ফল নধৰিল। শেখৰে চাকৰিটো নাপালে। চাকৰিটো লাভ কৰিলে অৰবিন্দ নামৰ যুৱকজনে। আচৰ্যজনকভাৱে তেওঁৰ নাম কোনো হাতদীঘল ব্যক্তিয়ে প্ৰস্তাৱ কৰা নাছিল।

শেখৰ আঁচৰিত হ'ল। সি ভাৱিলে যে অধ্যক্ষ কেনে মানুহ। এক লাখ টকা দিয়া স্বত্বেও তেওঁক চাকৰিটো নিদিলে। তেওঁ আকৌ ৰামচন্দ্ৰক ফোন কৰিলে। তেওঁৰ পৰামৰ্শ বিবেচনা নকৰাৰ বাবে স্কুলৰ অধ্যক্ষৰ ওপৰত ৰামচন্দ্ৰৰো খং উঠিল। দুয়ো অধ্যক্ষক লগ ধৰিবলৈ গ'ল।

তেওঁলোকক অধ্যক্ষই স্পষ্ট ভাষাৰে কলে, ''ডাঙৰীয়া। এইখন এখন স্কুল, বজাৰ নহয়। ইয়াত আপুনি টকাৰে একো কিনিব নোৱাৰে। আপুনি স্কুলৰ দৰে পৱিত্ৰ ঠাইত এক অপৱিত্ৰ কাম কৰিব বিচাৰিছিল। কিন্তু আমি নিজকে বিক্ৰী কৰি নিদিলো। ইয়াত শিক্ষকে ছাত্ৰৰ মাজত জ্ঞান বিতৰণ কৰে, সততাৰ বীজ সিঁচি দিয়ে। এই কাম কেৱল এজন সৎ শিক্ষকেহে ভালদৰে কৰিব পাৰে। ঘোচ দিব বিচৰা এজনে এই কাম কৰিব নোৱাৰে, বৰঞ্চ তেওঁ স্কুলৰ পৱিত্ৰতাহে নষ্ট কৰে। কেইবাজনো দূৰ্নীতিপৰায়ণ প্ৰাৰ্থীৰ সাক্ষাৎকাৰ লোৱাৰ পিছত আমি গম পালো যে অৰবিন্দ এজন মেধাৱী যুৱকেই নহয়, এজন নিকা মনৰ মানুহো। সেইবাবে আমি সেই নিকা যুৱকজনক শিক্ষকৰ পদৰ বাবে বাছনি কৰিলো।''

স্কুলৰ অধ্যক্ষৰ কথা শুনি ৰামচন্দ্ৰ আৰু শেখৰৰ মুখৰ মাত সৰিল। ইজনে সিজনৰ মুখলৈ চাব নোৱাৰা হল। তাৰপিছত লাজত মূৰ তল কৰি দুয়ো মনে মনে অধ্যক্ষৰ কোঠাৰ পৰা বাহিৰলৈ ওলাই আহিল।

কৰ্মী

ৰামচন্দ্ৰ আছিল এজন ধনী খেতিয়ক আৰু ৰাঘৱপুৰত তেওঁৰ ২০০ পুৰা মান মাটি আছিল। ৰামচন্দ্ৰই গছ-গছনি বৰ ভাল পাইছিল। তেওঁৰ ঘৰৰ চাৰিওদিশে বহু গছ-গছনি আছিল আৰু ঘৰৰ সন্মুখত এখন ডাঙৰ বাগিছা আছিল। বীৰ নামৰ এজন মালীয়ে সেই বাগিছাৰ চোৱা-চিতা কৰিছিল। কিন্তু বীৰৰ বয়স হৈ অহাত তেওঁ ভালদৰে কাম-কাজ কৰিব নোৱাৰা হৈ আহিল। ফলত ৰামচন্দ্ৰক আন এজন মালীৰ প্ৰয়োজন হ'ল। তেওঁ মালী বিচাৰি বিজ্ঞাপন দিয়াত জগত আৰু মুৰুলী নামৰ দুজন যুৱকে চাকৰিটোৰ বাবে আবেদন কৰিলে। তেওঁ দুয়োজনকে পিছদিনাখন ৰাতিপুৱা তেওঁক লগ ধৰিবলৈ কলে, কিয়নো সেইদিনা কিবা কাৰণত তেওঁ চহৰলৈ যাবলগীয়া আছিল। চহৰৰ কাম সমাপ্ত কৰি সেইদিনা ঘূৰি আহি ঘৰৰ ওচৰ পাওতে তেওঁ লক্ষ্য কৰিলে যে ৰামচন্দ্ৰৰ ঘৰলৈ যোৱা পথটো জগতে চাফা কৰি আছে। তেতিয়া দুপৰীয়া আছিল। তাকে দেখি ৰামচন্দ্ৰই তাতে ৰৈ জগতক সুধিলে, ''এতিয়া বৰ গৰম। মই তোমাক কালিলৈ ৰাতিপুৱাহে আহি লগ কৰিবলৈ কৈছিলো। এই গৰমত তুমি ইয়াত কি কৰি আছা?''

জগতে নম্ৰভাৱে উত্তৰ দিলে, ''আজি পুৱা যেতিয়া আপুনি চহৰলৈ গৈছিল, তেতিয়া মই লক্ষ্য কৰিছিলো যে এই সৰু শিলগুটিবিলাকৰ ওপৰত ঠেং পৰাত আপোনাৰ গাড়ীৰ ঘোঁৰা কেইটাই ভাৰসাম্য হেৰুৱাই পেলাও যেন হৈছিল। সেইবাবেই মই এইবিলাক চাফা কৰি আছো।'' জগতৰ কথাত ৰামচন্দ্ৰ আঁচাৰিত হ'ল। তেওঁ ভাৱিলে, 'কেৱল এজন সৎ কৰ্মীয়েহে এনে কাম কৰিব পাৰে। জগত তেওঁৰ কৰ্মৰ প্ৰতি নিশ্চয়কৈ নিষ্ঠাৱান। গতিকে মালীৰ কামৰ বাবে জগতেই উপযুক্ত।'

এই ভাৱি ৰামচন্দ্ৰই জগতক মালীৰ কামত নিযুক্তি দিলে। *–জি প্ৰিয়া ৰাণী*





শিথিলালয় – ২৭

(বৃশ্চিকৰ দ্বীপলৈ যাত্রা কৰোতে পথত শিখিমুখী আৰু তেওঁৰ দলে জংঘলাক লগ পালে। জংঘলাই কলে যে তাক পুজাৰীয়ে বধ কৰিব খুজিছিল যদিও কোনোমতে প্রাণ ৰক্ষা কৰিলে। শিখিমুখীহতে জংঘলাক লগ দিলে। সূর্যোদয়ৰ লগে লগে সকলো ৰাওনা হ'ল। কিছুদূৰ আগুৱাই যোৱাত পুজাৰী আৰু তেওঁৰ দলৰ নাওঁ দেখা পোৱা গ'ল। বিক্রমে পুজাৰীলৈ লক্ষ্য কৰি তীৰ নিক্ষেপ কৰিলে। তাৰপিছত...)

বিক্রমকেশৰীয়ে পুজাৰীলৈ লক্ষ্য কৰি যি তীৰ নিক্ষেপ কৰিলে, সেয়া পুজাৰীৰ নাৱৰ কাষ চাপিবগৈ নোৱাৰিলে। জল-জন্তুৱে পানীত বিশাল তৰংগৰ সৃষ্টি কৰা বাবে পুজাৰীৰ নাও ঢলং-ধপং কৰিবলৈ ধৰিলে।

জল-জন্তুৱে এটা মানুহ জীয়াই জীয়াই খোৱাৰ পিছত তাৰ দেহ গধুৰ হৈ পৰিল আৰু সেইবাবে গতি কমি গ'ল। এক-দুই মিনিটমান সময় পাৰ হৈ গ'ল। জল-জন্তুৱে বৈ ডিঙি মেলি চাৰিওফালে এবাৰ চালে।

তাৰ দৃষ্টিৰ পৰা ৰক্ষা পাবৰ বাবে শিখিমুখী আৰু তেওঁৰ দল জোপোহাৰ আঁৰত লুকাই পৰিল। লাল কুকুৰে যাতে নুভুকে তাৰ বাবে শিখিয়ে তাৰ পিঠিত হাত ফুৰাবলৈ ধৰিলে। তেওঁলোকৰ এই ভয় আছিল যে জল-জন্তুৱে তেওঁলোকৰ নাও ডুবাই দিব পাৰে। তেনে হলে সেই নির্জন দ্বীপত তেওঁলোকে অসহায় স্থিতিত সময় কটাবলগীয়া হব।

লাহে লাহে শিথিলালয়ৰ পুজাৰীৰ নাও আগুৱাই গৈ আন এটা দ্বীপৰ আঁৰ

দাসৰি সুব্রমন্যাম

হৈ পৰিল। জল-জন্তুৱে ইফালে সিফালে চাই অলপ সময় তাতে ৰ'ল। তাৰপিছত আন এটা দ্বীপৰ ফালে লাহে লাহে গুচি গ'ল। সি যোৱাৰ পিছত শিখিমুখী আৰু তেওঁৰ দল আহি নাৱত বহিল আৰু নাও বাই তাৰ পৰা আঁতৰি গ'ল।

শিখিমুখী আৰু তেওঁৰ দল বেলেগ এটা ৰাস্তাৰে যাত্ৰা কৰিলে। গতিকে তেওঁলোকৰ মনত জল-জন্তুৰ ভয় নাথাকিল। কিন্তু তেওঁলোক শংকিত হ'ল আন এটা কাৰণত। সেয়া হ'ল পুজাৰীয়ে তেওঁলোকৰ আগমণৰ কথা গম পাই গ'ল।

যাত্ৰা আৰম্ভ কৰিয়েই শিখিমুখীয়ে তেওঁৰ দলৰ সকলোকে কলে, "তোমালোক সকলোৰে এই কথা বুজি পাইছা যে বৃশ্চিকৰ দ্বীপলৈ যাবৰ বাবে বহু বিপদ-বিঘিনি অতিক্ৰম কৰিব লাগিব। যিকোনো প্ৰকাৰে মই আৰু বিক্ৰম তালৈ যাব বিচাৰো। যদি বাকীলোকৰ ভিতৰত কোনোবাই যাব খোজা নাই, তেন্তে আমি জোৰ কৰি লৈ নাযাও। তেওঁলোকক ইয়াতে নমাই থৈ প্ৰয়োজনীয় খাদ্য বস্তু দি থৈ যাম। আমি উভটি আহোতে পুণৰ তেওঁলোকক নাৱত তুলি লৈ যাম।"

শিখিমুখীৰ কথা শুনি সকলো লোক অলপ সময়ৰ বাবে অবাক হল। নাগসোম, অজিত, বীৰভদ্ৰৰ লগতে লেঙেৰা জংঘলাই একে সুৰতে কলে যে যিমানেই কঠিন পৰিস্থিতিৰ মুখামুখি হব লগীয়া নহওক কিয়, তেওঁলোক শিখিমুখী আৰু বিক্ৰমৰ লগত বৃশ্চিকৰ দ্বীপলৈ যাব। জংঘলাই কলে যে সি দুষ্ট পুজাৰীক নাশ কৰিব বিচাৰে। সেয়া কৰিব পাৰিলেহে তাৰ মনত শান্তি হব। তাৰ বাবে প্ৰয়োজন হলে সি অকলে বৃশ্চিকৰ দ্বীপলৈ যাবলৈ তৈয়াৰ হৈ আছে।

দলৰ সদস্যসকলৰ এনে সাহস আৰু বীৰতা দেখি শিখিমুখী বৰ সুখী হ'ল। নাৱে ইতিমধ্যেই যাত্ৰা আৰম্ভ কৰিছিল। বতাহো যাত্ৰাৰ অনুকুল আছিল। গতিকে নাৱৰ পাল তৰি দিয়া হ'ল। আগে আগে গৈ থকা পুজাৰীৰ নাও দেখা পোৱা যায় নেকি তাৰ গম-গতি লবৰ বাবে

সকলোৱে নাৱৰ তিনিওদিশে ভালদৰে লক্ষ্য কৰিলে। কিন্তু পুজাৰীৰ নাওঁ কাৰো চকুতেই নপৰিল। এইদৰে কিছুদূৰ যাত্ৰা কৰাৰ পিছত বেলি ডুবিবৰ সময় হ'লহি। শিখিমুখীয়ে এটা দ্বীপত নাওঁ লগাবলৈ কলে। নাওঁ পাৰলৈ লগাই ৰচীৰে পাৰত থকা গছত বান্ধি দিলে যাতে নাওঁ পানীত ভাঁহি আঁতৰি যাব নোৱাৰে। তাৰপিছত সকলোটিয়ে মিলি ৰাতিৰ সাজ খোৱাৰ প্ৰবন্ধ কৰিবলৈ ধৰিলে।

আহাৰ ৰন্ধাৰ পিছত সকলোৱে মিলি ৰাতিৰ আহাৰ খালে। সেই দ্বীপত তেওঁলোকে ঘঁৰিয়ালৰ কোনো চিন-চাব নেদেখিলে। কিন্তু গছবিলাকৰ ডালত অসংখ্য জল-পক্ষী বহি আছিল। ৰাতি হোৱাৰ লগে লগে সিবিলাকে জোৰেৰে কলৰব কৰিবলৈ ধৰিলে। সেই শব্দত টোপনী আহাত বাধা জন্মিল।

শিখিমুখী আৰু তেওঁৰ দলে জুই জ্বলাই কথা-বতৰা পাতিবলৈ ধৰিলে। এইদৰে অলপ সময় ধৰি কথা পতাৰ পিছত সকলোলোক জুইকুৰাৰ চাৰিওফালে টোপনী গ'ল।

দ্বিতীয় প্ৰহৰত পহৰা দিয়াৰ দ্বায়িত্ব আছিল নাগসোমৰ। নাগসোমে এবাৰ নাও কেইখনৰ ওচৰলৈ গৈ ঠিকে ঠাকে আছেনে নাই চাই আহিলেগৈ। তাৰপিছত পুণৰ জুইৰ কাষতে বহিলহি। লালকুকুৰো জুইৰ ওচৰতে বহি আছিল।

হঠাৎ লাল কুকুৰে নাৱৰ ফালে চালে। এখোজ আগবাঢ়ি সি ভুকি উঠিল। লগে লগে নাগসোমেও সেইফালে চালে। তেওঁৰ এনে লাগিল যে এখন নাওঁ পাৰৰ পৰা অলপ আঁতৰি গৈ মাজে মাজে আনখনত খুন্দিয়াই আছে।

নাগসোমে লাল কুকুৰৰ মূৰত হাত ফুৰাই দিলে যাতে সি ভুকিবলৈ বন্ধ কৰে। আনখন হাতেৰে সি যাঠিডাল জোৰকৈ খামোচ্ মাৰি ধৰিলে। তাৰপিছত লাহে লাগে নাৱৰ ফালে আগুৱাই যাবলৈ ধৰিলে।

নাগসোমৰ এনে লাগিল যে নাৱৰ তলত হয়তো ঘঁৰিয়াল আছে। পিছমূহূৰ্ততে তেওঁৰ সন্দেহ হ'ল যে এয়া


CHITRA

নিশ্চয় শত্ৰুৰ কাম। নিশ্চয় নাওঁ ফুটা কৰিবৰ বাবে নতুবা নাওঁ চুৰ কৰিবলৈ আহিছে।

তেওঁ লাল কুকুৰক এৰি লাহে লাহে পানীলৈ নামি গ'ল আৰু নাৱৰ কাষ পালেগৈ। তেওঁ জাপ মাৰি নাৱত উঠি পৰিল। নাওঁ লৰিবলৈ আৰম্ভ কৰিলে। লগে লগে নাৱৰ তলৰ পৰা এটা কলা আকৃতি বাহিৰ হ'ল। নাগসোমে সেই কলা আকৃতিলৈ লক্ষ্য কৰি তৎক্ষণাত হাতৰ যাঠিডাল নিক্ষেপ কৰিলে। কলা আকৃতিয়েও নিজৰ যাঠি ডাল নাগসোমলৈ লক্ষ্য কৰি নিক্ষেপ কৰিলে।

শত্ৰুৱে নিক্ষেপ কৰা যাঠিডাল নাগসোমৰ গাত নালাগিল। সেইডাল গৈ নাৱৰ কিনাৰত লাগিলগৈ। কিন্তু নাগসোমৰ যাঠিডালে শত্ৰুক পিঠিয়েদি শালি পেলালে। তাকে দেখি নাগসোমে নাৱৰ পৰা জপিয়াই পানীত নামিল আৰু শত্ৰুক ধৰি পাৰলৈ লৈ আহিল। পাৰ পাই তেওঁ জোৰেৰে চিঞৰিবলৈ ধৰিলে, ''শত্ৰু ধৰা পৰিল। সকলো উঠা।''

নাগসোমৰ চিঞৰ শুনি শিখিমুখী আদিৰ টোপনী ভাগি গ'ল আৰু সকলো নাগসোমৰ ওচৰলৈ লৰ ধৰিলে। তেওঁলোকে দেখিলে যে নাগসোমৰ যাঠিয়ে শত্ৰুক পিঠিয়েদি শালি পেলাইছে। সি বিষত কেঁকাই আছে। জোৰৰ পোহৰত শিখিমুখীয়ে সেই শত্ৰুৰ মুখখন চালে।

সি সৰৱ গাৱৰ কাষত থকা জংঘলত মানুহক ডকাইতি কৰা দলৰ এজন আছিল। সিঁহত পুজাৰীৰ দলৰ লগ হৈ গোলভৰালৈ আহিছিল।

নাগসোমে সকলো কথা শিখিমুখীক বিৱৰি কলে। তেতিয়া শিখিমুখীয়ে সেই শত্ৰুক কলে, ''তুমি যি কৰ্ম কৰিছিলা, তাৰ বাবে উচিত শাস্তি লাভ কৰিছা। মৰাৰ আগত তুমি সঁচা কথা কোৱা। তুমি আমাৰ নাৱত ফুটা কৰিবলৈ আহিছিলা নেকি? আৰু এই কথাও কোৱা যে পুজাৰীয়ে কোনটো দ্বীপত শিবিৰ পাতিছে।''

শত্ৰুৱে বিষত পুণৰ এবাৰ কেঁকাই উঠিল। মূৰ দুপিয়াই হয়ভৰ দি প্ৰথমটো

প্রশ্নৰ উত্তৰ দিলে। তাৰপিছত দ্বিতীয়টো প্রশ্নৰ উত্তৰত কাষতে থকা আন এটা দ্বীপলৈ আঙুলিয়াই দেখুৱালে।

শিখিমুখীয়ে নাগসোমক ইংগিত দিয়াত শত্রুৰ পিঠিৰ পৰা যাঠিডাল উলিয়াই দিলে। খন্তেক সময় কেঁকোৱাৰ পিছত শত্রুৰ মৃত্যু হ'ল।

''শিখি, যিদৰে পুজাৰীয়ে গোলভৰা গাৱলৈকে আমাৰ পিছ লৈ আহিছিল, সেই একেদৰেই বৃশ্চিক দ্বীপলৈকে আমাৰ পিছ লৈ আছে।'' বিক্রমকেশৰীয়ে কলে।

''পুজাৰীয়ে এনেয়ে আমাৰ পিছ লোৱা নাই। সি আমাক বৃশ্চিকৰ দ্বীপ গৈ পোৱাৰ আগতেই হত্যা কৰিব খুজিছে। সি ভাবিছে যে যদি আমাৰ নাৱত ফুটা কৰি এই নদীত ডুবাই দিয়ে, তেন্তে আমি এই দ্বীপতে আৱদ্ধ হৈ মৃত্যু মুখত পৰিম। যি কি নহওক, আমি পুজাৰীৰ পৰা আমাৰ নাওঁ কেইখন নিৰাপদে ৰাখিবৰ বাবে ভালদৰে পহৰা দিব লাগিব।'' শিখিমুখীয়ে সকলোলৈকে চাই কলে।

শিখিৰ কথাত হয়ভৰ দিয়াৰ পিছত নাগসোমে কলে যে সেই ৰাতিয়েই পুজাৰীয়ে শিৱিৰ পতা দ্বীপটোলৈ গৈ পুজাৰী আৰু তাৰ দলক নিশেষ কৰা উচিত হব। কিন্তু শিখিমুখীয়ে সেই কথাৰ বিৰোধিতা কৰি কলে, ''এইটো দুঃসাহসৰ কথা হব। গছৰ আঁৰ লৈ পুজাৰী আৰু তেওঁৰ দলে আমাৰ ওপৰত প্রতি আক্রমণ চলালে আমি কি কৰিম? পুজাৰী বৰ নোম টেঁঙৰ আৰু দগাবাজ লোক। কব নোৱাৰি যে সি আমাক ফান্দত পেলাবলৈ কি জাল পাতি থব। বৃশ্চিকৰ দ্বীপ পোৱাৰ আগতেই আমাক হত্যা কৰি সকলো সা-সম্পত্তি অকলে হাত কৰিব বিচাৰিছে। তাৰপত্রও তাৰ লগতে আছে। কেৱল আমিহে তাৰ বাটৰ কাইট হৈ পদে পদে বাধাৰ সৃষ্টি কৰি আছো। মোৰ বোধেৰে আমাক ৰাস্তাৰ পৰা আঁতৰ কৰিবৰ বাবে সি যিকোনো পন্থা অৱলম্বন কৰিবলৈ সাজু হৈ আছ। সেইবাবে আমি সকলো সতর্ক হৈ থকাটোৱেই উচিত হব।''

এই ঘটনাৰ পিছত ৰাতিটো সুকলমে পাৰ হৈ গ'ল। আন কোনো বিপদে তেওঁলোকক আমনি নকৰিলে।

ৰাতিপুৱাৰ লগে লগে সকলো শোৱাৰ পৰা উঠিল। অলপ সময়ৰ ভিতৰতে সকলো যাত্ৰাৰ বাবে সাজু হৈ উঠিল। তাৰপিছত যাত্ৰা কৰি ৰাতি যাঠীৰে বিদ্ধ হোৱা শত্ৰুৰ সংকেট অনুসাৰে সেই নিৰ্দিষ্ট দ্বীপটোত উপস্থিত হ'ল। বহু বিচৰাৰ পিছত তেওঁলোকে পুজাৰীৰ দলে ৰাতি জুই জ্বলোৱা কাঠ আদি বিচাৰি পালে।

পুজাৰী আৰু তাৰ দলক বিচাৰি নেপাই সেই দ্বীপত পলম নকৰি শিখিমুখী আৰু তেওঁৰ দলে যাত্ৰা আৰম্ভ কৰি দিলে। তিনি চাৰিদিনমান সৰু ডাঙৰ দ্বীপৰ মাজেদি যাত্ৰা কৰাৰ পিছত তেওঁলোকে ওখ পাহাৰ আৰু বিশাল গছেৰে ভৰি থকা এটা ডাঙৰ দ্বীপ দেখিবলৈ পালে।

নাগসোমে কলে যে তেওঁ ইম্যুজাতিৰ বয়োজ্যেষ্ঠসকলৰ পৰা শুনা বিৱৰণ মতে বৃশ্চিকৰ দ্বীপ সেইটোৱেই হব লাগে। তেওঁৰ কথা শুনাৰ লগে লগে শিখি আৰু বিক্ৰমকেশৰীৰ মুখত হাঁহি বিৰিঙি উঠিল। তেওঁলোকৰ নাওঁ সেই দ্বীপটোৰ পাৰলৈ চপাই দিয়া হ'ল।

সকলো লোক নাৱৰ পৰা নামি আহিল। তেতিয়া সূৰ্য ডুব যাবৰ সময় হৈছিল। শিখি আৰু বিক্ৰমে কোনো ওখ ঠাইত উঠি বৃশ্চিকৰ দ্বীপৰ ৰেহ-ৰূপৰ আভাস লবৰ বাবে আগুৱাই গ'ল। বাকী লোক নাৱৰ ওচৰত অপেক্ষা কৰি থাকিল।

দুয়ো এটা ওখ পাহাৰৰ ওপৰত উঠি চাৰিওফালে লক্ষ্য কৰিলে। দূৰত এটা ডাঙৰ পাহাৰ দেখা গ'ল। সেই পাহাৰৰ ঢালত চকু পৰাত তেওঁলোক আঁচৰিত হ'ল। সেই ঢালতে প্ৰায় ধ্বংস হৈ পৰা এটা পুৰণা মন্দিৰ দেখা পালে।

(আগলৈ)



উচিত ৰায়

নীৰৱে তেওঁৰ ঘৰৰ পিছফালে এটা নাৰিকলৰ পুলি ৰুলে। সময় বাগৰাৰ লগে লগে সেই পুলিটো ডাঙৰ হৈ আহিল আৰু তাত নাৰিকল লাগিবলৈ ধৰিলে। নিৰৱে নাৰিকলৰ পুলিটো ৰুৱাৰ সময়ত তেওঁলোকৰ ঘৰৰ পিছফালে কাৰো ঘৰ নাছিল। পিছত গিৰিধৰ নামৰ এজন লোকে তাত ঘৰ সাজিলে।

বাৰীৰ সীমাত ৰুৱা নাৰিকলৰ পুলিটো ডাঙৰ হৈ গিৰিধৰৰ বাৰীৰ ফালে হাওলি গ'ল। ফলত গছৰ পৰা নাৰিকল সৰি গিৰিধৰৰ ঘৰৰ পিছফালে পৰিছিল। সেইবিলাক গিৰিধৰে নিজে বুটলি ব্যৱহাৰ কৰিবলৈ ধৰিলে। নিৰৱে গছৰ ওপৰত উঠি নাৰিকল পাৰিবলৈ চেষ্টা কৰিলত এদিন গিৰিধৰে কলে যে নাৰিকলজোপা তেওঁৰ বাৰীৰ ফালে হাওলি আছে, গতিকে সেই নাৰিকলবিলাকৰ গৰাকী তেওঁহে, নীৰৱ নহয়।

নিৰৱে চিন্তা কৰিলে যে এয়া অন্যায় আৰু তেওঁ লগে লগে গাঁওবুঢ়াৰ ওচৰলৈ গৈ গিৰিধৰৰ বিপক্ষে গোচৰ দিলে। গাওঁবুঢ়াই গিৰিধৰক মতাই আনিলে।

"মইটো নিজে নাৰিকলজোপা মোৰ ঘৰৰ ফালে বেঁকা কৰি লোৱা নাই। যদি গছজোপা নিজে নিজেই তেনেকৈ বৃদ্ধি হৈছে, তেন্তে তাৰ ফলৰ গৰাকী মই হোৱাটো জানো যুক্তিসংগত নহয়।" গিৰিধৰে নিজৰ স্থিতিৰ সপক্ষে যুক্তি দিলে।

তাৰপিছত গিৰিধৰে কাৰো কথা শুনিবলৈ ৰাজী নহ'ল আৰু তাৰ পৰা গুচি গ'ল। গাওঁবুঢ়াই নিৰৱক কলে যে তেওঁ উপযুক্ত সময়ত এই বিচাৰৰ ৰায় দিব।

কিছুদিন পাৰ হৈ গ'ল। নাৰিকলজোপাই বহুটো ফল দিলে। কিন্তু সকলো গিৰিধৰে লৈ ললে। নিৰৱে এটাও নাপালে।

কে কে ৰঘুনন্দন

এবছৰৰ মানৰ পিছত হঠাতে গিৰিধৰৰ ঘৰৰ সকলো লোকৰ খজুৱতি হবলৈ আৰম্ভ কৰিলে। কিহৰ পৰা এনে হব পাৰে তেওঁলোকে বুজিব নোৱাৰিলে। কথা প্ৰসংগত তেওঁলোকৰ ঘৰত কাম কৰা লৰাটোৱে কলে যে নিৰৱৰ বাৰীৰ নাৰিকল গছজোপাত বগাই থকা বান্দৰ কেকোঁৱা নামৰ লতাজোপাৰ বীজৰ বাবেই এই খজুৱতি হৈছে।

গিৰিধৰে নিৰৱক লগ ধৰি কলে, ‘‘তোমাৰ নাৰিকল গছত বগাই থকা বান্দৰ কেকোঁৱাৰ গছজোপা কাটি আঁতৰাই পেলোৱা। সেইজোপা বগাই মোৰ বাৰীত সোমাইছে আৰু সকলোৰে খজুৱতি তুলিছে।’’

নিৰৱে কলে যে তেওঁ সেইজোপা কাটি নেপেলায়। লতাজোপাই নিজেই বৃদ্ধি হৈ গিৰিধৰৰ বাৰীত সোমাইছেগৈ। নিৰৱৰ কথা শুনি গিৰিধৰে নিজেই লতাজোপা কাটি পেলাবলৈ চেষ্টা কৰিলে। তেতিয়া তাৰ পৰা অধিক বীজ ওলাই তেওঁৰ ঘৰত পৰিল। খজুৱতিৰ প্ৰকোপত তেওঁৰ ঘৰত কোনো থাকিব নোৱাৰা হ’ল।

গিৰিধৰে একেকোবে গৈ গাওবুঢ়াৰ কাষ পালেগৈ আৰু গোচৰ দিলে।

‘‘তুমি কৈছিলা যে তোমাৰ ঘৰৰ ফালে বৃদ্ধি হোৱা যিকোনো বস্তুৱেই তোমাৰ। তুমি নিৰৱৰ নাৰিকল নিজৰ বুলি দাবী কৰিছিলা কিয়নো সেইজোপা তোমাৰ বাৰীৰ ফালে বেঁকা হৈ পৰিছিল। সেইফালৰ পৰা বান্দৰ কেকোঁৱাৰ গছজোপাও তোমাৰ বাৰীৰ ফালে বগাই গৈছে। গতিকে সেইজোপাও তোমাৰেই। যুক্তিৰ ফালৰ পৰা তুমি ভাল বেয়া দুয়োটাৰে গৰাকী হব লাগে। হয়নে নহয়?’’ গাওঁবুঢ়াই সুধিলে।

গাওঁবুঢ়াৰ কথাত গিৰিধৰে বৰ লাজ পালে আৰু নাৰিকলজোপা নিৰৱৰ বুলি মানি ললে। তেওঁ লৈ লোৱা সকলোবিলাক নাৰিকলৰ দাম নিৰৱক পৰিশোধ কৰাৰ কথা দিলে। নিৰৱেও সেই বান্দৰ কেকোঁৱাজোপা তাৰপৰা কাটি আঁতৰাই পেলালে।

কিন্তু কোনেও এই কথা গমেই নাপালে যে সেই বান্দৰ কেকোঁৱা ৰুৱাৰ বুদ্ধি নিৰৱক গাওঁবুঢ়ায়েই দিছিল। তেওঁৰ মন আছিল গিৰিধৰক এক শিক্ষা প্ৰদান কৰা।





কলাৰ উল্টা–চিধা

ভোজন সমাপ্ত কৰি বাবা বাৰান্দাত আৰামেৰে বহি আছিল। আকাশৰ পৰা চন্দ্ৰমাই জোনাক চটিয়াই আছিল। তেওঁ এটা শ্লোক আওৰালে–

“পৰোক্ত সা ধ্বৰকৰ্ণ
ন যুক্ত প্ৰতিভাষিতুম
বহিৰ্নিষ্কষিতঃ কৌপি
বধিৰঃ প্ৰতিকুলবাক।”

চাৰিওফালে বহি থকা শিশুসকলে সুধিলে, “বাবা, এই শ্লোকটোৰ অৰ্থ কি?”

“শ্লোকৰ অৰ্থ? শুনা। কও বাৰু। ইয়াৰ অৰ্থ এয়ে যে যেতিয়ালৈকে কাৰোবাৰ কথা সম্পূৰ্ণকৈ শুনি নোলোৱা, তেতিয়ালৈকে উত্তৰ নিদিবা। কিয়নো এবাৰ এজন ধুমকলাই উল্টা–চিধা কথা কোৱা বাবে মাধ মাৰ খাই খেদা খাবলগীয়া হৈছিল।” বাবাই লাহে লাহে কলে।

“সেই কলালোক কোন আছিল? তেওঁ কি উল্টা–চিধা কথা কৈছিল? আমাক ভাঙি পাতি কওকনা।” শিশুসকলে বাবাক অনুৰোধ কৰিলে।

“ঠিক আছে, শুনা তেনেহলে–

বহুদিনৰ আগৰ কথা। কাঞ্চীপুৰত দেৱশৰ্মা আৰু হৰিশৰ্মা নামৰ দুজন বন্ধুৱে বাস কৰিছিল। তেওঁলোক সৰু কালৰে পৰাই ভাল বন্ধু আছিল আৰু ডাঙৰ হোৱাটো সেই বন্ধুত্ব অটুত থাকিল।

দেৱশমাই লাহে লাহে কাণেৰে নুশুনা হৈ আহিল। কিন্তু তেওঁ সেই কথা লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিলে।

এবাৰ হৰিশৰ্মা বেমাৰত পৰিল। বহু

চি শেষাদ্ৰী

ধৰণৰ চিকিৎসা কৰা হ'ল। সকলো ধৰণেৰে চেষ্টা কৰা হ'ল। কিন্তু বেমাৰ ভাল নহ'ল। হৰিশৰ্মাই মনতে এই কথা ভাৱিবলৈ ধৰিলে যে তেওঁৰ এই বেমাৰ কেতিয়াও ভাল নহব।

ইফালে দেৱশৰ্মাই গম পালে যে তেওঁৰ বন্ধু হৰিশৰ্মাৰ গা ভাল নহয়। তেওঁ লগে লগে হৰিশৰ্মাক দেখা কৰিবলৈ বুলি ৰাওনা হ'ল।

কিন্তু দেৱশৰ্মা আছিল কলা। কাৰোবাৰ ঘৰলৈ গলে কথা নপতাকৈ থকাটো ভাল কথা নহয়। ইফালে আনে কি কৈ আছে তেওঁ ভালদৰে শুনাই নাপায়। গতিকে তেওঁ মিত্ৰক তিনিটা প্ৰশ্ন সুধি উভতি আহিবলৈ সিদ্ধান্ত ললে।

খবৰ কৰিবলৈ বন্ধু অহা বুলি গম পাই হৰিশৰ্মা বৰ আনন্দিত হ'ল।

"তোমাৰ বেমাৰ এতিয়া কেনে?" দেৱশৰ্মাই সুধিলে।

"মোৰ এনে লাগিছে যে এই বেমাৰ ঠিক নহব।" হৰিশৰ্মাই কলে।

"ভগৱানৰ কৃপাত তেনেকুৱা হলেই ভাল। কি ঔষধ খাই আছা এতিয়া?" দেৱশৰ্মাই দ্বিতীয়টো প্ৰশ্ন সুধিলে।

"এতিয়া মোৰ বাবে মৃত্যুৱেই ঔষধ।" হৰিশৰ্মাই কলে।

"সেয়াটো বৰ ভাল ঔষধ। কিন্তু বৈদ্য কোন?" দেৱশৰ্মাই তৃতীয়টো প্ৰশ্ন কৰিলে।

"কোন হব আৰু। যমৰাজ।" হৰিশৰ্মাই হাঁহি এটা মাৰি কলে।

"তেনেহলে ঠিকেই আছে। সিবিলাকত ভৰসা ৰাখা।" দেৱশৰ্মাই কলে।

এই কথা বতৰা হৰিশৰ্মাৰ পৰিয়ালৰ লোকে শুনি আছিল। তেওঁলোকে দেৱশৰ্মাক মাৰপিট কৰি ঘৰৰ পৰা বাহিৰ কৰি দিলে। গম পালানে? প্ৰশ্ন নুশুনাকৈ উত্তৰ দিয়াটো কিমান ভয়ানক কথা।" বাবাই হাঁহি মাৰি কলে।

ভিক্ষাৰীৰ সম্পদ

এজন দুখীয়া খেতিয়কে নিজৰ পথাৰত কাম কৰি কৰি ভাগৰি পৰিল। ঘৰলৈ আহি তেওঁ ভগৱানক প্ৰাৰ্থনা কৰিলে, ‘হে ভগৱান, মোক তুমি সম্পদ প্ৰদান কৰা।’

অকস্মাৎ ওপৰৰ পৰা খেতিয়কৰ সন্মুখত এটা বস্তা সৰি পৰিল। পিছ মুহূৰ্ততে এটা শব্দ শুনা গ’ল, ‘এই বস্তাৰ ভিতৰত তুমি এটা সোণৰ মোহৰ পাবা। সেইটো উলিয়ালে তাত দ্বিতীয়টো পাবা। এইদৰে তুমি প্ৰতিবাৰতে এটাকৈ মোহৰ পাবা। যেতিয়া তুমি সন্তুষ্ট হবা তেতিয়া বস্তাটো নদীত পেলাই দিবা। কিন্তু মনত ৰাখিবা, বস্তাটো নদীত নেপেলোৱাকৈ তুমি সেই ধনৰ খৰচ কৰিব নোৱাৰিবা। তেনে কৰিলে তোমাৰ সকলো ধন নাইকীয়া হৈ পৰিব।’

খেতিয়ক বৰ সুখী হ’ল। ৰাতিটো বস্তাৰ পৰা সোণৰ মোহৰ উলিয়াই থাকিল। পিছদিনাখন খাবলৈ একো নাছিল। কিন্তু বস্তা নদীত নেপেলোৱাকৈ তেওঁ মোহৰ খৰচ কৰিব নোৱাৰা হ’ল। তেওঁ ভাৱিলে যে আৰু এটা দিন নোখোৱাকৈ থাকি মোহৰ উলিয়াই লওঁ।

এইদৰে কেইবাদিনো পাৰ হৈ গ’ল। তেওঁ মোহৰ উলিয়ায়েই থাকিল। মোহৰ খৰচ কৰিব নোৱাৰা হোৱাত ভিক্ষা কৰি তেওঁ পেট ভৰাবলৈ ধৰিলে।

অৱশেষত এদিন তেওঁৰ মৃত্যু হ’ল। ওচৰ-চুবুৰীয়াই তেওঁৰ ঘৰৰ ভিতৰত সোমাই দেখিলে যে বহু বস্তা সোণৰ মোহৰ। তেওঁলোক অতি আচৰিত হ’ল।

চকুপানীৰ মূল্য

ৰামপুৰত বাস কৰা ৰাম আছিল এজন মধ্যবিত্ত খেতিয়ক। তেওঁৰ খেতি মাঠিৰ পৰিমাণ আছিল সাত পুৰা। তাৰে চাৰি পুৰা হ'ল পানীখেতি কৰিব পৰা আৰু তিনি পুৰা বাম খেতি কৰিব পৰা। কিন্তু দুখীয়া লোকক সহায় কৰাত তেওঁ সদায় আগৰণুৱা আছিল। তেওঁৰ পত্নী বিজয়লক্ষ্মীও আছিল এই কামত সমানে আগবঢ়া।

সেইখন গাৱঁৰে চন্দ্ৰ নামৰ এজন ক্ষুদ্ৰ খেতিয়ক আছিল ৰামৰ শৈশৱৰ বন্ধু। তেওঁলোকে এজনে আনজনক বৰ ভাল পাইছিল। কিন্তু ৰামৰ অধিক দয়ালু স্বভাৱক লৈ চন্দ্ৰ চিন্তিত আছিল। তেওঁলোকে ৰাতিৰ আহাৰ খোৱাৰ পিছত প্ৰতিদিনা গাৱঁৰ সভা হোৱা স্থানত লগ পাইছিল।

চন্দ্ৰই প্ৰায়েই ৰামক পৰামৰ্শ দিছিল, "তুমি কেতিয়াবা ভৱা উচিত যে সকলোকে সহায় কৰাৰ তোমাৰ অভ্যাসে কেতিয়াবা তোমাৰ অনিষ্ট কৰিব। তোমাৰ দুজনীকৈ ছোৱালী আছে। সিঁহতৰ ভৱিষ্যতৰ বিষয়ে তোমাৰ ভাৱিবৰ হ'ল।"

ৰামে চন্দ্ৰৰ এনে কথাত একো নকৈ কেৱল হাঁহিছিল।

এদিনাখন ৰাতিপুৱা, অকস্মাতে সেই সভা বহা ঠাইত ৰামে চন্দ্ৰক লগ পালে। তেওঁলোকে কথা পাতি থাকোতে এজন ডেকা ল'ৰা তেওঁলোকৰ ওচৰ চাপি আহিল। সি কলে, "মহাশয়, মোৰ নাম শিৱ। মই আপোনালোকৰ কাষৰীয়া মাধৱপুৰ গাঁৱৰ। মই মজদুৰ হিচাপে কাম কৰোঁ। আজি দুদিনৰ পৰা মোৰ মাৰ খুব গা বেয়া হৈছে। মই চিকিৎসকৰ ওচৰলৈ লৈ যোৱাত আঠশ টকা খৰচ হ'ব বুলি কলে। অনুগ্ৰহ কৰি মোক সহায় কৰক। মই সদায় আপোনালোকৰ ওচৰত

জি জন কেনেডি



কৃতজ্ঞ হৈ থাকিম।'' যুৱকজনে এইদৰে কৈ কান্দিবলৈ ধৰিলে।

ৰামে কিছুসময় চিন্তা কৰিলে আৰু তাৰপিছত কলে, ''তুমি যে পইছা বিচাৰিছা তাৰ বাবে বন্ধকত থবলৈ তোমাৰ ওচৰত মূল্যৱান কিবা আছেনে নাই?''

শিৱই চকুলো টুকি কলে, ''মহাশয়, এই আঙুঠিটো বিয়াৰ সময়ত মোৰ পত্নীৰ ঘৰৰ পৰা দিছিল। অনুগ্ৰহ কৰি এইটো ৰাখি থওক আৰু মোক সহায় কৰক।'' এইবুলি হাতৰ পৰা আঙুঠিটো খুলি ৰামৰ হাতত দিলে।

ৰামে সেইটো লৈ শিৱৰ হাতত দুশ টকা দিলে। তেওঁ কলে, ''মই নাজানো এইটো সঁচাকৈয়ে সোণৰ হয়নে নহয়। আজিকালি নকল আঙুঠি আচল বুলি দি ঠগবাজী কৰা মানুহৰ সংখ্যা কম নহয়।''

এই কথা শুনি শিৱই পুণৰ কান্দি কান্দি কলে, ''মহাশয়, আপুনি মোক সন্দেহ নকৰিব। এইটো প্ৰকৃত সোণৰ। আপুনি আপোনাৰ বন্ধুক সুধিব পাৰে। আপুনি মোক অনুগ্ৰহ কৰি আৰু পাচশ বা ছশ টকা দিয়ক। মই তেতিয়াহে মাৰ জীৱন বচাবলৈ সক্ষম হম।''

ৰামে শিৱলৈ চাই কলে, ''যদি তোমাক সেই দুশ টকা নালাগে তেন্তে মোক উভতাই দি তোমাৰ আঙুঠিটো লৈ যোৱা।'' ৰামৰ এনে কথা শুনি শিৱই চকুপানী টুকি টুকি দুশ টকাকে লৈ তাৰ পৰা গুচি গ'ল।

লগে লগে ৰামে চন্দ্ৰক কলে, ''মই মাধৱপুৰলৈ যাম বুলি ভাৱিছো। তুমি মোৰ লগত আহিব পাৰিবানে?''

দয়ালু বুলি পৰিচিত ৰামৰ ব্যৱহাৰ দেখি চন্দ্ৰ অলপ আঁচৰিত হৈছিল, কিয়নো ৰামে আঙুঠিটো বন্ধকত লৈহে শিৱক দুশ টকা দিছিল। যাও নাযাওকৈ তেওঁ ৰামৰ লগত মাধৱপুৰলৈ গ'ল।

তেওঁলোকে চিধাই মাধৱপুৰ গাৱঁৰ চিকিৎসকৰ ঘৰলৈ গ'ল। খিৰিকিয়েদি জুমি চাই দেখিলে যে শিৱই চিকিৎসকক অনুৰোধ কৰি আছে।

''মহাশয়, মই গোটেইখিনি টকা একেবাৰতে গোটাব পৰা নাই। আপুনি এই দুশ টকা লওক আৰু আজিৰ পৰাই চিকিৎসা আৰম্ভ কৰি দিয়ক। মই দুদিনমানৰ ভিতৰতে যেনেকৈয়ে নহওক বাকী টকা যোগাৰ কৰিম।''

ৰাম চিকিৎসকৰ ঘৰৰ ভিতৰলৈ সোমাই

গ'ল আৰু চিকিৎসকৰ লগত কথা পাতিলে। তেওঁ কলে, ''মহাশয়, মই ভাৱো যে চিকিৎসক হিচাপে আপুনি কোনো পইছা নোলোৱাকৈ চিকিৎসা আৰম্ভ কৰা উচিত। কিয়নো চিকিৎসকৰ পেশা হ'ল মানৱ সেৱাৰ এক মহান পথ। মানুহে বিপদত পৰিহে চিকিৎসকৰ সহায় বিচাৰি আহে। শিৱই দিয়া দুশ টকাৰ লগতে এই দুশ টকাও লওক আৰু আজিয়েই চিকিৎসা আৰম্ভ কৰক।'' এইবুলি ৰামে চিকিৎসকৰ হাতত দুশ টকা দিলে।

তাৰপিছত ৰামে আঙুঠিটো শিৱক ঘূৰাই দি কলে, ''তুমি তোমাৰ মাৰ ভালদৰে যত্ন লোৱা আৰু চিকিৎসা যাতে ভালদৰে চলি থাকে তাক নিশ্চিত কৰা। ভগৱানে তোমাৰ মংগল কৰিব।'' এইবুলি কৈ তেওঁ তাৰ পৰা উভটি আহিল।

চন্দ্ৰই তেওঁৰ বন্ধু ৰামৰ ব্যৱহাৰ দেখি আচৰিত হ'ল। তেওঁ যিমানদূৰ জানে ৰামে কেতিয়াও কিবা মূল্যৱান বস্তু বন্ধকত লৈ টকা দিয়া নাছিল আৰু এতিয়া তেওঁ সেই সম্পত্তি পুণৰ উভতাই দিছে। তাৰোপৰি তেওঁ নিজেই তালৈ গৈ পৰিস্থিতি পৰীক্ষা কৰি চাইছে। এই সকলোবিলাক ঘটনাই চন্দ্ৰৰ মনত বহু প্ৰশ্নৰ সৃষ্টি কৰিলে।

''তোমাৰ এই কামৰ অন্তৰালত কি অৰ্থ সোমাই আছে? মই একো বুজিব পৰা নাই। অনুগ্ৰহ কৰি মোক বুজাই কোৱা।'' চন্দ্ৰই ৰামক সুধিলে।

ৰামে হাঁহি এটা মাৰি উত্তৰ দিলে, ''অনুপযুক্তজনক সহায় কৰাটো কেতিয়াও গ্ৰহণীয় হব নোৱাৰে। আমি জানো যে কিছুমান মানুহে নানা ভাও ধৰি মানুহক ঠগি সহায়ৰ নামত পইছা আদি লয়। আমি তেনে লোকৰ পৰা আঁতৰি থকা উচিত। যিসকলক প্ৰকৃততেই সহায়ৰ প্ৰয়োজন, সেইসকলকহে সহায় কৰিব লাগে। আজিৰ ঘটনাৰ পিছত আমি গম পালো যে শিৱৰ চকুলোৰ মূল্য আছে। সেয়া নকল নহয়। মই তেওঁক ভৱিষ্যতেও সহায় কৰি যাম।''

চন্দ্ৰই এই কথা ভাৰি সুখী হ'ল যে তেওঁৰ বন্ধু কেৱল দয়ালুৱেই নহয়, জ্ঞানীও।

বেটুপাতৰ কাহিনী

এইমাহৰ বেটুপাতৰ কাহিনীৰ মূল চৰিত্ৰ হ'ল বিশাল ৰাক্ষস কুম্ভকৰ্ণ। কুম্ভকৰ্ণ আছিল ৰাৱণৰ ভাতৃ। আমি সকলোৱে জানো যে কুম্ভকৰ্ণ আছিল এক পৰাক্ৰমী যোদ্ধা। তেওঁ লংকাৰ ৰণত ৰাৱণৰ পক্ষলৈ যুদ্ধ কৰিছিল আৰু ৰাৱণক বিজয়ী কৰিবলৈ চেষ্টা কৰিছিল।

যুদ্ধৰ সময়ত, ৰামৰ লগত কেইবাখনো যুদ্ধত পৰাজিত ৰাৱণে ভাতৃ কুম্ভকৰ্ণৰ সহায় বিচাৰিবৰ বাবে সিদ্ধান্ত কৰিলে। সেই সময়ত কুম্ভকৰ্ণই ছমাহৰ বাবে শুই পৰিছিল। কুম্ভকৰ্ণৰ বাসস্থান আছিল এক বিশাল গুহা আৰু তেওঁৰ নাকৰ শব্দই তেওঁক জগাবৰ বাবে গোট খোৱা সৈন্যসকলক ভয় খুৱাই তুলিছিল। বিশাল শৰীৰৰ কুম্ভকৰ্ণক দেখিয়েই বহু সৈন্য ভয়তে অচেতন হৈ পৰিছিল। তেওঁলোকে কুম্ভকৰ্ণৰ শৰীৰৰ ওপৰলৈ বগাই উঠি গৈ হাতত থকা অস্ত্ৰৰে খুচি টোপনী ভাঙিবলৈ চেষ্টা কৰিলে। কিন্তু, কোনো ফল নধৰিল। কুম্ভকৰ্ণই কুট-কাটেই নকৰিলে। হাতীৰ দল আনি তেওঁক গচকোৱা হ'ল, দুণ্ডুভি বজাই চোৱা হ'ল, ঢোল-ডবা আদিও বজাই চোৱা হ'ল। তেতিয়াহে কুম্ভকৰ্ণই অলপ ইকাটি-সিকাটি কৰিলে। এই প্ৰক্ৰিয়া কেইবাবাৰো কৰাৰ পিছত তেওঁ অৱশেষত সাৰ পাই উঠিল। সাৰ পোৱাৰ পিছতে তেওঁৰ ভোক লাগিল। উঠিয়েই তেওঁ প্ৰথম প্ৰশ্নটো সুধিলে এই - 'মোৰ টোপনি কিয় ভাঙিলি? মোৰ ভাতৃ ৰাৱণ কুশলে আছেনে?' কুম্ভকৰ্ণ হ'ল ভাতৃৰ প্ৰতি থকা বিশ্বাসৰ এক উজ্জ্বল উদাহৰণ। তেওঁ গম পাইছিল যে তেওঁ ভুল পক্ষ লৈ যুদ্ধত অৱতীৰ্ণ হৈছে। আনকি তেওঁ ৰাৱণক এই উপদেশ দিছিল যে তেওঁ যুদ্ধ পৰিহাৰ কৰা উচিত আৰু সীতাক হৰণ কৰি তেওঁ যি কৰ্ম কৰিলে সেয়া শুদ্ধ নহয়। তেনে কথাত ৰাৱণে কুম্ভকৰ্ণৰ বীৰত্বত সন্দেহ প্ৰকাশ কৰাত কুম্ভকৰ্ণই যুদ্ধত অৱতীৰ্ণ হ'ল। বিভীষণৰ দৰে তেওঁ ভাতৃত্বৰ বন্ধন ভাঙিবলৈ সক্ষম হোৱা নাছিল। কুম্ভকৰ্ণ হ'ল এনে এক প্ৰতীকি চৰিত্ৰ যাৰ উপস্থিতি আমি নিজৰ জীৱনতো দেখিবলৈ পাওঁ। কেতিয়াবা কোনো কাম ভুল বুলি জানিও আমি আপোনজনৰ বাবে কৰিবলৈ বাধ্য হওঁ। কুম্ভকৰ্ণই ভুলেই কৰক বা শুদ্ধই কৰক, কৰ্মৰ প্ৰতি থকা তেওঁ সন্মান আৰু ভাতৃৰ প্ৰতি থকা তেওঁ মৰমৰ বাবে মোক্ষ লাভ কৰিবলৈ সক্ষম হ'ল। আশাকৰো ১৯৪৮ চনত মুদ্ৰিত শ্ৰী আচাৰ্যৰ এই বেটুপাত তোমালোকে ভাল পালা। জুলাইত তোমালোকলৈ আমাৰ বৰ্ষপুৰ্তিৰ বেটুপাত আগবঢ়াম। — *সৌম্যা ভৰদ্বাজ*

মই কি হ'ব পাৰো?

এই মাহত আমি ইন্টেৰিয়ৰ ডিজাইনিঙৰ বিষয়ে আলোচনা কৰো আহা। যোৱাটো দশকত এই বিষয়টোৱে বিশেষ জনপ্ৰিয়তা লাভ কৰিছে।

ইন্টেৰিয়ৰ ডিজাইনিং হ'ল এটা সম্পূৰ্ণ ৰূপে বিকশিত পেশা আৰু বৰ্তমান সময়ত বিশেষভাৱে জনপ্ৰিয়। কিয়নো বেছি সংখ্যক মানুহেই তেওঁলোকৰ ব্যক্তিগত গৃহ আৰু কাৰ্যালয় গৃহক নিজৰ পচন্দৰ লগত খাপ খুৱাকৈ সজাই পৰাই লব বিচাৰে।

ডিজাইন হ'ল শিল্পীসুলভ প্ৰতিভা আৰু সৃজনীশীলতাৰ মিশ্ৰণ। ভিন ভিন কাম বা ব্যৱসায়ৰ ক্ষেত্ৰত ডিজাইন অতি গুৰুত্বপূৰ্ণ। ইন্টেৰিয়ৰ ডিজাইন হ'ল বাসগৃহ, কাৰ্যালয়, দোকান, হোটেল, বিমানবন্দৰ আদিৰ ভিতৰৰ সজ্জা পৰিকল্পনা বা নিৰ্ধাৰণ কৰি তাক কাৰ্যকৰী কৰা। ইন্টেৰিয়ৰ ডিজাইনাৰসকলে হোটেল নিৰ্মাণকাৰী প্ৰতিষ্ঠান, ৰেষ্টুৰেন্টৰ শৃংখল, চিকিৎসালয়, ষ্টুডিঅ' আদিত কৰ্ম সংস্থান লাভ কৰাৰ সুবিধা থাকে।

ইন্টেৰিয়ৰ ডিজাইনাৰসকলে নিজাকৈও ব্যৱসায় আৰম্ভ কৰি স্বাধীনভাৱে কাম কৰিব পাৰে। এবাৰ জনপ্ৰিয়তা লাভ কৰাৰ পিছত ব্যৱসায় বৃদ্ধি পোৱাটো নিশ্চিত।

ভাৰতত ইন্টেৰিয়ৰ ডিজাইনিঙত উচ্চ মানৰ কোৰ্ছ প্ৰদান কৰা প্ৰতিষ্ঠানৰ সংখ্যা তেনেই নগণ্য। স্কুল অৱ ইন্টেৰিয়ৰ ডিজাইন, আহমেদাবাদত ৫ বছৰৰ কোৰ্ছৰ সুবিধা আছে আৰু জে জে স্কুল অৱ আৰ্টছ, মুম্বাইত চাৰি বছৰীয়া স্নাতক ডিগ্ৰী লাভ কৰাৰ সুবিধা আছে। আবেদনকাৰীয়ে গণিত, জীৱবিজ্ঞান, পদাৰ্থবিজ্ঞান, ৰসায়ণ বিজ্ঞান আৰু ইংৰাজীত ৫৫ শতাংশ নম্বৰ লাভ কৰি দ্বাদশ শ্ৰেণী সম্পূৰ্ণ কৰা হব লাগিব। বহুতো এবছৰীয়া ডিপ্লমা কোৰ্ছো উপলব্ধ আৰু সিবিলাকত নাম ভৰ্তি কৰিবৰ বাবে নূন্যতম অৰ্হতাৰ আৱশ্যক। নানা ধৰণৰ বেচৰকাৰী প্ৰতিষ্ঠানেও ইন্টেৰিয়ৰ ডিজাইনিঙৰ চাৰ্টিফিকেট কোৰ্ছ প্ৰদান কৰে। সেইবিলাকত নামভৰ্তি কৰিবৰ বাবে শিক্ষাগত অৰ্হতা হ'ল দ্বাদশ শ্ৰেণী উৰ্ত্তীণ।

এজন ইন্টেৰিয়ৰ ডিজাইনাৰৰ সফলতা নিৰ্ভৰ কৰে গ্ৰাহকক সন্তুষ্ট কৰাৰ ওপৰত। তেওঁলোক কিছুমান গুণৰ অধিকাৰী হোৱা প্ৰয়োজনীয়, যেনে– শিল্পীসুলভতা, কাৰিকৰী আৰু নানা মেনেজমেন্ট কৌশল। তেওঁলোক কল্পনাশক্তিৰ অধিকাৰী, সৃজনীশীল আৰু আনৰ কথা শুনি বুজি পৰা ক্ষমতাৰ অধিকাৰী হোৱাৰ প্ৰয়োজন। সুন্দৰকৈ কথা কব পৰা ক্ষমতাও ইন্টেৰিয়ৰ ডিজাইনাৰৰ বাবে অতি দৰকাৰী।

–হাই

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪১

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূর্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪১ লিখা।

৪) তোমাৰ উত্তৰ ৩১ জুলাই ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ চেপ্তেম্বৰ মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

মহাভাৰতৰ চৰিত্ৰৰ বিষয়ে

১. মহাকাব্য মহাভাৰতৰ কেন্দ্ৰীয় চৰিত্ৰটো কি?

২. কাক বিষ্ণুৰ অষ্টম আৰু সম্পূৰ্ণ অৱতাৰ ৰূপে জনা যায়?

৩. অৰ্জুনক গান্ধীৱ অস্ত্ৰ কোনে প্ৰদান কৰিছিল?

৪. গান্ধীৰীৰ ভাতৃ কোন আছিল?

৫. ৰজা পাণ্ডু আৰু ৰাণী কুন্তিৰ জ্যেষ্ঠ পুত্ৰৰ নাম কোৱা।

৬. গুৰু সন্দিপনি মুণিৰ পুত্ৰক উদ্ধাৰ কৰিবলৈ যাওতে ভগৱান কৃষ্ণৰ নাৱৰ নাৱৰীয়া কোন আছিল?

৭. দ্ৰোণাচাৰ্য আৰু কৃপীৰ পুত্ৰ সন্তানৰ নাম কি আছিল?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩৮, মাৰ্চ ২০১২ চনৰ উত্তৰ:

১. এলিছা আটিছ, ২. লেজল' বাইৰ', ৩. ডেনিছ পপিন, ৪. টিম বাৰ্ণাৰছ-লি, ৫. চেমুৱেল কল্ট, ৬. ৱাইলিছ কেৰিয়াৰ, ৭. ৰজা জিলেট

<u>March'12 Winners:</u> 1. S. Janakiram Mannavar, Asarajan, Nanded, Maharastra-431603.
2. Sohag Singha, New Barrackpur(P.O), North 24 Parganas(Dt.), Kolkata-700131.
3. Krishnankith Banerjee, Paramanand Chok Gate, Delhi-110009.
4. V.P. Aishwarya, Periyamkode, Mannanthala, Thiruvananthapuram-695 015.
5. Kumare Kavyashree, IJARI Lakamapur(Village), Haveri, Karnataka-581110.

কৌতুক

বিকুল আছিল নিশাচৰ চৰাইপ্ৰেমী। এদিনাখন ঘৰৰ পিছফালে থিয় হৈ থাকোতে এটা ফেঁচাৰ কুৰুলি শুনা পালে। সিও ফেঁচাৰ মাত উলিয়াই এবাৰ মাতিলে। তাৰ উত্তৰত ফেঁচাটোৱে আকৌ কুৰুলি দিয়াত সি বৰ আনন্দ পালে।

পিছদিনা সন্ধিয়াও একেধৰণৰ ঘটনা ঘটিল। গোটেই গ্ৰীষ্মকালটো তেওঁ চৰাইৰ লগত কথা পাতিয়েই কটালে।

তেওঁ ভাৱিলে যে আন এটা প্ৰজাতিৰ লগত ভাৱ বিনিময় কৰাৰ এই চেষ্টা যুগান্তকাৰী।

তেওঁৰ পত্নী জেউতিয়ে তেওঁলোকৰ চুবুৰীয়া সেউতীৰ লগত কথা পাতি আছিল–

''মোৰ স্বামীয়ে সন্ধিয়া ভালেখিনি সময় ফেঁচাৰ লগত কথা পাতি কটায়।''

''মোৰ স্বামীয়েও তেনে কৰে।'' সেউতীয়ে উত্তৰত কলে।

শিক্ষয়ত্ৰী: তুমি কি আঁচৰিত ধৰণৰ মোজা এযোৰ পিন্ধিছা। এপাত হ'ল সেউজীয়া আৰু আনপাত হ'ল ৰঙা।

পাপু : হয় বাইদেউ, ময়ো কথাটো চিন্তা কৰিছো। কিন্তু ঘৰত মোৰ আৰু এযোৰ এনেধৰণৰ মোজা আছে।

পিংকিয়ে তেওঁৰ শিক্ষয়ত্ৰীৰ লগত তিমিমাছৰ বিষয়ে কথা পাতি আছিল। শিক্ষয়ত্ৰীয়ে কলে যে তিমিমাছৰ আকাৰ বৃহৎ যদিও মানুহ গিলি খাব নোৱাৰে, কাৰণ তাৰ টেঁটু অংশটো একেবাৰে সৰু।



পিংকিয়ে কলে যে 'জোনা'ক তিমিমাছ এটাই গিলি খাই পেলালে। শিক্ষয়ত্ৰীয়ে কলে যে তিমিমাছে মানুহৰ দৰে ডাঙৰ বস্তু গিলি খাব নোৱাৰে। পিংকিয়ে কলে, ''ঠিক আছে, মই যেতিয়া স্বৰ্গলৈ যাম, তেতিয়া সুধিম বাৰু?''

''যদি তাই নৰকলৈ গৈছে?'' শিক্ষয়ত্ৰীয়ে সুধিলে।

''তেতিয়া আপুনিয়ে সুধিব।'' পিংকিয়ে উত্তৰ দিলে।

ৰাজকীয় খাদ্য

আচাৰৰ কথা!

বিশ্বাস আছে যে আচাৰৰ ব্যৱহাৰ প্ৰথমতে ইজিপ্তৰ পৰা আৰম্ভ হৈছিল। প্ৰচীন ইজিপ্তীয়সকলে তৰমুজ আৰু মাছৰ আচাৰ তৈয়াৰ কৰিছিল। বৰ্তমান গোটেই বিশ্বতে জনপ্ৰিয় তিয়হৰ আচাৰ প্ৰায় ৩০০০ বছৰৰ আগৰে পৰা ভাৰতত ব্যৱহাৰ কৰা হৈ আহিছে। এক প্ৰচীন কানাড়া শাস্ত্ৰ লিংগপুৰাণত আম, বেঙেনা, মিছামাছ, গাহৰিৰ মঙহ আদি প্ৰায় ৫০ বিধমান আচাৰৰ তালিকা আছে।

খ্ৰীষ্টমাছ ট্ৰিত এটা আচাৰৰ আকৃতিৰ অলংকাৰ আঁৰি দিয়াটো এটা পুৰণা ৰীতি আৰু ইয়াক এতিয়াও বহু দেশত মানি চলা হয়। কেতিয়াবা ই গছজোপাৰ ভিতৰত লুকাই থাকে আৰু যি শিশুৱে তাক বিচাৰি পায় তেওঁৰ ভাগ্য ভাললৈ অহাৰ লগতে চেইন্ট নিক'লাছৰ পৰা বিশেষ উপহাৰ লাভ কৰে বুলি বিশ্বাস প্ৰচলিত আছে।

কলম্বাছৰ তেওঁৰ বিখ্যাত ভ্ৰমণৰ সময়ত তেওঁৰ নাৱিকসকলে স্কাৰ্ভি ৰোগত ভুগিছিল। এই ৰোগ ভিটামিন চি কমি যোৱাৰ ফলত হয়। আমেৰিগ' ভেচপুচিয়ে ভিটামিন চি থকা যথেষ্ট পৰিমাণৰ আচাৰ জাহাজত বোজাই কৰি ব্যৱসায় কৰিছিল। আচাৰক স্কাৰ্ভি ৰোগৰ পৰা বাচি থকাৰ উপায় বুলি গণ্য কৰা হৈছিল। এই আচাৰৰ ব্যৱসায়ীজন পিছলৈ এজন বিখ্যাত অভিযানকাৰীত পৰিণত হৈছিল। বুজিলানে যে আমেৰিকাৰ আৱিষ্কাৰত আঁৰত আচাৰৰ এক বিশেষ অৱদান আছে?

কোনে কলে যে আচাৰ পুষ্টিকৰ নহয়? কোঁৰিয়াৰ বিজ্ঞানীসকলৰ মতে, এক প্ৰকাৰৰ আচাৰকৃত বন্ধাকবিত সাধাৰণ বন্ধাকবিৰ দুগুণ পৰিমাণৰ ভিটামিন বি১, বি২, বি৫ আৰু বি১২ থাকে।

আচাৰৰ এজন বিখ্যাত ভক্তৰ কথা কও শুনা– আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ ৱাশ্বিংটনে ৪৭৬ প্ৰকাৰৰ আচাৰ সংগ্ৰহ কৰি ৰাখিছিল।

ক্লিওপেট্ৰাই তেওঁৰ সৌন্দৰ্যৰ এটা কাৰণ আচাৰ বুলি উল্লেখ কৰি গৈছে। বিশ্বাস কৰা হয় যে সম্ভৱত তেওঁ তৰমুজৰ আচাৰলৈ আঙুলিয়াব খুজিছিল। আন কিছুমানে কব খোজে যে সেয়া তিয়হৰ আচাৰো হব পাৰে।

কুল-এইড (Kool-aid) আচাৰৰ বিষয়ে শুনিছানে? ঠিকেই অনুমান কৰিছা। এয়া পুৰণি পদ্ধতিৰ নতুন ৰূপ। লুণীয়া পানীত শাক-পাচলি বা ফল-মূল তিয়াই থোৱাৰ পৰিৱৰ্তে, সিবিলাকক কুল এইড মিশ্ৰণত ৰখা হয়। ইয়াক খাই কিছুমানে ভাল পায় আৰু কিছুমানে বেয়া পায়।

নেপোলিয়নে আচাৰক স্বাস্থ্যৰ বাবে এক প্ৰয়োজনীয় উপাদান বুলি গণ্য কৰিছিল। যদি কোনোবাই আচাৰ তৈয়াৰ কৰা এটা পদ্ধতি আৱিস্কাৰ কৰিব পাৰে, তেওঁক বহু ধনৰ পুৰস্কাৰ প্ৰদান কৰিছিল। নেপোলিয়ন আৰু জুলিয়াচ চিজাৰ, দুয়োয়ে সামৰিক অভিযানৰ সময়ত সৈন্যবাহিনীয়ে খাবৰ বাবে তিয়হৰ আচাৰ লগত লৈ গৈছিল।

নানান ভক্ত!

- তেৰশ শতিকাত, ৰজা জনৰ বিখ্যাত ভোজমেলত আচাৰক এক মূল আহাৰ হিচাপে পৰিবেশন কৰা হৈছিল।
- কথিত আছে যে ৰোমান সম্ৰাট টিবেৰিয়াছে প্ৰতিদিনেই আচাৰ খাইছিল।
- এৰিষ্টটল আচাৰৰ ঔষধি গুণৰ এজন ভক্ত আছিল।
- কুইন এলিজাবেথ (প্ৰথম) আচাৰৰ বিশেষ ভক্ত আছিল বুলি জনা যায়।

প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহত, স্থানীয় লোকসকলে মাটিত গাঁত খান্দি তাত ফলমূল আৰু শাক-পাচলিৰ পৰা আচাৰ প্ৰস্তুত কৰে। সেই গাঁত তেওঁলোকে কলপাতেৰে ঢাকি থয়। ফিজিত, কণ্যাৰ পিতৃ-মাতৃক নিজৰ আচাৰৰ গাঁত দেখুৱাৰ পিছতহে এজন যুৱকে এগৰাকী কণ্যাক বিৱাহ কৰিব পাৰে।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	The exam is over.	How was it?
Assamese	পৰীক্ষা শেষ হ'ল।	এইটো কেনে আছিল?
Telugu	పరీక్ష ముగిసింది. পৰীক্ষা মুগিচিণ্ডি.	అది ఎలా ఉంది? অদি য়েলা উণ্ডি.
Tamil	தேர்வு முடிந்து விட்டது. থেৰভু মুদিন্থু ভিট্টথু.	எப்படி இருந்தது? ইপ্পাদি ইৰুনথাথু?
Bengali	পরীক্ষাটা শেষ। পৰীক্ষাটা শেষ।	কেমন হল? কেমন হ'ল'?
Marathi	परीक्षा संपली आहे. পৰীক্ষা সম্পলি অহে.	कशी गेली? কাচি গেলি?
Kannada	ಪರೀಕ್ಷೆ ಮುಗಿಯಿತು. পৰীক্ষা মুগিয়িটু.	ಅದು ಹೇಗಿತ್ತು? অডু হেগিট্টু?
Odia	ପରୀକ୍ଷା ସରିଯାଇଛି। পৰীক্ষা চৰিযাইছি।	ଏହା କିପରି ଥିଲା? ইহা কিপাৰিথিলা?
Gujarati	પરીક્ષા પૂર્ણ થઈ. পৰীক্ষা পূৰ্ণ থায়ি.	તે કેવું હતું? তে কেভু হতু?
Hindi	परीक्षा ख़त्म हो गई है। পৰীক্ষা খতম হ গেয়ী হে.	कैसी रही? কেইছী ৰেহে?
Malayalam	പരീക്ഷ കഴിഞ്ഞു. পৰীক্ষা কেঝহিনজু.	അതെങ്ങനെയുണ്ടായിരുന്നു? অথেংগনে উণ্ডায়িৰুন্নু?
Santali	ᱵᱤᱱᱤᱫ ᱫᱚ ᱥᱟᱛ ᱮᱱᱟ। বিনিদ দো সথ ইনা।	ᱪᱮᱫ ᱞᱮᱠᱟ ᱦᱩᱭ ᱮᱱᱟ? চেড়লেকা হুয়ে ইনা?
Sanskrit	परीक्षा समाप्ता। পৰীক্ষা সমাপ্ত।	कथमासीत् परीक्षा? কথমাসিত পৰীক্ষা?

English	Not very good.	I will study well.
Assamese	বৰ ভাল নাছিল।	মই ভালদৰে অধ্যয়ন কৰিম।
Telugu	ఫరవాలేదు. ফাৰভালিয়েডু.	నేను బాగా చదువుతాను. নিনু বাগা চাডুভুট্টানু.
Tamil	சரியாக இல்லை. চৰিয়ক ইল্লাই.	நான் நன்றாகப் படிப்பேன். নান নানৰাগ পডিপায়েন.
Bengali	খুব ভাল নয়। খুব ভাল নয়।	আমি ভালো করে পড়ব। আমি ভাল কৰে পঢ়িব।
Marathi	फार चांगली नाही. ফৰ চাংগলি নাহি.	मी चांगला अभ्यास करीन. মি চাংগলা অভ্যাস কৰিন.
Kannada	ತುಂಬಾ ಚೆನ್ನಾಗಿರಲಿಲ್ಲ টুম্বা চেন্নাগিৰালিল্লা.	ನಾನು ಚೆನ್ನಾಗಿ ಓದುತ್ತೇನೆ. নানু চেন্নাগি অডুটেনে.
Odia	ଖୁବ୍ ଭଲ ହୋଇନାହିଁ। খুব ভাল হয়নাহি।	ମୁଁ ଭଲ ଭାବରେ ପଢିବି। মুন ভাল ভাবেৰে পঢ়িবি।
Gujarati	ખૂબ સારું નહીં. খুব চাৰু নাহি.	હું સારો અભ્યાસ કરીશ. হু চাৰু অভ্যাস কৰিছ.
Hindi	बहुत अच्छी नही। বহুত অচ্ছা নেহী.	मैं ठीक से पढ़ूँगा। মে ঠিক চে পঢ়ুংগা.
Malayalam	അത്ര നല്ലതല്ലായിരുന്നു. অথৰ নল্লাথল্লায়িৰুন্নু.	ഞാൻ നന്നായി പഠിക്കും. ঞন নন্নায়ি পঢ়িক্কুম.
Santali	[illegible] ইউনগ দো বেছ লেনা।	[illegible] নপে ইঞ্জ পলহগ–অ।
Sanskrit	न बहु सम्यक्। না বহু সম্যক।	अहम सम्यक् पठिष्यामि। অহম সম্যক পঠিষ্যমি।



যেতিয়া শিৱ কল্যাণৰ জন্ম হৈছিল, তেওঁৰ ৰাজহাড় স্বাভাৱিক নাছিল। কিন্তু এই সমস্যাই নবছৰ বয়সীয়া শিশুৰ সাফল্যত বাধাৰ সৃষ্টি কৰিব নোৱাৰিলে। চাৰে তিনি বছৰ বয়সলৈকে তেওঁ আনকি বগাবই নোৱাৰিছিল। পুত্ৰৰ চিকিৎসাৰ বাবে তেওঁৰ পিতৃ-মাতৃয়ে আমেৰিকাত বাস কৰিবলৈ ললে।

আমেৰিকালৈ যোৱাৰ পিছত, শিৱৰ পিতৃ-মাতৃয়ে তেওঁক দ্বিতীয় শ্ৰেণীত নামভৰ্তি কৰি দিলে। কিন্তু কম দিনৰ ভিতৰতে শিক্ষকে গম পালে যে শিৱ হ'ল এজন অসাধাৰণ বালক। শিৱক অষ্টম শ্ৰেণীত নাম ভৰ্তি কৰিবৰ বাবে পৰীক্ষা লোৱাত গম পোৱা গ'ল যে প্ৰকৃততে তেওঁ কলেজত পঢ়াৰ বাবে উপযুক্ত। শিৱই ইতিমধ্যে আমেৰিকাৰ স্বনামধন্য জন হপকিন্স বিশ্ববিদ্যালয়ৰ চেণ্টাৰ অৱ টেলেণ্টেড যুথৰ পৰা দুটা বঁটা লাভ কৰিছে। লগতে তেওঁ SAT I আৰু SAT II পৰীক্ষাত সুন্দৰ নম্বৰ লাভ কৰিছে। আমেৰিকাত লাভ কৰা আধুনিক চিকিৎসাৰ বাবে শিৱৰ শাৰিৰীক অৱস্থা বহুখিনি ভাল হয় আৰু তেওঁ 'ৱাকাৰ'ৰ সহায় লৈ আজিকালি খোজ কাঢ়িবও পাৰে।

ফ্ৰানক'ই তামিলনাডুৰ গাৱত বাস কৰা ৰুগীয়া লোকক সহায় কৰিবৰ বাবে ১৯৭৪ত ভাৰতলৈ আহে। তেওঁ হ'ল এগৰাকী 'নান', যি নাৰ্ছিঙত প্ৰশিক্ষণ প্ৰাপ্ত আছিল। তেওঁ সামাজিক আৰু স্বাস্থ্য শিক্ষা কাৰ্যসূচী, কুষ্ঠ ৰোগ নিৰ্মূলৰ আঁচনিসমূহৰ লগত জড়িত হৈ পৰে। ভাৰতত ফ্ৰানক'ই পুতলা তৈয়াৰ কৰা বিদ্যাক পেশা হিচাপে প্ৰতিষ্ঠা কৰে। ফ্ৰানক'ৰ পুতলাই কথা কয়। সিবিলাক জীৱনৰ সুন্দৰতাৰ প্ৰতীক আৰু লগতে অসাম্যতা আৰু অসুন্দৰতাৰ বিপক্ষে বিদ্ৰোহ। পুতলাবিলাক বৰ সুন্দৰভাৱে তৈয়াৰ কৰা হয় আৰু দেখাত সঁচা যেন লাগে। সিবিলাক সৃষ্টিকৰ্তা ফ্ৰানক'ইৰ সপোন, আশা, আৱিষ্কাৰ, বন্ধুত্ব, চকুলো, প্ৰতিবাদ আৰু খঙৰ প্ৰকাশ।





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

ৰসিক মানুহ
বীৰবল
পণ্ডিত মহাশয়
১. এদিনাখন সেৱাৰাম নামৰ এজন চুবুৰীয়া বীৰবলৰ ওচৰলৈ আহি কলে, "বন্ধু, এটা কথাত তোমাৰ মূল্যৱান পৰামৰ্শ লাগে।" "কি কথাত?" বীৰবলে সুধিলে।
২. "মোৰ ককাদেউতা, পিতা সকলো সংস্কৃতৰ বিদগ্ধ পণ্ডিত আছিল আৰু সকলোৱে তেওঁলোকক সন্মানেৰে 'পণ্ডিত মহাশয়' বুলি কৈছিল। মানুহে মোকো তেনেদৰে সম্বোধন কৰাটো বিচাৰো।"
৩. বীৰবলে কলে, "মোৰ পৰামৰ্শ পালন কৰিবা। মানুহে তোমাক 'পণ্ডিত মহাশয়' বুলি কলে খং উঠা যেন দেখুৱাবা। মই তোমাক পণ্ডিত মহাশয় বুলি মাতিবলৈ সকলোকে কম।"
৪. সেৱাৰামক 'পণ্ডিত মহাশয়' বুলি জোকাবলৈ বীৰবলে চুবুৰীৰ কিছু শিশুক শিকাই দিলে। সিঁহতেও সেই কথাত বৰ ৰং পালে।
৫. সিঁহতে সেৱাৰামক দেখাৰ লগে লগে পণ্ডিত মহাশয় বুলি জোকাবলৈ আৰম্ভ কৰিলে। সেৱাৰামেও সিঁহতক খঙত খেদি যোৱা বা গালি পৰাৰ অভিনয় কৰিলে।

৬. আন এদিনাখন... ‘পণ্ডিত মহাশয়, আন্ধাৰলৈ ভয়... হাঁ হাঁ, হিঁ হিঁ।’ সেৱাৰামেও প্ৰত্যুত্তৰত খং দেখুৱাই কলে, ‘তহতক মই ধৰি কোবাম।’

৭.সেৱাৰামৰ খং উঠা দেখি শিশুবিলাকেও বৰ ৰং পাবলৈ ধৰিলে। সিঁহতে তেওঁক য'তে দেখে ত'তে পণ্ডিত মহাশয় বুলি জোকাবলৈ ধৰিলে।

৮. সোনকালেই বয়সীয়াসকলেও তেওঁক পণ্ডিত মহাশয় বুলি কবলৈ ধৰিলে। ‘পণ্ডিত মহাশয়, কলৈবা যায় ?’ ‘নৰকলৈ...ধৰিব পাৰিলে মাধমাৰ সোধাম তহতক...।’



৯. মানুহক গালি পাৰি পাৰি সেৱাৰাম ভাগৰি পৰিল। কিন্তু নামটো থাকি গ'ল। তেওঁ বীৰবলক কলে, ‘‘ধন্যবাদ বন্ধু, এতিয়া সকলোৱে মোক পণ্ডিত মহাশয় বুলি মাতে।’’

প্ৰেইৰী কুকুৰ আচলতে কুকুৰ নহয়। তুমি আঁচৰিত হৈছা নেকি? কিন্তু ই সঁচা কথা। এই ক্ষুদ্ৰ প্ৰাণীবিলাক আচলতে কেৰ্কেটুৰা প্ৰজাতিৰ এক জন্তু। ইহতৰ উচ্চতা ৩০ ছেন্টিমমিটাৰলৈকে হয়। ইহতক কেৰ্কেটুৰাৰ ওচৰ সম্পৰ্কীয় বুলি কব পাৰি। সিঁহতে কুকুৰৰ ভুকনিৰ দৰে শব্দ কৰে আৰু সেইবাবে সিঁহতক এই নামেৰে মতা হয়। দিনৰ ভাগত বাসস্থানৰ ওচৰত খাদ্য খাই বা আনবিলাকৰ লগত খেলা-ধুলা কৰি ইহতে সময় কটায়। ৰাতি হলে, সুৰক্ষিত বাঁহত জিৰণি লয়। প্ৰেইৰী কুকুৰে দল বান্ধি বাস কৰে আৰু সেই ঠাইক সিঁহতৰ চহৰ বা গাওঁ বুলি কোৱা হয়। গাওঁ বা চহৰৰ ভিতৰত সিঁহতৰ সৰু সৰু পৰিয়াল থাকিব পৰা বাসস্থান থাকে, যাক ‘কটেৰি’ বুলি কোৱা হয়। এটা কটেৰীত প্ৰায় ৭০ খন মান মুখ থাকে। এটা প্ৰইৰী কুকুৰে আন এটাক সম্ভাষণ জনাবৰ বাবে প্ৰথমে একেথৰে চাই থাকে, তাৰপিছত দাঁতৰে শব্দ কৰে আৰু সৰ্বশেষত নেজডাল জোকাৰি দিয়ে।

গুপ্তধনৰ বাকচ

এইমাহত আমি কিছুমান মন্দিৰৰ চিত্ৰৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।



হৰিদ্বাৰ, উত্তৰাঞ্চল



বদ্ৰীনাথ, উত্তৰাঞ্চল

একলিংগজী মন্দিৰ, ৰাজস্থান

পুৰী জগন্নাথ, ওড়িচা



ঔমকাৰেশ্বৰ, মধ্য প্ৰদেশ



কাশী বিশ্বনাথ, বাৰানসী

Chandamama

Art Book

I got Chandamama art book yesterday itself. what a lighting speed. When i see the art book, my 1st impression is "superb printing". In art book each and every image is having nice description in left side of the page. Why don't you mention the description of Chandamama's cover page image monthly wise? Once again thank you for sending the artbook an d Chandamama intime.

With Best Wishes,
Dr. V.V. Venkata Ramana, Hyderabad, AP

Order Now

2 Volumes

Log on to: **www.chandamama.com** or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) June 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Posting Date: 28/05/2012, Licensed to post regd. No. MH/MR/N/134/MBI/10-12